# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ১৭/০২/২০২৬ মঙলবাৰ**

আজি ইংৰাজী ১৭-০২-২০২৬ তাৰিখে অসম বিধান সভাৰ নৱ-নিৰ্মিত সদন কক্ষত অসম বিধান সভাৰ বাজেট অধিবেশন (লেখানুদান) পূৰ্ব নিৰ্ধাৰিত সময়সূচী মতে ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১, সন্মানীয় সদস্য শ্ৰী নিহাৰ ৰঞ্জন দাস।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (কেবিনেট মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Supplimentary.

**শ্ৰী নিহার রঞ্জন দাস(ধলাই সমষ্টি) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি প্রথমেই ধলাই সমষ্টিকে সমজেলায় উন্নীত করার জন্য আমি মাননীয় মূখ্যমন্ত্রী মহোদয়কে ধলাইবাসীর পক্ষ থেকে অসংখ্য ধন্যবাদ এবং কৃতজ্ঞতা জ্ঞাপন করছি। আমি জানতে চাইছি যে ধলাই সমজেলা উন্নীত হওয়ার পর সরকার বিভিন্ন অফিসের ক্ষেত্রে কি কি পদক্ষেপ নিচ্ছে? বিশেষ করে এখন সার্কেল অফিস নাই সার্কেল অফিস কবে স্থাপন করা হবে? আর কি কি অফিস আছে এবং অফিসগুলো কোনটি রেন্টেড অবস্থায় আছে কোনটি টেম্পরারি এবং কোনটি পার্মানেন্ট বিল্ডিং আছে আমি সরকারে কাছ থেকে জানতে চাইছি। সরকার গত পাঁচ বছরে ধলাই বিধান সভা চক্রে বিভিন্ন অফিস নির্মাণে কত টাকা খরচ করেছে? আর আমার ৩ নং প্রশ্ন হচ্ছে, সরকারের আগামীতে কি পরিকল্পনা আছে যে সমজেলা অফিস এবং সার্কেল অফিস নির্মাণ করার জন্য? আমি জানতে চাইছি।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, সন্মানীয় মন্ত্ৰী শ্ৰী ৰণজিৎ কুমাৰ দাস।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (কেবিনেট মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ সন্মানীয় বিধায়ক গৰাকীয়ে যিটো প্ৰশ্ন আনিছে শ্ৰী নিহাৰ ৰঞ্জন দাস ডাঙৰীয়াই, গোটেই কেইটা বিভাগৰ সংমিশ্ৰণ কৰি আনিছে। যেনে Circle Office ৰ ক্ষেত্ৰত GAD ৰ কোনো সম্পৰ্ক নাই। তেনেকুৱা ব্লকৰ ক্ষেত্ৰত পঞ্চায়তে চায়, কিন্তু ব্লক বুলি বেলেগকৈ সোধা নাই। ঠিক তেনেকুৱাকৈ CDC office টো GAD বিভাগে চাওঁ। GAD বিভাগে চোৱা বাবে ইতিমধ্যে CDC office টো নিৰ্মাণ কৰাৰ বাবে ৫০ লাখ টকা ইতিমধ্যে আবন্টন কৰা হৈছে। Forest IB এটাত repairing কৰি temporary ভাৱে এতিয়া কাম চলিব আৰু পৰৱৰ্ত্তী সময়ত নতুন যি ভৱন নিৰ্মাণ হ'ব, তাত কৰা হ'ব। বাকী যিখিনি বিষয় আছে ব্লকৰ বিষয় বা Circle office ৰ বিষয়, সুকীয়া সুকীয়াকৈ প্ৰশ্ন সুধিলে আমি উত্তৰসমূহ দিব পাৰিম। বাকী যিখিনি PWD বিভাগ আছে আমি transfer কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী আপুনি কি ক'লে PWD বুলি?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (কেবিনেট মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক গৰাকীয়ে বিষয়টো যিটো আনিছে GAD বিভাগ বুলি আনিছে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো আমাক জনাইছে PWD য়ে GAD ক communicate কৰিছে

বুলি।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, সাধাৰণ প্ৰশাসন বিভাগ, ইত্যাদি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় আমি GAD য়ে communicate কৰিছো, PWD বিভাগে আমাক জনাইছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে আপুনি reply টো PWD ৰ পৰা পাই যাব।

এতিয়া প্ৰশ্ন নং ২, সন্মানীয় সদস্য শ্ৰী চুজাম উদ্দিন লস্কৰ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, সাধাৰণ প্ৰশাসন বিভাগ, ইত্যাদি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Supplimentary.

**শ্ৰী সুজাম উদ্দিন লস্কর(কাটলিছড়া সমষ্টি) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়েত গ্রাম উন্নয়ন বিভাগের সমগ্র রাজ্যে **৮৬২** টি টেক্স কালেক্টর আছে কিন্তু তার মধ্যে হাইলাকান্দি জেলায় **২৪**টি কিন্তু কোন প্রমোশন হয়নি। কমিশনার অফিস থেকে **১৮-৬-২৫** তারিখে একটি গ্রেডেশন তৈরি হয়েছিল কিন্তু আজ পর্যন্ত তার কোন খবর নেই। তাই মাননীয় মন্ত্রী মহোদয়ের কাছে আমার অনুরোধ যে আমার জেলায় **৬২**টি গ্রামপঞ্চায়েতের মধ্যে মাত্র **২৭**জন জিপি সেক্রেটারি আছে। প্রমোশন হলে আমাদের এই সমস্যাটি সমাধান হয়।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী শ্ৰী ৰণজিৎ দাস।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (সাধাৰণ প্ৰশাসন বিভাগ, ইত্যাদি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তৰ গ্ৰামোন্নয়ন বিভাগত বৰ্তমান আমাৰ ২৪২ গৰাকী কণিষ্ঠ সহায়ক আছে আৰু এই কণিষ্ঠ সহায়ক সকলক ইতিমধ্যে পদোন্নতি দিয়া হৈছে Accountant হিচাপে। বাকী যিসকল junior assistaant বা tax collector আছে, Tax collector ৰ কাৰণে ইতিমধ্যে আমি Gradation list বনাইছো। তেওঁলোকৰ service rule টো হোৱা নাই। গতিকে আমি যোৱাকালিও review কৰিছো আৰু আগন্তুক দিনত তেওঁলোকক service rule prepare কৰি পদোন্নতি দিয়াৰ ব্যৱস্থা কৰা হ'ব, যেনেধৰণে Junior Assistant টোক আমি পদোন্নতি দি Accountant ত দিছো, ঠিক তেনেকৈ Tax collector, road mohorar সকলকো পদোন্নতি দিব লাগিব বা অন্য কামত দিব লাগিব কাৰণ যিহেতু মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু আমাৰ চৰকাৰ খনে ইতিমধ্যে গাওঁ পৰ্য্যায়ত সকলো ধৰণৰ Tax collection আমি withdraw কৰিছো except wine shop ৰ বাহিৰে বা brick Industry ৰ বাহিৰে গতিকে Tax collector সকলোৰে এতিয়া বিশেষ তেনেকুৱা কাম নাই as a Tax collector হিচাপে। যাৰ কাৰণে আমি এতিয়া বহুতক GP secretary হিচাপে ৰাখিছো attach কৰি। আগন্তুক দিনত service rule বনাই নতুন পদত যেতিয়া মকৰল কৰিব পৰা যায় তাৰ কাৰণে বিহিত ব্যৱস্থা লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া শ্ৰী জাকিৰ হুছেইন লস্কৰ।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ,........... বিভিন্ন জন প্ৰতিনিধিয়ে বিভিন্নভাৱে সুবিধা লৈছে। এটা GP ত এজন জন প্ৰতিনিধিৰ ঘৰত নিজৰ ঘৰৰ চাৰিওফালে প্ৰায় ১ কোটি বা ডেৰ কোটি টকাৰ চৰকাৰী আঁচনি implement কৰিছে তেওঁ নিজাববীয়া আৰু এজন জিলা পৰিষদৰ সদস্য আছে আমি আচৰিত হৈছো যে ৪ বছৰৰ ভিতৰত ৫ বছৰ হৈ গ'ল। Last এটা প্ৰশ্ন পাইছিলো যে Untied ৰ লেট্ৰিন এটাৰ বাবে পইচাটো চৰকাৰে দিয়া নাই। বাস্তৱ চিত্ৰটো তাত গৈ দেখিলো যে তাৰ আঁৰতে ইয়াত যেতিয়া প্ৰশ্নটো raise হৈছে তাৰ আগতে

জিলা পৰিষদৰ ফাণ্ডৰ পৰা পইচাটো ইতিমধ্যে দিয়া হৈছে। সেয়েহে আপোনাৰ মাধ্যমেৰে মাননীয় মন্ত্ৰী মহোদয়ক কৈছো যে তেখেতৰ তথ্য সহ বাৰাম্বাৰ এই complaint টো আহিছে। Kindly যদি এটা উচ্চস্তৰীয় complaint দিয়ে কাৰণ মানুহবিলাকে বিচাৰিলে এটা CC block দিব নোৱাৰো আমি। এখন গাওঁত এটা CC block বনালে ৬০/৪০ হৈ যায়। কিন্তু এজন জন প্ৰতিনিধিৰ ঘৰৰ চাৰিওফালে কোটি টকাৰ ওপৰত নিজাববীয়া কাম কৰিছে। এইটো তদন্ত আপুনি কৰিব নে নাই ?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (সাধাৰণ প্ৰশাসন বিভাগ, ইত্যাদি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি এইটো বিষয় সঁচা তেতিয়া নিশ্চিতভাৱে এইটো অপৰাধ। মই আপোনাক এটা অনুৰোধ জনাম যাতে আপুনি এটা লিখিতভাৱে complain দিয়ে, তেতিয়া enquiry হ'ব আৰু enquiryৰ পিছত আমি যি বিহিত ব্যৱস্থা ল'ব লাগে সেইটো ল'ম।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** ধন্যবাদ মন্ত্ৰী মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৩ , শ্ৰী আব্দুছ চোৱাহন আলী সৰকাৰ ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী আব্দুছ চোৱাহন আলী সৰকাৰ, ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মই ইয়াত এটা প্ৰশ্ন ৰাখিছিলো যে ধুবুৰী জিলাত এতিয়ালৈকে অৰুণোদয় আঁচনিত বিধৱা কিমান বাকী আছে, বিকলাংগ কিমান বাকী আছে আৰু অবিবাহিত বয়জ্যেষ্ঠ মহিলা কিমান বাকী আছে কিন্তু মোৰ উত্তৰটো দিয়া হোৱা নাই, কিমান মানুহক দিয়া হৈছে সেইটোৰ উত্তৰ দিয়া হৈছে। সেইটোৰ উত্তৰটো ঠিক হোৱা নাই। মই এটা কথা ক'ব বিচাৰিছো যে আমাৰ Gurdian minister ও ইয়াত আছে লগতে মন্ত্ৰী মহোদয়ৰ লগতে। ধুবুৰী জিলাত যিসকল ব্যক্তিয়ে অৰুণোদয় পাব লাগিছিল, সেই সকল ব্যক্তিয়ে ষড়যন্ত্ৰৰ বাবে অৰুণোদয় পোৱা নাই। য'ত ইমান মানুহে পাব লগা আছে বিধৱা বাকী আছে, বিকলাংগ বাকী আছে আৰু অবিবাহিত মহিলা বাকী আছে তাত কেনেকৈ এখন আঁচনি সফল হয়। মই সেইকাৰণে অনুৰোধ জনাইছো ইয়াত বহুতো মানুহ অৰুণোদয়-১ আৰু অৰুণোদয়-২ ত কৰ্তন কৰা হৈছে, যিসকল আচলতে পাব লগা ব্যক্তি। কিহৰ ভিত্তিত এইবিলাক মানুহক বাতিল কৰা হ'ল আৰু এই বিলাক ব্যক্তিয়ে অহা দিনত পাব নে নাই ? অকল কোনোবা ৰাজনৈতিক দলৰ সভাপতি হ'লে যে অৰুণোদয় দিব পাৰিব সেইটো কথা নহয়। মোৰ প্ৰশ্নটো হ'ল যে কিমান মানুহ বাকী আছে সেইটো জানিব বিচাৰিছো। এইটো কিয় হৈছে? আচলতে অৰুণোদয় এনেকুৱা হ'ব লাগে Income tax আৰু service holder ৰ বাহিৰে প্ৰতিটো পৰিয়ালত কমেও এটাকৈ অৰুণোদয় হ'ব লাগে । তেতিয়াহে এইটো আঁচনি সফল হ'ব বুলি মই ভাৱো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । সন্মানীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমাৰ ধুবুৰী জিলাত আমাৰ যিখিনি বিধৱা এতিয়ালৈকে পোৱা হৈছে, সেই সংখ্যাটো দিছো। আপোনালোকে পাইছে ২৫,৯৮৩ গৰাকী , বিকলাংগই পাইছে ৬,১০৭ গৰাকী আৰু অবিবাহিত মহিলা ২,০৫০ গৰাকী ইতিমধ্যে পাইছে আৰু কিছু সংখ্যকে পাবলৈ বাকী আছে, যিটো আপুনি কৈছে। সেইটো আমাৰ DC ৰ ফালৰ পৰা পৰীক্ষা কৰি থকা হৈছে । কিছুমানে অৰুণোদয় এইকাৰণে পোৱা নাই যে ৰেছন কাৰ্ড বা আধাৰ কাৰ্ডৰ লগত তেওঁলোকৰ link নাই। আপুনি যিটো হিচাপ বিচাৰিছে সেই exact হিচাপটো বৰ্তমান আমাৰ হাতত নাই। গতিকে এইটো কথা

আমি আশ্বস্ত কৰিব বিচাৰিছো যে মাননীয় সদস্য গৰাৰীক যে যি সকল বিকলাংগ আছে তেওঁলোকৰ আধাৰ কাৰ্ড বা ৰেছন কাৰ্ডৰ পৰ্য্যায় ভিত্তিত তেওঁলোকক আমি দি আছো আৰু আমি এনেকুৰাও কৰিছো যে যাৰ এটা পৰিয়ালক দিয়ে মহিলা গৰাকীয়ে যি অৰুণোদয় পাইছে, তেন্তে বিকলাংগৰো তেওঁলোকৰ আছে। গতিকে সেইটো পৰিয়ালৰ দুটা অৰুণোদয়পাবলৈ এইটো চৰকাৰৰে সিদ্ধান্ত আছে। গতিকে এইটো পৰ্য্যায়ত আমি সামৰিলোঁ।

**শ্ৰী আব্দুছ ছোৱাহান আলী, বিধায়ক( গোলকগঞ্জ)ঃ-** ছাৰ, আচলতে প্ৰতিখন জিলাতে এনেকুৰা ঘটনা ঘটিছে। প্ৰতিখন জিলাতে পাবলগীয়া হিতাধিকাৰীয়ে পোৱা নাই। এইটো কাৰণে বিশেষ ভাবে কি ব্যৱস্থা ল'ব আৰু মই এটা কথাটো আপোনাক জনাব বিচাৰিছো, বিশেষকৈ মই ইয়াৰ আগত আমাৰ জিলাৰ আয়ুক্তকো বাৰ বাৰ কৈছিলো। বিশেষকৈ মোৰ সমষ্টিত কেইবাখনো গাওঁ পঞ্চায়ত অৰুণোদয়ৰ পৰাৰ বঞ্চিত কৰি দিয়া হৈছে। সেইবিলাক মানুহৰ নাম আমাৰ যিখিনি কমিটি আছিল, কমিটিৰ ফালৰ পৰা আহিছিল কিন্তু তাৰ পৰা জিলাৰ আয়ুক্ত অ'ফিচৰ সেইবিলাক নাম একেবাৰে কৰ্তন কৰা হৈছে। আমি যিবিলাক কমিটিখনৰ পৰা signature কৰা পিছত যিবিলাক নাম পাঁচ হ'ল, সেই মানুবিলাকে কিয় নাপালে। তাৰ কাৰণে উচিত তদন্ত আপোনালোকে কৰিবনে তাৰ কাৰণে বিধান সভাত মই প্ৰশ্ন উত্থাপন কৰিছো।

**শ্ৰী দেবব্ৰত শইকীয়া, ( বিৰোধী দলৰ দলপতি, নাজিৰা)ঃ-** ছাৰ, এটা কথা এড কৰি দিও। ছাৰ, সকলো জিলাতে যিবিলাকে পূৰ্বতে পাই আছিলে Verification inspection পিছত তেনেকুৰা নাম বাতিল হৈছে আৰু বহুত যোগ্য হিতাধিকাৰী, শাৰিৰীকভাৱে বিশেষ সক্ষম বিধবা বাদ পৰি গৈছে। সেইটো আইনী বিষয়ত এটা অভিধান লাগে তদন্ত কৰিবৰ বাবে।

**মাননীয় অধ্যক্ষ ঃ** - Please, question টো ভালকৈ নকৰিলে reply টো কেনেকৈ দিব। Hon'ble Minister,

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ**-ছাৰ, কেনেকুৰা সমষ্টিত বিধবা মহিলাৰ নাম কাটি দিছে।

**মাননীয় অধ্যক্ষ ঃ** - কি উত্তৰ দিব, প্ৰশ্নটো কৰিলেহে উত্তৰ দিব। সকলোৱে ক'লে কিহৰ উত্তৰ দিব। please Hon'ble Member reply দিব । সকলোৱে কৈ থাকিলে কেনেকৈ হ'ব। মই question pass কৰিম যদি আপোনালোকক answer নালাগে। Hon'ble Minister.

**মাননীয় অধ্যক্ষ ঃ** - Please, question ভালকৈ নকৰিলে reply টো কেনেকৈ দিব। Hon'ble Minister.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,(সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ-** অধ্যক্ষ মহোদয়, এই যিখিনি কথা মাননীয় সদস্য গৰাকীয়ে কৈছে যে ১,২, পাইছিল, কিন্তু ৩ ত কটা গৈছে। এইটো কথা আহিছে আৰু আমাৰ মাননীয় সদস্য গৰাকীয়ে কৈছে যে তেখেতসকলে যিটো পাঁচ কৰি দিছিল ব্লকৰ পৰা

যিখিনি পাঁচ হৈ আহিছিল জিলা অ'ফিচত সেইখিনি কাটি দিয়া বুলি কৈছে। actually এইটো কথা নহয়। কাৰণ আমি .....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ-** নাই নাই, কিয় কটা হৈছে? অসত্য কথা কৈ আছে।

**মাননীয় অধ্যক্ষ ঃ - Please, এইটো নহয় question hour,** reply যি আছে এইটো দিব চৰকাৰে। আপুনি ভাল পোৱা বেয়া পোৱা কথা নাই নহয়। উত্তৰটো শুনক তাৰ পিছত কব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,(সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ-** অধ্যক্ষ মহোদয়, জিলা ভিত্তিত যেতিয়া এই তথ্যখিনি আহিল, জিলা ভিত্তিত তথ্যখিনি আহাৰ পিছত দেখিবলৈ পালো যে এখন ৰেচন কাৰ্ডত দুজনে পাইছে। কিছুমানৰ আধাৰ কাৰ্ডৰ লগত ৰেচন কাৰ্ডৰ অমিল আছে।

**শ্ৰী অখিল গগৈ, (শিবসাগৰ)ঃ-** আপুনি আচল উত্তৰ দিয়ক, ফালৰি কাটি কিবা কৈ আছে।

**মাননীয় অধ্যক্ষ ঃ -Please,** বহক । আপোনাক উত্তৰ লাগে সুস্থ ভাৱে প্ৰশ্ন কৰক।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, ( গোলকগঞ্জ)ঃ-**ছাৰ, যেনেকৈ উত্তৰ দিছে, আমি এই উত্তৰত সন্তুষ্ট নহয়। ইয়াত হেৰ ফেৰ হৈছে। মই বিধায়ক হিচাপে আছো কাৰণে মোৰ সমষ্টিত বাকী দুখীয়া ৰাইজৰ কাৰণে মই ক'ব লগা হৈছে। কিয়নো কোনোবা এটা বিশেষ ৰাজনৈতিক দ'লে আৰুণোদয় আঁচনিৰ নাম লৈ আজিৰ দিনত নিৰ্বাচনী বৈতৰণী পাৰ হ'ব খুজিছে। আৰু এইটো নিকা ভাৱে দলীয়কৰণ কৰা হৈছে। এনেকৈ নহ'ব। চৰকাৰী পুঁজি, চৰকাৰী টকা যদি অপব্যয় কৰে।

**মাননীয় অধ্যক্ষ ঃ - হ'ব। Next question No,4** শ্ৰী অখিল গগৈ।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, ( গোলকগঞ্জ)ঃ-** বিধবা সকলৰ নাম কাটি বিকলাংগ সকলৰ নাম দিলে।

**মাননীয় অধ্যক্ষ ঃ** - হৈ গ'ল, **reply** সব দি দিলে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,(সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ-** অধ্যক্ষ ডাঙৰীয়া কথাতো তেনেকুৱা নহয়।

**মাননীয় অধ্যক্ষ ঃ - question No,4** শ্ৰী অখিল গগৈ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,(সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ-** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ Supplementary.**

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰথম **Supplementary** টো হ'ল যে মই সুধিছিলো **Actually** অসম চৰকাৰৰ ৰাজহ অৱস্থাতো কেনেকুৱা? ৰাজহ সংগ্ৰহৰ পৰিমান কোন দিশত গৈ আছে। তেতিয়া মই দেখিলো যে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত কেন্দ্ৰৰ যিটো অনুদান বা **Grant ,** সেই **Grant** টো ২০২১-২২ চনত ৩০,২৬ কোটি টকা আছিলে, কিন্তু কেন্দ্ৰৰ গ্ৰাণ্ট সেইটো গৈ গৈ কমি ২১,২৫০ কোটি টকা হৈ গ'ল। সেইটো ২৪-২৫চনত। কেন্দ্ৰীয় চৰকাৰে আমাক বঞ্চনা কৰিছে ছাৰ। তাৰ পিছত যদি চাওঁ যে কেন্দ্ৰত গ্ৰাণ্ট যেনেকৈ কমিলে Finance Commission ৰ যিটো অংশ, যিটো Devoltion বুলি কয়, আমি যিটো পাওঁ , সেই অংশটো আমি দেখিছো ২০২১-২২ চনত ৮,৯১৬ কোটি টকাৰ পৰা Finance Commission যে সেইটোও কমি গুচি গ'ল। Finance Commission ৰ অংশ ৮,৯১৬ কোটো টকাৰ পৰা কেন্দ্ৰীয় চৰকাৰে আমাক কমাই ১,৩৫৬ কোটি টকালৈ ২৪ -২৫ চনত কমাই দিলে। এতিয়া চাৰ, তাৰ বিপৰীতে আমি দেখিছো যে চৰকাৰখনে কি কৰিব লগা হৈছে এই Gape

টো কেন্দ্ৰীয় চৰকাৰে যে আমাক টকা ক'ম দিছে, যাৰ ফলত কেন্দ্ৰ গ্ৰাণ্টটো কমি গ'ল, Finance Commission ৰ অংশটো আমাৰ কমি গ'ল। তাৰ ফলস্বৰূপে আমাৰ অসমে ৰাজহুৱা ঋণ বঢ়াই দিব লগা হৈছে। আমি ধাৰ বেছিকৈ ল'ব লগা হৈছে। ২০২১ -২২ চনত আমাৰ ধাৰ আছিল ১৮,৮৯৬ কোটি টকা , সেই ধাৰ গৈ আমাৰ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ধাৰ ল'ব লগা হৈছে ৩০,৬৭৩ কোটি টকা । চাৰ, ধাৰৰ পৰিমান সাংঘাটিক বাঢ়িছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে অনুদান আৰু Finance Commission ৰ যিটো অংশ , সেই অংশ কমি কমি গৈ আছে। আৰু তাৰ বিপৰীতে অসমৰ মানুহৰ ওপৰত মাধমাৰ দি যি কৰ ৰাজহ বৃদ্ধি কৰিবৰ বাবে অসমৰ মানুহৰ পৰা excise duty incum Tax এই বিলাক আছে। আৰু property Tax এই বিলাক বঢ়াই বঢ়াই চাৰ কি কৰিব লগীয়া হৈছে ৪৭,৬৮৪ কোটি টকাৰ পৰা সেইটো বঢ়াই গৈ এতিয়া ৭০,৩৪০ কোটি হৈছেগৈ। কিন্তু আমাক লুণ্ঠন কৰিব লগা হৈছে।

**মাননীয় অধ্যক্ষ ঃ - প্ৰশ্নটো কৰক।**

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ-** মোৰ প্ৰশ্নটো হ'ল যে কেন্দ্ৰীয় চৰকাৰৰ পৰা একেই Doble Engine চৰকাৰ থকাৰ পিছতো, ৰাজ্য চৰকাৰে কিয় কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা কমকৈ পাবলৈ ধৰিছে, আৰু সেইকাৰণে দিনে দিনে ঋণ বঢ়াব লগীয়াত পৰিছে নেকি? আৰু এই ঋণৰ পৰিমান যে ইমান বৃদ্ধি কৰিছে , ইমান যে ধাৰ লব লগীয়া হৈছে, ইমান যে কৰৰ বোজা জাপি দিব লগীয়া হৈছে, তাৰ বিপৰীতে এই অৰ্থনৈতিক আৰু অসমৰ ৰাইজৰ পক্ষত আনিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে।

**মাননীয় অধ্যক্ষ ঃ** - Hon'ble Minister .

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,(সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই যিটো কথা কৈছে, সেইটো নহয় আচলতে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ-** এইটো নহয় মানে কি হয়?

**মাননীয় অধ্যক্ষ ঃ** - উত্তৰটো শুনি লওঁক।

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ)ঃ-** উত্তৰ লিখি লৈছে।

**মাননীয় অধ্যক্ষ ঃ** এই কাৰণে তেখেতে কৈ আছে, পিছত ক'ব আপুনি। 2nd Supplementarey কৰিলেই হ'ল। উত্তৰটো শুনক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,(সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ-** অধ্যক্ষ ডাঙৰীয়া মাননীয় অখিল গগৈ ডাঙৰীয়াই যিটো কথা কৈছে তেখেতৰ শুনাৰ অভ্যাস নাই, কোৱাৰ অভ্যাসহে আছে। গতিকে শুনাৰ অভ্যাসটো থাকিব লাগে, কোৱাৰ অভ্যাসটো থাকিব লাগে। গতি আমাৰ কথাটো হ'ল যে আমাৰ যিটো Revenue position আজিৰ দিনতোত আমাৰ চৰকাৰৰ বৃদ্ধি হৈছে। যিটো আমাৰ GSDP সেইটোত বৃদ্ধি হৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ-** GSDP মানে Revenue নহয় চাৰ, হুলস্থুল”
**মাননীয় অধ্যক্ষ ঃ** - উত্তৰটো শুনি লওঁক,

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ)ঃ-** ছাৰ, মই Revenue বিধায়কক কথা সুধি আছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। আপুনি second supplementary কৰিব। উত্তৰ মন্ত্ৰীয়েহে জানিব, আপুনি আগতে শুনক। আপুনি আকৌ প্ৰশ্ন কৰিব পাৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ২০২২-২৩ চনৰ পিছত আমাৰ ৰাজ্যখনত revenue received position সেইটো ভাল হৈছে আৰু এটা কথা আছে যে 15th Finance Commission ৰ যিটো devolution ৰ কথা কৈছে আৰু 15th Finance Commission ত আমাৰ যিটো deficit আছিল,সেইটো আমি নাপালো। 15th finance ত আমি দুটা installment নাপালো যাৰবাবে অসুবিধা হৈছে। তেখেতে যিটো আপত্তি কৰিছে যে revenue deficit ত আমি দুটা installment পোৱা নাই কিন্তু 16th Finance Commission ত এইবাৰ এই গোটেইখিনিৰ ব্যৱস্থা কৰা হৈছে। দ্বিতীয় কথাটো হৈছে -----interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** ছাৰ, মোৰ প্ৰশ্নটো তেওঁ বুজি পোৱা নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মই বুজি পাইয়ে উত্তৰখিনি দি আছো। Finance ৰ কথাখিনি মই ভালদৰে বুজাই দিব পাৰো যদিহে অধ্যক্ষ ডাঙৰীয়াই সময় দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** নালাগে। To the point কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইখন সদনত বাজেটৰ ওপৰত মোৰ বক্তব্য proceeding চালেই গম পাব যে আঢ়ৈ ঘন্টা সময় Finance ৰ ওপৰত বক্তৃতা দিছো। তেতিয়া কংগ্ৰেছ আছিল আৰু মই Leader of the Oppossition আছিলো -----interruption----

**মাননীয় অধ্যক্ষ ঃ** হ'ব -----interruption----

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** ছাৰ, আগতে বিৰোধী দলৰ দলপতিক আঢ়ৈ ঘন্টা সময় দিয়া হৈছিল, কিন্তু আজিকালি নিদিয়ে।
**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** ছাৰ, Finance Commission ৰ অংক কমিছে আৰু কেন্দ্ৰৰ অনুদান কমিছে। কেন্দ্ৰৰ অনুদান কিয় কমিছে ?এই বিষয়ে ক'ব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, কেন্দ্ৰৰ অনুদান কমা নাই। -----

interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** কেন্দ্ৰৰ অনুদান কমা নাই যদি তথ্যত কিয় এইখিনি দিছে। আপুনি যদি একো বুজি নাপায় তেন্তে বেলেগক মাতক। -----interruption----

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ reveue deficit যিটো আছিল সেইটো আমি নাপালো। 15th Finance ত আমি দুটা installment নাপালো। যাৰবাবে অসুবিধা হোৱা দেখিছে। গতিকে revenue deficit ৰ পইচাখিনি -----interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** কেন্দ্ৰই আমাৰ যিটো installment দিব লাগে দিয়া নাই। BJP চৰকাৰে, নৰেন্দ্ৰ মোডীয়ে তথা কেন্দ্ৰীয় চৰকাৰে দিবলগীয়া installment আমাক দিয়া নাই। আপুনি সেইটো কৈছে হয় নে নহয়? -----interruption----

**মাননীয় অধ্যক্ষ ঃ** Please reply টো দিব দিয়ক-------interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** এইটো record কৰক যে নৰেন্দ্ৰ মোডীয়ে আমাক দুটা installment দিয়া নাই। -------interruption----

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Member please sit down.আপোনাৰ প্ৰশ্নৰ আপুনি supplementary পাব। মন্ত্ৰীক reply টো দিব দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, কেন্দ্ৰৰ পৰা অহা অনুদান আমাৰ কমা নাই। অখিল গগৈ ডাঙৰীয়াই বাৰে বাৰে কৈছে যে আমি সেইকাৰণে ঋণ ল'বলগীয়া হৈছে -------interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আপুনি ভুল তথ্য দিছে। ইয়াত অনুদান কমা বুলি দেখুৱাই দিছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** আপোনালোকে দিয়া লিষ্টখন চাওঁক। ২০২১-২২ বৰ্ষত কেন্দ্ৰৰ অনুদান আছিল ৩০,৩২৬ কোটি টকা,২০২২-২৩ বৰ্ষত ২৯,০০০ কোটি টকা,২০২৩-২৪ বৰ্ষত ২২,০০০ কোটি টকা। কমিছে নে নাই? ৩০,০০০ কোটি টকা আৰু ২২,০০০ কোটি টকা একে নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ আজিৰ দিনটোত GSDP বাঢ়িছে। -----interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আপুনি শব্দ কেইটাৰ অৰ্থ জানে নে নাই? আপোনাৰ ক'ৰ পৰা

কিমান টকা আহিছে, সেইটো শুধি আছো। কেন্দ্ৰৰ অনুদান ৩০,০০০ কোটি টকাৰ পৰা ২১,০০০ কোটি টকা হৈ গ'ল, এইয়া মোডীৰ মৰম নহয় জানো অসমৰ প্ৰতি? Finance Commission ৰ টকা ৪,০০০ কোটিৰ পৰা ১,০০০ কোটি টকা হ'ল। আপুনি কথাখিনি বুজি পাইছে নে নাই? উত্তৰ যে দি আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, কেন্দ্ৰৰ ফালৰ পৰা 15th Finance ৰ revenue deficit ৰ দুটা grant আমি পোৱা নাই। কিন্তু 16th Finance ত-----interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** এইটো record হ'ব লাগে। -----interruption----

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** এইটো record হওঁক। -----interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মোডীয়ে আমাক টকা দিয়া নাই, কেন্দ্ৰই আমাক পইচা দিয়া নাই। এইটো কথাত আমাৰ সকলো বিৰোধী পক্ষৰ সদস্য উঠিব লাগে। -----interruption----

**শ্ৰী পীয়ূষ হাজৰিকা, মন্ত্ৰী ঃ** ছাৰ, পইচা দিছে। Economic possition ভাল হৈছে। -----interruption----

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** ছাৰ, এজন মন্ত্ৰীয়ে কওঁক, দুজন মন্ত্ৰীয়ে কেনেকৈ ক'ব? -----interruption----

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** ছাৰ, যিটো প্ৰশ্ন কৰিছে সেইটোৰ উত্তৰ দিব লাগে। -----interruption----

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** কেন্দ্ৰৰ চৰকাৰে আমাৰ পইচা দিয়া নাই। কেন্দ্ৰই আমাক অৱমাননা কৰিছে। অসম বাসীক কেন্দ্ৰীয় চৰকাৰে মাহীআইৰ চকুৰে চায়। -----interruption----

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক, মন্ত্ৰীক উত্তৰটো দিবলৈ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ ৰাজ্যখনত revenue ৰ position উন্নত হৈছে আৰু উন্নত হোৱাৰ বাবে ভাল হৈছে -----interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আৰু আপোনালোকে ধাৰ লৈছে। ২০,০০০ কোটি টকাৰ ধাৰ হৈছে-----interruption----

**माननीय अध्यक्ष ঃ** Question No.-4 is over-----interruption----

**শ্ৰী পীযূষ হাজৰিকা, মন্ত্ৰী ঃ** ছাৰ, মই এটা কথা কম----interruption----

**মাননীয় অধ্যক্ষ ঃ** নালাগে ----interruption---- Question No.5----interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** ছাৰ, মোৰ second supplementary ----interruption---

**মাননীয় অধ্যক্ষ ঃ** নালাগে। বহক আপুনি। সকলোৰে প্ৰশ্ন আছে ----interruption---- কমলাক্ষ দে পুৰকায়স্থ ----interruption----

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** ছাৰ, বেলেগ প্ৰশ্নলৈ নাযাব। যোৱা সময়ছোৱাৰ তুলনাত কেন্দ্ৰই পুঁজি কমাই কমাই দি আছে। ২০২১-২২ বৰ্ষত, ২০২২-২৩ বৰ্ষত, ২০২৩-২৪ বৰ্ষত প্ৰতি বছৰে কমাই দি আছে। এইটো আলোচনা হ'ব লাগে।----interruption----

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক সকলোৰে বহক। মোক ক'বলৈ দিয়ক ----interruption----এইটো প্ৰশ্নকালীন ঘন্টা। Debate নহয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজিৰ পৰা ৫ বছৰ আগৰ বিত্তীয় বৰ্ষত ----interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে যি উত্তৰ দি আছে আপুনি শুনকচোন। তাৰ পাছত supplementary কৰক। বাৰে বাৰে প্ৰশ্ন কৰি থাকিলে কেনেকৈ হ'ব, বহুত প্ৰশ্ন আছে ----interruption---- মন্ত্ৰীয়ে উত্তৰ দি আছে আপোনালোক বহক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ ৰাজ্যখনত GSDP আৰু Debt ৰ ratio টো যদি চাওঁ, আমি GSDP ৰ ৩০.০৭ শতাংশলৈ ঋণ ল'বলগীয়া হৈছিল। কিন্তু ২০০৪-০৫ চনত আমাৰ চৰকাৰ নাছিল, তেতিয়াৰ চৰকাৰে যথেষ্ঠখিনি ঋণ এই শতাংশৰ ওপৰত গৈ লৈছিল। াৰ পাছত অধ্যক্ষ মহোদয়, আজি দিনত যিটো ঋণৰ কথা কৈ আছে, মই এইটো অসমৰ ৰাইজক clear কৰি দিব বিছাৰিছো। সদনৰ পৰা এই message টো যাব লাগে যে, আমি কেনেকৈ ঋণটো লৈছো। ভাৰত চৰকাৰৰ পৰা ২৮ শতাংশলৈকে ঋণ ল'ব পৰা ব্যৱস্থা আছে, কিন্তু আমি ২৮ শতাংশ লোৱা নাই। আজি দিনটোত আমি ২২.২ শতাংশ হে লৈছো। আমি এই ঋণটো GSDP ৰ growth ৰ ওপৰত base কৰি লৈছো। আমি যে কৈছো এই ঋণ লৈছো,

ঋণ এনেই ল'ব নোৱাৰী। ঋণটো GSDP ৰ ওপৰত নিৰ্ভৰ কৰি হে চৰকাৰে ল'ব পাৰে। গতিকে আমাৰ GSDP ৰ যিটো growth আৰু debt ratio, সেই ratio ৰ ৩২ শতাংশলৈকে অসম চৰকাৰৰ ঋণ ল'ব পৰা ব্যৱস্থা আছে আৰু তাৰ কেৱল আজি এই ৩২ শতাংশ ঋণ আমি লোৱা নাই। আমি ২২.২ শতাংশ হে লৈছো।

**মাননীয় অধ্যক্ষ ঃ** Next supplementary.

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** অসমত ৩২.৫ শতাংশলৈ ঋণ লোৱা ব্যৱস্থা আছে।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ডাঙৰীয়া, আপুনি অনুগ্ৰহ কৰি আগতে Questioner ৰ supplementary কৰিব দিয়ক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মোৰ দ্বিতীয় supplementary টো হ'ল কিন্তু মন্ত্ৰী ডাঙৰীয়াই ক'লে যে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি to the point question টো কৰক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, মই প্ৰশ্নটোৱে কৰি আছো। মাননীয় মন্ত্ৰী ডাঙৰীয়াই ক'লে যে কেন্দ্ৰীয় চৰকাৰে এতিয়া আমাক ঋণ লোৱা সুবিধা দিলে। কেন্দ্ৰীয় অনুদান আৰু finance commision ৰ পইচা কমাই আমাক ঋণ ল'বলৈ সুবিধা কৰি দিছে, মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সেইটো হয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** এইটো ভুল কথা।

**শ্ৰী অখিল গগৈ, সদস্য ঃ** মোক প্ৰশ্নটো কৰিবলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আপুনি reply ত ক'লে হব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলপতি ঃ** প্ৰশ্নটো শুনিবলৈ দিয়ক আগতে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মোৰ দ্বিতীয় প্ৰশ্নটো আছিলে যে, অসম চৰকাৰৰ মুঠ হিতাধীকাৰীৰ আঁচনি কেইখন, ইয়াত মোক উত্তৰ দিয়া নাই। আমি বিভাগ বিলাক সুধিছো। মই আশা কৰো যে ইয়াত মুঠ হিতাধীকাৰীৰ সংখ্যা আৰু প্ৰতি বছৰে হিতাধীকাৰী আঁচনিত কিমান টকা খৰচ হয় সেই কথাটো কব লাগে আৰু লগতে অসমৰ মুখ্যমন্ত্ৰীয়ে অসমৰ গোটেই বিলাক মহিলাৰ micro finance ধাৰ ১২ হাজাৰ ৫০০ কোটি টকা ধাৰ মাৰি দিম বুলি কৈছিলে। কিন্তু এতিয়া ইয়াত মোক দিছে যে, ২৩০৪ কোটি ৩০ লাখ টকাৰ ধাৰ হে এতিয়ালৈকে মাৰি দিছে। অৰ্থাৎ ১২ হাজাৰ ৫০০ কোটি টকাৰ ভিতৰত এতিয়া ১০ হাজাৰ কোটি টকা অসমৰ মহিলা বিলাকৰ ধাৰ বাকী আছে। অসমৰ মুখ্যমন্ত্ৰীয়ে সকলো মহিলাকে কৈছিলে তোমালোকে আৰু ধাৰ নামাৰিব মই ধাৰ মৰাৰ দ্বায়িত্ব ল'লো। এতিয়া মহিলাবিলাকে নিজে ধাৰ নামাৰিলে এতিয়া সুদ বাঢ়ি বাঢ়ি বহুত অসুবিধা হৈছে। গতিকে সেই মহিলাবিলাকক কি ব্যৱস্থা কৰি কেনেকৈ সেই মহিলাবিলাকক বচাব নে সকলো অসমৰ মুখ্যমন্ত্ৰীৰ কথাৰ কাৰণে অসমৰ সকলো মহিলা এতিয়া বিপদত পৰি শেষত জে'লত যাব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, দুটা কথা। হিতাধীকৰী কথাটো এতিয়া মই কম । আমাক কোৱা হৈছে যে, মোডী চৰকাৰে আমাক loan লোৱা সুবিধা কৰি দিছে। এইটো নহয়। আমাৰ GSDP বাঢ়িছে। আমাৰ GSDP বঢ়াৰ কাৰণে Government of India ৰ যিটো debt ratio, সেইটো মই বাৰে বাৰে কৈ আছো যে, আজিৰ দিনটো ৩২ শতাংশলৈ ল'ব পাৰো কিন্তু, আমি অকল ২২.২ শতাংশ ঋণ লৈছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ আপোনালোকে আৰু ধাৰ ল'ব সেইটো কথাকে কোৱা নাই জানো আৰু ধাৰ লওক আপোনালোকে, আমি pass কৰি দিছো। ধাৰ লওক লওক আৰু লওক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ অখিল গগৈ ডাঙৰীয়া, আমি ধাৰ নলও। এটা কথা আমি স্পষ্টকৈ কই দিও যে, অসম চৰকাৰ পৰৰ মুখা পেখী নহয়। GSDP growth ইমান বাঢ়িছে যে, আজি আমি growth ওপৰত উপঙি আছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতী)** ঃ অসম চৰকাৰে নিজৰ পইচাৰে দৰমহা দিব পাৰিম বুলি কৈছিল, কিন্তু দৰমহাই দিব নোৱাৰিলে গতিকে উন্নয়ন কত হ'ব ছাৰ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ অধ্যক্ষ মহোদয়, মোৰ supplementary টো। মোক ইয়াত দিছে যে, অসম চৰকাৰৰ commited expenditure তাৰ মানে দৰমহাৰ pension সুদত, ২৫৯ হাজাৰ বা ৬০ হাজাৰ কোটি টকা খৰচ হয় আৰু তাৰ পৰা অসম চৰকাৰৰ নিজৰ হয় মাত্ৰ ৩৫ হাজাৰ কোটি টকা। তাৰ মানে আধা টকা বাহিৰৰ পৰা মাগিব লাগে। ৩৫ হাজাৰ কোটি টকা নিজৰ income আৰু দৰমহা দিব লাগে ৬০ হাজাৰ কোটি টকা। তাৰ পাছত মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে আমাক তেনেকৈয়ে কৈছে।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। Next মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ। এইটো question hours ইয়াত debate নকৰিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ, মাননীয় মন্ত্ৰীক আমাৰ উত্তৰ দিবলৈ কওক। আজি অসম চৰকাৰ অসহায়। অসমৰ অৰ্থনৈতিক অৱস্থা ভাঙি পৰিলে।

**মাননীয় অধ্যক্ষ** ঃ যেতিয়া cut motion ত discussion হ'ব তেতিয়া আপোনালোকে এইখিনি কথা raise কৰিব। মাননীয় সদস্য অখিল গগৈ আপুনি please বহক। এনেকুৱা ব্যৱহাৰ কৰিব নালাগে। আপোনৰ প্ৰশ্ন সময় over হৈ গ'ল। সদন যদি এনেকৈ চলে কেনেকৈ হ'ব। আপোনালোকে যদি কোনেও কাকো একো কব নিদিয়ে কেনেকৈ হ'ব।

(সদনত হুলস্থুলীয়া পৰিৱেশ)

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় মুখ্যমন্ত্ৰী, ড° হিমন্ত বিশ্ব শৰ্মাই অসম খনক শেষ কৰি পেলালে আৰু অসমৰ অৰ্থনীতি শেষ কৰি পেলালে।

(সদনত হুলস্থুলীয়া পৰিৱেশ)

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতী)** ঃ সত্য তথ্য দিব লাগে।

**माननीय अध्यक्ष** ঃ সকলোৱে বহক। যদি নবহে তেনেহ'লে question hour নালাগে। আমি question hour টো বন্ধ কৰি আমি বেলেগ আলোচনাত আহি যাম।

**শ্রী দেৱব্রত শইকীয়া, (বিৰোধী দলৰ দলপতী)** ঃ মাননীয় অধ্যক্ষ, তথ্য খিনি শুদ্ধ হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি সদনৰ পৰা ওলায় যাওক। মাননীয় সদস্য অখিল গগৈ is suspended for question hour. আপোনালোকে সকলোৱে please বহক। মোক ক'বলৈকে দিয়ক।

**ড° ৰফিকুল ইছলাম, (জনীয়া)** ঃ মাননীয় অধ্যক্ষ এইটো last session. অখিল গগৈ ডাঙৰীয়াক suspend কৰিব নালাগিছিল।

(সদনত হুলস্থুলীয়া পৰিৱেশ)

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে বহক। সদনখন আপোনালোকে চলাব নে মই?

**শ্রী চন্দ্র মোহন পাটোৱাৰী, (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিছাৰিছো।

**মাননীয় অধ্যক্ষ ঃ**- ইয়াত আমি হাইচ কৰি আছো, ইমান আনলোডিং চিটুৰেচন হ'লে সদন কেনেকৈ চলিব। সকলোবোৰ কাম আমাৰ ৰুল মতে নাযাও বা কাকো নামানো। তেতিয়াহ'লে সদনৰ কথাটো বাদেই, দেশখন কেনেকৈ চলিব। আমি সকলোবোৰ দায়িত্বশীল ব্যক্তি। ৰাইজে আমাক প্রতিনিধি হিচাপে পঠাইছে। আমি ৰাজ্যখনৰ বিভিন্ন দিশৰ ওপৰত আলোচনা কৰি যাতে আমি এটা সঠিক সিদ্ধান্ত গ্রহণ কৰিব পাৰো। চৰকাৰে কিবা এটা প্রস্তাৱ আনিব আৰু ইয়াৰ ওপৰত সকলোৱে বিচাৰ বিবেচনা কৰিব। এতিয়া প্রশ্নোত্তৰ কাল চলি আছে আৰু চৰকাৰে যিখিনি প্রতিশ্রুতি দিছে আৰু বিধান সভাৰ অনুমোদন লৈ যিবোৰ কাম চৰকাৰে কৰি আছে, সেই কামখিনিৰ ওপৰত কিছুমান ক্লাৰিফিকেচনৰ বাবে চৰকাৰ জবাবদিহি। চৰকাৰক আমাৰ সকলো সদস্যই জবাব বিচাৰিব। ইয়াত আমাৰ ডিচিপ্লিন থাকিব লাগে। প্রশ্ন কৰক আৰু উত্তৰত সন্তুষ্ট হওক বা নহওক ৰাইট অন পিছত হৈ থাকিব। ৰিপ্লাই ইজ ৰিপ্লাই। গতিকে ৰিপ্লাইটো শুনিব লাগিব। ৰিপ্লাই দিয়াৰ অধিকাৰ কেৱল মন্ত্রীসকলৰ আছে আৰু যিসকল বিভাগীয় ব্যক্তি তেওঁলোকৰ আছে। গতিকে সেই ৰিপ্লাইট কোনো সন্তুষ্ট নহবও পাৰে। যদি চৰকাৰৰ সেইখিনি ৰিপ্লাই আছে তেতিয়াহ'লে সেই ৰিল্লাইখিনিহে দিব পাৰিব। ইয়াত আমাৰ চাপ্লিমেণ্টৰীৰ সুবিধা আছে। তাত আপোনালোকে কলেই হ'ল। প্রশ্নকালীন সময়ৰ বাদেও বাকী সময়তো চাপ্লিমেণ্টৰী কৰিব পাৰে। কিবা যদি ভুল তথ্য পাইছে, সেইখিনি নোট কৰি লওক আৰু পাছত চাপ্লিমেণ্টৰী কৰক। তেতিয়াহে সদনত এটা সুস্থ পৰিৱেশত আমি এটা আলোচনা কৰিব পাৰিম বা চৰকাৰে জবাব দিব। সদনৰ সদস্যসকলেও জবাব বিচাৰিব পাৰিব। চাপ্লিমেণ্টৰীবিলাক পইণ্টত কওক। যদি নহয় বা নাই যদি নাই।

**শ্রী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** তেওঁলোকে যিটো উত্তৰ দিলে, সেইটো লিখিতভাৱে দিব লাগিছিল আৰু তেওঁলোকে সেইটো এডমিট কৰা নাই।

**শ্রী পদ্ম হাজৰিকা, চটিয়া ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মন্ত্রীক ৰিপ্লাই দিবই নিদিয়ে দেখোন।

**মাননীয় অধ্যক্ষ ঃ**- এতিয়া মাননীয় বিধায়ক শ্রী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া।

**শ্রী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয় ৰাজ্য চৰকাৰে অসমৰ মহিলা

সকলৰ মাইক্ৰ ফাইনেন্সৰ ধাৰ পৰিশোধ কৰাৰ কথা কৈছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, অসমৰ কিমান গৰাকী মহিলাই মাইক্ৰ ফাইনেন্স ধাৰ পৰিশোধ কৰাৰ কাৰণে চৰকাৰৰ ওচৰত আবেদন কৰিছিল আৰু কিমান গৰাকী মহিলাৰ ধাৰ চৰকাৰে পৰিশোধ কৰিলে।

**মাননীয় অধ্যক্ষ ঃ-** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাইক্ৰ ফাইনেন্সৰ ক্ষেত্ৰত উত্তৰটো দিয়াৰ আগতে এটা কথা কব বিচাৰিছো যে, আজি ইয়াত এটা কথা উল্লেখ কৰিছে যে, আমি বহুত লোণ লোৱা বুলি। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, লোণৰ ক্ষেত্ৰত মই বাৰম্বাৰ কৈছো যে, আমাৰ আজিৰ দিনটোত GSDP বাঢ়িছে আৰু GSDP বঢ়াৰ কাৰণে GSDP ৰ এটা নিৰ্দিষ্ট পাৰচেণ্টেজত লোণ লব পৰা যায়। গতিকে আজিৰ দিনটোত আমি ২৮ শতাংশ লব পাৰো। যদিও আমি ২৮ শতাংশ লোৱা নাই। আমি আজিৰ দিনটোত ২২.২ শতাংশ লৈছো। আজি আমাক কৈছে যে, ঋণ লোৱ বেছি হৈছে। কিন্তু এইটো কথা নহয় যে, ঋণ লোৱা বেছি হোৱা নাই। আজি যদি অন্য ৰাজ্যবোৰৰ কথা কও, তেতিয়াহ'লে আজিৰ দিনটোত নাগালেণ্ডে ৪৪ শতাংশ লৈছে। পঞ্জাৱ এখন ধনী ৰাজ্য তেওঁলোকেও ৪৩ শতাংশ লৈছে। হিমাচল প্ৰদেশ এখন ধনী ৰাজ্য, তেওঁলোকে ৩৬ শতাংশ লৈছে। অৰুণাচলে ৪৩ শতাংশ লৈছে। অসমত আজিৰ দিনটোত GSDP ৰ ৰেচিউ পাৰচেণ্টেজ হৈছে মাত্ৰ ২৫ শতাংশ। দ্বিতীয়তে আমাক কৈছে যে, অসমৰ অৰ্থনীতি ড° হিমন্ত বিশ্ব শৰ্মাই বেয়া কৰিছে। মই দৃঢ়তাৰে কব বিচাৰিছো যে অসমৰ স্বাধীনতা স্বাধীনোত্তৰ ভাৰতবৰ্ষত অসমৰ অৰ্থনীতিৰ বিকাশৰ GSDP ড° হিমন্ত বিশ্ব শৰ্মাৰ দিনত শ্ৰেষ্ঠ হৈছে আৰু গোটেই ভাৰতবৰ্ষৰ ৰাজ্যবোৰৰ ভিতৰত পঞ্চম বা ষষ্ঠ স্থানত আছে।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া আপুনি চাপ্লিমেণ্টৰীটো দি দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাইক্ৰ ফাইনেন্সৰ যিটো কথা কৈছে সেইটো ইতিমধ্যে আমি যিখিনি মহিলাৰ মাইক্ৰ ফাইনেন্সৰ লোণ পৰিশোধ কৰিলো আৰু এতিয়ালৈকে আমি ২০২১-২২ ৰ পৰা ২০২৪-২৫ বৰ্ষলৈ সৰ্বমুঠ আমি ১২,৭১,৬৭২ গৰাকী মহিলাৰ ঋণ ২৩০৪.৩০ কোটি টকা ৰিপেমেণ্ট কৰিলো। ক'ভিড ১৯ ৰ পৰৱৰ্তী সময়ছোৱাত এই আঁচনিৰ জৰিয়তে ঋণী মহিলাসকল উপকৃত হোৱাৰ লগতে অৰ্থনৈতিক ভাৱেও স্বাৱলম্বী হৈছে আৰু কিছুসংখ্য মহিলাৰ ঋণ এতিয়াও পৰিশোধ কৰিবলৈ বাকী আছে। ইয়াৰ সংখ্যাটো এতিয়া মই সঠিকভাৱে ক'ব নোৱাৰিম। পিছত আপোনালোকক জনাই দিম।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া মাননীয় বিধায়ক ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, জনিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ঋণৰ যিখিনি কথা ক'লে ২২ শতাংশ লৈছে। যিটো ৩০,৩২ শতাংশ লব পাৰে। আমি লক্ষ্য কৰিছো যে, কিছুমান ব্ৰীজ, ইউনিভাৰচিটি, মেডিকেল কলেজৰ কাম হাতত লৈছে। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱাকালি কৈছিল যে, তিনিচুকীয়া জিলাৰ পৰা প্ৰত্যেক জিলাতে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ব্ৰীজ হৈছে। তেওঁ হিচাপ কৰি গুৱাহাটীলৈকো হোৱা বুলি কৈছে। কিন্তু গুৱাহাটীৰ পৰা গোৱালপাৰালৈ নাযায়। গুৱাহাটীৰ পিছত নলবাৰী জিলাখন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিজৰ সমষ্টিৰ চুবুৰীয়া জিলা। মোৰ বৰপেটা জিলা, বঙাইগাঁও জিলা আৰু গোৱালপাৰালৈ এই তিনিখন জিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এখনো ব্ৰীজ নাই। ব্ৰীজ হৈ আছে কিন্তু সেইখিনি সমানভাৱে বিতৰণ হৈ থকা নাই। বৰপেটাত ইউনিভাৰচিটি নাই। বৰপেটা, ধুবুৰী বা গোৱালপাৰা জিলাত

বিশ্ববিদ্যালয় নাই কিন্তু ঋণ ঠিকেই লৈছে। গুৱাহাটীৰ পৰা তলফালে নাযায়। ঋণৰ সামান্যখিনি পইচাহে আমাৰ ফালে যায়। জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বেকী নদীৰ সুৰক্ষাৰ বাবে কিছুমান আঁচনি লৈছে। কিন্তু ঋণৰ কিয়দাংশহে যায়। ঋণটো ঠিকেই লৈ আছে। নলবাৰীৰ মাননীয় মন্ত্ৰী তাত আছেই। গতিকে মোৰ দাবী হ'ল বৰপেটাত বিশ্ববিদ্যালয় এতিয়াই ঘোষণা হ'ব লাগে। ইয়াৰ উপৰিও ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং, বৰপেটা কামৰূপ সংযোগী আৰু ফ'ৰলেনৰ কাম চাৰিওফালে হৈ আছে কিন্তু আমিনগাঁও হৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টি মোৰ বৰপেটা জিলাৰ জনিয়া সমষ্টি হৈ অভয়াপুৰী হৈ এই ফৰলেনৰ কামৰ কথা নকয়। মোৰ বেকী নদীৰ দলং হৈ গ'ল। লিফ্টৰ বাবে বাবে পইচা দিছে। ফৰলেন হ'লে এই লিফ্ট কৰিব ঠিকেই ,আপুনি আশ্বাস দিছিল। এইক্ষেত্ৰত মই মাননীয় মুখ্যমন্ত্ৰীৰ জ্ঞাতাৰ্থে লিখিছিলো আৰু অনুৰোধো কৰিছিলো যে অলপ পইচা দিলে ইয়াত কাম আৰম্ভ হ'ব আৰু লিফ্টখন হৈ যাব। কিন্তু বেকী নদীৰ দলঙৰ ওপৰত চাৰিচকীয়া বা দহচকীয়া গাড়ী চলিব বুলি আমি কেতিয়াও আশা কৰিব নোৱাৰো। ফ'ৰলেন হোৱাৰ লগে লগে এই বেকী নদীৰ ওপৰত এখন দলং নিৰ্মাণ হ'ব। গতিকে পইচাক লৈ হৈ চৈ নকৰি এই কামকেইটা সমানে কৰিবনে নায়। যদি আমি থকাৰ কাৰণে অসুবিধা হৈছে, তেতিয়াহ'লে কিছুদিনৰ বাবে গুৱাহাটীত এটা ভাড়াঘৰ লৈ লম। আপোনালোকে কামখিনি কৰি আহক। তথাপিও মই অনুৰোধ কৰিছো যে বৰপেটাৰ মাজেদি ফৰলেন, বৰপেটা কামৰূপ সংযোগী আৰু বৰপেটা ইউনিভাৰচিটি, বেকী ব্ৰহ্মপুত্ৰৰ ওপৰত দলং আৰু বেকী, জলজলি নদীৰ ওপৰত দলং কৰিব লাগে, ইয়াৰ বাবে মোৰ মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ থাকিল আৰু তেতিয়াহে এই লোণৰ পইচাবোৰ সঠিকভাবে ব্যৱহাৰ হ'ব।

**মাননীয় মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলৰ দাবীটো হ'ল যে বৰপেটাত এখন বিশ্ববিদ্যালয় হ'ব লাগে। কিন্তু অবিভক্ত বৰপেটা জিলাত ভট্টদেৱ বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে, এইটোক আপুনি আদৰণী জনাব লাগে। বঙাইগাওঁত মেডিকেল কলেজ হৈছে কিন্তু বঙাইগাওঁ নামনি অসমত নহয় নেকি, বঙাইগাওঁত বিশ্ববিদ্যালয় হৈছে, ধুবুৰী আৰু ফুলবাৰীৰ মাজত দলং হৈছে এইবোৰ নামনি অসমত নহয় নেকি। গতিকে যেতিয়া হোৱা বস্তুটো মানুহে আদৰণী নজনাই তেতিয়া হ'লে সেইটো কেনেকৈ হ'ব। আপুনি বাৰে বাৰে ঋণৰ কথা কৈ থাকিব কিন্তু অসমেই হৈছে ভাৰতৰ ভিতৰত আটাইতকৈ কম ঋণ লোৱা ৰাজ্য। কৰ্নাটকৰ কংগ্ৰেছ চৰকাৰে এমাহত ৯২ হেজাৰ কোটি টকাৰ ঋণ লৈছে। আমিটো তেনেকৈ ঋণ ল'বৰে নাই। আমাৰ GDP ৰ লগত আমাৰ অকল ২৫ শতাংশ Growth GDP ratio এই ক্ষেত্ৰত সদনেটো ধন্যবাদ জনাব লাগে। কাৰণ অসমৰ Finance টো কেনেকৈ manage হৈছে। ৰিজাৰ্ভ বেংকে কৈ আছে যে Assam is fastest growing আৰু আপোনালোকে কেইদিনমান আগতে All India paper বিলাকত চাব যে এই বছৰ par capita constant কিন্তু ই current নহয় মানে inflation বাদ দি। আমি পশ্চিম বংগৰ par capita অতিক্ৰম কৰিবলৈ অহা বছৰ গৈ আছো। গতিকে বৰপেটাত বিশ্ববিদ্যালয় এখন লাগে কিন্তু যেতিয়া কিছুমান ৰূপক লগাই দাবী কৰা যায় তেতিয়া ক'ত বিশ্ববিদ্যালয় হ'ব। আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ কামটো ভাতৰ লগত পানী খোৱা কাম নহয়।ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ কৰিবলৈ হলে তাৰ strategice Importance দেখুৱাব লাগিব। কাৰণ এই দলং ৰাজ্য চৰকাৰে কৰিব নোৱাৰে এইটো কেন্দ্ৰীয় চৰকাৰে কৰিব লাগিব লগতে ধুবুৰীৰ সাংসদ গৰাকীয়ে লোক সভাত কব লাগিব।

**ড০ ৰফিকুল ইছলাম, (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয় আজমল চাহাবে কোৱাৰ বাবে ফুলবাৰী দলং খন হ'ল ।

**মাননীয় মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, কোৰাটো নহয় তেখেতে কৈছিলে। আজি আপুনি যিমানখন দলঙৰ কথা ক'লে আৰু আজি যিমানখিনি connectivities বৰপেটাত হৈ আছে সেই কথাটো কোনেও অস্বীকাৰ কৰিব নোবাৰে। আৰু অবিভক্ত বৰপেটা জিলাত ভট্টদেৱ বিশ্ববিদ্যালয় হৈছে। সেইটো নোহোৱা বুলি কেনেকৈ ক'ব পাৰে। অহাবাৰ আপুনি জিকি আহক আঁচনিৰ অভাৱ নাই এই বিষয়ে আমি সদনত আলোচনা কৰিম। আমি যিমান খিনি কৰিছো বৰপেটাত, আগতে বৰপেটাত ৰাষ্ট্ৰীয় ঘাই পথ নাছিল আৰু ৰেল লাইন নাছিল। বৰপেটাৰ মানুহে কি বিচাৰে বৰপেটা নগৰৰ মাজেৰে ৰাষ্ট্ৰীয় ঘাই পথ হওঁক এইটো বৰপেটাৰ মানুহৰ আটাইতকৈ ডাঙৰ দাবী। ইতিমধ্যে বৰপেটা নগৰৰ মাজেৰে ৰাষ্ট্ৰীয় ঘাইপথৰ কাম আৰম্ভ হৈ গ'ল আৰু আমি এইটো বৰপেটা চহৰৰ নিচেই ওচৰেৰে নিয়াৰ বাবে চেষ্টা কৰি আছো। বৰপেটাত কাম হোৱাত কোনো অসুবিধা নাই কিন্তু বৰপেটাৰ বাবে দাবী কৰিবলৈ গৈ আপুনি অকল ঋণ ঋণ কৰি থাকিলে নহ'ব কাৰণ কাম কৰিব লাগিলে অলপ ঋণও ল'ব লাগিব। গতিকে আপোনাক আমি শুভেচ্ছা জনাইছো যে অহাবাৰ পাৰে যদি আপুনি জিকি আহক। কাৰণ নিৰ্বাচন ঘোষণা কৰিবলৈ ১০ দিন মানহে বাকী আছে।

মাননীয় অধ্যক্ষ ঃ এতিয়া প্ৰশ্ন নং ৫।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী** ঃ উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰীভূমি উত্তৰ** ঃ মাননীয় অধ্যক্ষ মহোদয় বৰাকত কেবিনেট সভা হৈছিল আৰু ইয়াৰ জৰিয়তে শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত কিছুমান project sanction হৈছিল আৰু তাৰ কাম ইতিমধ্যে আৰম্ভ হৈছে তাৰ বাবে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। বদৰপুৰৰ ৰাইজৰ খোৱা পানীৰ এটা ডাঙৰ সমস্য আছে আৰু এইটোৰ ওপৰত লক্ষ্য ৰাখি administrative approval টো হৈ গ'ল ০৮-০৯-২০২৫ । আৰু সেই অনুসাৰে নিবিদা আহ্বানৰ কাম চলি আছে। কিন্তু সমস্যাটো হৈছে কি বদৰপুৰৰ ৰাইজৰ এটাই দাবী যে মুখ্যমন্ত্ৰী আৰু সংশ্লিষ্ট মন্ত্ৰী মহোদয়ক কৈ এই বদৰপুৰ অঞ্চলৰ আঁচনিটোৰ ভূমি পুজনৰ কামটো অতি সোনকালে কৰি কামটো আৰম্ভ কৰিব লাগে। কাৰণ তাত পানীৰ বহুত সমস্যা। গতিকে কামটো অতি সোনকালে আৰম্ভ কৰি দিবলৈ মই বদৰপুৰৰ ৰাইজৰ হৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ইয়াৰ ওপৰি ২০১২ চনৰ আমাৰ জল জীৱন মিছনৰ যি কাম আছিল তাৰ ১০ শতাংশ কাম হোৱা নাই আৰু অসম মালাৰো বহুত কেইটা আঁচনি বিকল হৈ আছে। গতিকে জল জীৱন মিছনৰ কাম খিনি কৰি দিয়াৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে আমি এইখিনি কমিছন কৰিব পাৰো।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে তেখেতে কৈছে যে বদৰপুৰত আমি ৫০ কোটি টকাৰ অনুদান দিছো আৰু এই কামখিনিৰ যোৱা কালি অৰ্থাৎ ১৬-০২-২০২৬ তাৰিখে নিবিদাৰ ব্যৱস্থা কৰা হৈছে। গতিকে এই কামখিনিৰ নিবিদাৰ কাম সম্পূৰ্ণ নোহোৱা লৈকে আমি ভূমি পুঁজন বা আধাৰশিলা স্থাপন কৰাটো ঠিক কথা নহয় গতিকে অহা ১০-১৫ দিনৰ ভিতৰত তাত আধাৰশিলা ৰ কাম আৰম্ভ হ'ব আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া বা মই গৈ হ'লেও এই কামটো আৰম্ভ কৰিম। যোৱা কালি নিবিদা হোৱাৰ পিছত ১০-১৫ দিন সময় লাগিব। দ্বিতীয়তে, আপোনাৰ সমষ্টিত ৩৪ টা আঁচনিৰ কাম আমাৰ Stencil period ৰ কাৰণে ৰৈ আছিল তাৰোপৰি ইতিমধ্যে যিবোৰ আচনি হস্তান্তৰ কৰা হৈছে ইতিমধ্যে আমাৰ ফালৰ পৰা P&RD বিভাগক আমাৰ ফালৰ পৰা স্পষ্ট নিৰ্দেশনা দিয়া আছে যে হস্তান্তৰ হোৱা আঁচনি যদি কৰবাত ২০ লাখ, ৫০ হেজাৰ বা ১ লাখ টকাৰ বাবে ৰৈ আছে বা আঁচনিটো Defunct হৈ আছে সেইটো Tide

Grant ৰ পৰা অতি সোনকালে কৰিব পাৰিব আৰু এই বিষয়ে সকলোখিনি নিৰ্দেশনা P&RD বিভাগক দিয়া আছে আৰু জিলা পৰিষদ আৰু পঞ্চায়তৰ হাতত Tide Grant ৰ বহুত পইছা আছে। গতিকে আপোনালোক সকলো বিধায়কে নিজৰ নিজৰ অঞ্চলত যদি কোনোবা আঁচনি অকনমান পইছাৰ বাবে ৰৈ আছে বা ক'ৰবাত বিদুৎ বিল বা সাধাৰণ মেৰামতিৰ কাম আছে সেইখিনি ১/১.৫ লাখ টকালৈকে Tide Grant ৰ পৰা কৰিব পাৰিব। আৰু প্ৰত্যেকটো পঞ্চায়ত আৰু জিলা পৰিষদত যথেষ্ট পৰিমাণে পইছা আছে। ইয়াৰো পৰি ৰাস্তাৰ কাম বা অন্য কোনো আঁচনিৰ কাম যদি বিকল হৈ পৰি আছে এই ক্ষেত্ৰত আমাৰ বিভাগীয় ভাৱে বা আমাৰ কেবিনেটত সিদ্ধান্ত লোৱা আছে যে কোনোবা বিভাগে কৰা কাম যদি বেয়া হয় সেইটো তেওঁলোকৰ estimate য়ে ধৰিব লাগে। আৰু এইটো কৰি থকা হৈছে। লোকনিৰ্মান বিভাগে ৰাস্তাৰ কাম কৰি থকা সময়ত যদি কৰবাত পাইপ নষ্ট হৈছে সেইখিনি উক্ত বিভাগে কৰি দিব কাৰণ সেইখিনি পুঁজি তেওঁলোক estimate য়ে ধৰা আছে। গতিকে মই ভাবো যে ইয়াৰ যিটো মুখ্য সমস্য সেইটো ৭ বা ১০ দিনৰ ভিতৰত শেষ হৈ যাব।

**অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আব্দুল বাতিন খণ্ডকাৰ। ঠিক আছে যদি এতিয়া শ্ৰী খলিল উদ্দিন মজুমদাৰ কয় কব পাৰে।

**শ্ৰী খলিল উদ্দিন মজুমদাৰ, (কাটিগড়া)** ঃ আমাৰ বৰাকভেলী অঞ্চলত যিবোৰ জলমিত্ৰ আছে তেওঁলোকৰ যদি দৰমহা টো বঢ়াব পৰা যায় তেতিয়া হ'লে ভাল হয় কাৰণ ইয়াৰ বাবে বহুত ঠাইত প্ৰতিবাদ হৈছে। আৰু জলমিত্ৰ সকলক লৈ জনস্বাস্থ্য কৰিকৰী বিভাগত সমস্যাৰ সৃষ্টি হৈছে গতিকে যদি তেওঁলোকৰ দৰমহা টো বঢ়াব পৰা যায় তেতিয়া হ'লে ভাল হয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে জলমিত্ৰ সকলৰ ক্ষেত্ৰত আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত এনেকুৱা ব্যৱস্থা আছিল যে জলমিত্ৰ সকলে ১০-১২ বছৰ লৈ দৰমহাই পোৱা নাছিল। আমাৰ চৰকাৰৰ দিনত প্ৰতিগৰাকী জলমিত্ৰই 6th Schedule অঞ্চলৰ বাহিৰে অন্য অঞ্চলত ১০০ শতাংশ জলমিত্ৰই মাহৰ ১০ তাৰিখে বৰ্তমান ৭৫০০ টকা পায়। আগতে ৬৫০০ টকা আছিল তাত আমি ১০০০ টকা বঢ়ায় ৭৫০০ টকা কৰিলো। কংগ্ৰেছ চৰকাৰৰ দিনত ১০ বছৰৰ মূৰত মাত্ৰ ৬০০০ কৈ দুবাৰে পইছা পাইছিল। গতিকে এতিয়া সময় মতে পইছা দি থকাৰ পিছত, হয় অভাৱ আছে এইটো বঢ়াব নালাগে বুলি নকওঁ, এই ক্ষেত্ৰত আমি এটা নিৰ্দেশনা দিছিলো যে আঁচনি সমূহ আত্মনিৰ্ভৰশীল হ'ব লাগিব তেওঁলোকে পইছা উঠাব পাৰিব লাগিব হিতাধীকাৰী সকলৰ পৰা আৰু সেই সংগৃহীত পইছাৰ পৰা জলমিত্ৰ সকলক যদি অলপ বেছি দৰমহা দিব পৰা তাৰ কাৰণে অনুমতি দিয়া হৈছে। গতিকে জলমিত্ৰ সকলৰ সমিতি খন অলপ সজাগ হ'ব লাগে। চৰকাৰে আজিৰ তাৰিখত আমাৰ Tide Grant ৰ পৰা প্ৰতি গৰাকী জলমিত্ৰক মাহৰ ১০ তাৰিখে দৰমহা দি থকা হৈছে যিটো অন্য বেলেগ ৰাজ্যত হোৱা নাই।

**শ্ৰী জাকিৰ হুচেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয় জলমিত্ৰ সকলৰ যিটো দাবী সেইটো চৰকাৰে মানি ল'ব নেকি?

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী** ঃ আপোনালোকে জলমিত্ৰ সকলক উচতাই থকাৰ বাবে এই সমস্যাটো হৈছে।

**মাননীয় অধ্যক্ষ** ঃ Question hour over.

এতিয়া শূণ্যকালীন ঘণ্টা।

মই সন্মানীয় সদস্য হাফিছ বছিৰ আহমেদ ডাঙৰীয়াৰ লগতে তেখেতৰ সহযোগী সকলৰ পৰা এটা সভা স্থাগিত প্ৰস্তাৱ পোৱা গৈছিল। গতিকে তেখেতসকলক সভা স্থগিত প্ৰস্তাৱটো সদনত উত্থাপন কৰাৰ বাবে অনুৰোধ জনালোঁ।

**শ্ৰী আমিনুল ইছলাম, (জেষ্ঠ) (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ বিধিৰ ৫৬ নং নিয়ম অনুসৰি আমি এটা সভা স্থাগিত প্ৰস্তাৱ দিছিলো আৰু এই সভা স্থাগিত প্ৰস্তাৱৰ জৰিয়তে আজিৰ দিনটোৰ সমূহ কাৰ্য্যসুচী বাতিল কৰি, যিহেতু আমি এটা অতি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত সভা স্থাগিত প্ৰস্তাৱ দিছো, এই বিষয়টো সদনত আলোচনা কৰাৰ বাবে আপোনাক অনুৰোধ জনাইছো।

এই বিষয়টো হ'ল - "মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰত্যক্ষ উচটনি আৰু বিষাক্ত মন্তব্যৰ ফলশ্ৰুতিত অসমৰ বিভিন্ন প্ৰান্তত এক বিশেষ সম্প্ৰদায়ৰ লোকৰ ওপৰত নিৰ্যাতন আৰু হিংসাত্মক কাৰ্য্যকলাপ চলি আছে। আইন শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে বিশেষ সম্প্ৰদায়ৰ ওপৰত চলি থকা অত্যাচাৰ অতি শীঘ্ৰে বন্ধ কৰা হওঁক"।

এই বিষয়টো এই কাৰণে অনা হৈছে যে বিগত কিছুদিনৰ পৰা অসমত বিশেষকৈ উজনি অসমত যিসকল নামনি অসমৰ শ্ৰমিক তাত বিভিন্ন সুত্ৰে কৰ্মৰত হৈ আছে, কিছু সংখ্যক আছে তাত কৃষি শ্ৰমিক, কিছুমান ইটা ভাটা শ্ৰমিক, কিছুমান ৰাজমিস্ত্ৰী বা তেনেকুৱা বিভিন্ন ধৰণৰ কাম-কাজ বা সৰু সুৰা ব্যৱসায়ত তেওঁলোক তাত কাম কৰি আছে। বিগত কিছুদিনত আমি দেখিছো তেওঁলোকক হাতত লাঠি লৈ একাংশ উদান্তৰ প্ৰকৃতিৰ লোকে তেওঁলোকক ঘৰে ঘৰে বিচাৰি বিচাৰি, কোনোবাই তেওঁলোকক ভাৰাঘড়ত ভাড়া দি ৰাখিছে নেকি, এনেকুৱা ধৰণৰ কৰি তেওঁলোকৰ কিছুমানক কাণত ধৰি আঠু কঢ়াইছে, কিছুমানক মাৰপিত কৰিছে, কিছুমানক তেওঁলোকৰ কামৰ পাৰিশ্ৰমিক নিদিয়াকৈ মাৰপিত কৰি তেওঁলোকক তাৰ পৰা খেদি পঠোৱা হৈছে। কিছুমানে এনেকুৱা বিপদত পৰিছে যে তেওঁলোকে ঘৰলৈ ফোন কৰিছে কাম কৰাৰ কোনো টকা পইচা দিয়া নাই আৰু আমাক কাণত ধৰি আঠু কঢ়াইছে আৰু আমাক ইয়াৰ পৰা যাব দিছে, কিন্তু আমাৰ ঘৰলৈ যোৱাৰ কাৰণে ভাড়াৰ পইচাও নাই। লগতে উজনি অসমত ঘৰে ঘৰে তেঁওলোকে ভাবুকি দিছে যে নামনি অসমৰ কোনো মুছলমান মানুহক ঘৰ ভাড়া যাতে নিদিয়ে। এনে ধৰণৰ ঘটনা কিছুদিন আগতে বঙাইগাঁওত হৈছিল কলিকতাৰ পৰা ঘুৰি আহি তেওঁলোকে নিজৰ ঘৰত যাওঁতে ৰাজপথত তেওঁলোকৰ অটো ৰিক্সা ৰখাই তেওঁলোকক তাত মাৰপিত কৰিছিল। বিভিন্ন প্ৰান্তত এই যে লাঠি লৈ অসমৰ জনসাধাৰণে অসমৰ নাগৰিকে অসমৰ নাগৰিকক লাঠি লৈ আইন শৃংখলা পৰিস্থিতি নিজৰ হাতত উঠাই লৈ তেওঁলোকে এনেধৰণে নিৰ্যাতন চলাব পাৰিছে আৰু ভাৰতবৰ্ষত মাননীয় অধ্যক্ষ মহোদয়, এনে কোনো ৰাজ্য নাই, যিখন ৰাজ্যত এখন জিলাৰ মানুহ আন এখন জিলাত তেওঁলোকে কামৰ কাৰণে যাব নোৱাৰে। এখন জিলাৰ পৰা অন্য এখন জিলালৈ কাম কৰিবলৈ গলে তেওঁলোকক মাৰপিট কৰা হয়, তেওঁলোকে নিজৰ ৰাজ্যতে চলা ফুৰা কৰাৰ অধিকাৰ পোৱা নাই। ইমান এটা অৰাজক পৰিস্থিতি হৈ আছে অসমত। এই বিষয়টো অতি গুৰুত্বপূৰ্ণ, it is utmost public important। গতিকে এই বিষয়টো আমি আনিছো আৰু এইটো এই কেইদিনতে হোৱা ঘটনা আৰু এই বিষয়টো adjournment motion ত নিশ্চয়কৈ ল'ব লাগে, recent occurance হ'ব লাগে আৰু ministrial responsibility থাকিব লাগে। এইটো গৃহ বিভাগৰ দায়িত্বত আছে, গতিকে মই ভাৱো, এই যে নাগৰিকে নাগৰিকক অত্যাচাৰ কৰা, মাৰপিট কৰা আৰু পৰিতাপৰ বিষয়টো হ'ল মুখ্যমন্ত্ৰীয়ে উচতনি দিয়ে যে ৰিক্সাভাৰা

৫ টকা হলে ৪ টকা দিয়া, এনেকৈ অত্যাচাৰ কৰে যাতে মানুহবিলাকে অসমৰ পৰা গুচি যাব লাগে। এই বিষয়টো আলোচনাৰ বাবে আমি অধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদন, যিটো বিষয় উত্থাপন কৰিছে, বহুতেই গুৰুত্বপূৰ্ণ। এইটো চৰ্চাৰ বিষয়, আমাৰ ইয়াত বহুত scope আছে। এই বিষয়টো আমি motion of thanks on the Governor's Address ৰ ওপৰত আলোচনা কৰিম। গতিকে তাত আপোনালোকে বিষয়টো সম্পূৰ্ণভাৱে উত্থাপন কৰিব পাৰে আৰু ইয়াৰ ওপৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ প্ৰদান কৰিব, তেখেত গৃহমন্ত্ৰীও হয়। As per Rule, যিদিনা Governor's Address হয়, সেইদিনা সভা স্থগিত কৰিব নোৱাৰে বা বাজেট আলোচনা হলে আমি House Adjourn কৰি অকল এটা বিষয়ৰ ওপৰত আলোচনা কৰিব নোৱাৰো। কিন্তু এই বিষয়টো Motion of Thanks on Governor's Address  ত আপোনালোকে আলোচনা কৰাৰ সুযোগ আছে। এই বিষয়টো আপোনালোকে তাত দৃষ্টিগোচৰ কৰিব পাৰিব। এই কাৰণে মই Adjournment Motion ৰ যিটো প্ৰস্তাৱ, সেইটো অগ্ৰাহ্য কৰিলো। এতিয়া শূণ্য কালীন ঘন্টা, সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**ড০ ৰফিকুল ইছলাম, (জনিয়া)** ঃ চাৰ, বিষয়টো বহুত গুৰুত্বপূৰ্ণ। নিজৰ ৰাজ্যত মানুহ আজি সুৰক্ষিত নহয়।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে Motion of Thanks on Governor's Address ত কবলৈ পাব। এতিয়া সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

(সদনত হুলুস্থুল...)

**মাননীয় অধ্যক্ষ** ঃ please..., please..., আপোনালোকে বহক। এতিয়া শূণ্যকালীন ঘন্টা।

(AIUDF ৰ দলৰ সদস্যসকলে বিষয়টো আলোচনা নকৰাৰ বাবে সদন ত্যাগ কৰে।)

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ (উত্তর শ্ৰীভূমি  সমষ্টি)** ঃ- মাননীয় অধ্যক্ষ মহোদয়,"আসাম মালা কাজে ভয়াবহ শিলচর জয়ন্তিয়া সড়ক, পথ অবরোধ, ক্ষুব্ধ জনতা"— **৫ ফেব্রুয়ারি, ২০২৬,** দৈনিক যুগশঙ্খ পত্রিকায় প্রকাশিত এই সংবাদ শূন্যকালীন ঘন্টায় উত্থাপান করার জন্য আমি ধন্যবাদ জানাই। মাননীয় অধ্যক্ষ মহোদয়, একদিন অর্জুন শ্রী কৃষ্ণকে প্রশ্ন করেছিলেন যে প্রভু প্রতিষ্ঠিত বা সফল হওয়ার অর্থ কি? প্রভূ অর্থাৎ শ্রী কৃষ্ণ খুব সুন্দর ভাবে উত্তর দিলেন যে জীবনে দেখবে অনেক সফল কিন্তু সে সফলতা পায় না। অনেক খুব শক্তিশালী কিন্তু তার কোন কাজ করার ক্ষমতা নেই। শ্রী কৃষ্ণ বলেছিলেন যে সংশয় আত্মা বিনোশ্চুতি অর্থাৎ যে আত্মায় সন্দেহ থাকে সেই মানুষ জীবনে প্রতিষ্ঠিত হতে পারে না। আমি সেই জন্যই এই কথা বললাম কারন আমাদের মাননীয় মূখ্যমন্ত্রীর ভিসন ক্লিয়ার। কোন সন্দেহ নেই এই সরকারের। আমরা দেখি যদি PWD বিভাগে গুয়াহাটী কামরূপ করিডোর প্রজেক্ট, কাজিরাঙা এলিভেটেড  কোরিডোর,ধূবরি ফুলবাড়ি থেকে শু রু করে কুমার ভাষ্কর ভর্মা সেতু যদিও কংগ্রেস তার বিরোধিতা করে থাকে, মরান হাইওয়ে ইমার্জেন্সি লেন্ডিং সুরক্ষার কথা এবং নিউ সেক্রেটারিয়েট ডিব্রুগড়, গুয়াহাটী বা বরপানী শিলচার এক্সপ্রেস হাইওয়ে, শিলচার মিনি সেক্রেটারিয়েট, অনেকগুলো আসাম মালার প্রজেক্ট, বড়খলা থেকে শুরু করে হাইলাকান্দি চু ড়াইবাড়ি আসামমালার প্রজেক্ট এই প্রজেক্টগুলো থেকে  বুঝা যায় যে এই সরকার এবং মননীয় মূখ্যমন্ত্রীর ভিসন ক্লিয়ার। অর্থাৎ আসামকে ভারত বর্ষের বুকে শ্রেষ্ঠ রাজ্যের রূপান্তরিত করা। সেই চিন্তাধারা আজকে হয়তো **২০২১** থেকে **২০২৬** যাবৎ এই যে উন্নতির কাজ তা হয়তো ইতিহাসের পাতায় লেখা থাকবে। এই পাঁচ বছরে এমন অনেকগুলো

কাজ হয়েছে যেগুলো আসামকে একটি সুদৃঢ় আসাম, আসামকে ভারতবর্ষের বুকে প্রতিষ্ঠিত আসামে রূপান্তরিত করার জন্য যে মানসিকতা, চিন্তাধারার জন্য আমি মুখ্যমন্ত্রীকে ধন্যবাদ জ্ঞাপন করছি।

উপাধ্যক্ষ মহোদয়, বড়খলা-কালাইন রোডের জন্য **১০৩** কোটি টাকা সেংশন হয়েছিল মার্চ **২০২৩** এ। এবং **২৯-১২- ২০২৫** এ কাজটি শেষ করার কথা ছিল। সেখানে ফিজিক্যাল প্রগ্রেস হচ্ছে **২৩** **শতাংশ** এবং ফাইনেন্সিয়াল প্রগ্রেস হচ্ছে **১৭** **শতাংশ**। তার জন্য একটি সেংশন প্রজেক্ট আজকে সময়মত কাজ করতে না পারায় মানুষের অনেক সমস্যার সম্মুখীন হতে হচ্ছে। ধূলোবালি পরিবেশের জন্য মানুষের জ্বর, কাশি,সর্দি অসুস্থতা দেখা দিচ্ছে। কোন সময় ধূলোবালি কখন কাঁদা একটি ভিবিষিকাময় পরিবেশ সৃষ্টি হচ্ছে। টাকা সেংশন হয়েছে,টাকা রিলিজও হয়েছে কিন্তু মাত্র **২৩** শতাংশ কাজ করতে সক্ষম হয়েছে। উপাধ্যক্ষ মহোদয়, আমি মন্ত্রী মহোদয়ের কাছে অনুরোধ করব যে অতি কম দিনের মধ্যে কাজটি যাতে সম্পন্ন হয়। কাজটি সম্পন্ন না হওয়ার একমাত্র কারন হল একজন অপদার্থ কন্ট্রাকটর, যার জন্য এই অঞ্চলের মানুষের এই দুর্ভোগ। আজ বিশেষ করে ধলছড়া থেকে শুরু করে নীলছড়া,শেউতি,গরেরবন্দ, বাবুবাজার এই অঞ্চলগুলোর মানুষের খুব ভিবিষিকাময় পরিবেশ। অধ্যক্ষ মহোদয়, টাকা আমদের কাছে আছে, টাকা রিলিজ করা হয়ে গিয়েছে কিন্তু এই কন্ট্রাক্টরের জন্য কাজ বন্ধ হয়ে আছে। আমি মাননীয় মন্ত্রীর কাছে অনুরোধ করছি। আমি এই অঞ্চলের মানুষের সঙ্গে যখন মিটিং করি এই অঞ্চলের মানুষ আমাকে অনুরোধ করেছে যে আপনি মাননীয় মূখ্যমন্ত্রীকে জানাবেন। আমরা বিশ্বাস করি উনার নোলেজে আসার সঙ্গে সঙ্গে এবং সদনে যখন এই কথাগুলো বলবেন আমাদের কাজ হবে। আমি মাননীয় মন্ত্রী, মাননীয় মুখ্যমন্ত্রীর কাছে অনুরোধ করব যেভাবে হোক এই কাজ শুরু হোক এবং কম দিনের ভিতরে যাতে এই কাজটি সম্পন্ন হয় তাহলে আমাদের লক্ষ লক্ষ জনসাধারণ উপকৃত হবে। এবং এই রাস্তা হওয়ার পর এমন একটি বাতাবরণ সৃষ্টি হবে যার জন্য সমগ্র কাটিগড়া অঞ্চলের একটি সুদৃঢ় পরিবেশ সৃষ্টি হবে। আজ আসাম মালার তরফ থেকে ব্রিজ করা হচ্ছে, রাস্তা করা হচ্ছে বিশেষ করে গুয়াহাটী থেকে শিলচর অবদি এক্সপ্রেস হাইওয়ের কাজ শুরু হবে। আমি অনুরোধ করব অতি কম দিনের মধ্যে কাজ শুরু করে কাটি গড়া অঞ্চলের মানুষের স্বস্থির নিশ্বাস এই সরকার দেবে বলে আমার বিশ্বাস।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কত জনাব বিচাৰিছো সেই ADB ৰ পুঁজিৰে ASCCIP অসম মালাৰ পগ্ৰেমৰ অধীনত লোৱা ৪ খন সৰু দলঙকে ধৰি ২১.৩৮ কি.মিটাৰ দৈৰ্ঘ্যৰ বৰ্ষলাকাৰেং পথৰ উন্নয়নৰ প্ৰকল্পটো ২০২৩ চনৰ মাৰ্চ মাহত আৰম্ভ হৈছিল। যুটীয়াভাৱে নিযুক্ত ঠিকাদাৰৰ মতে ১০৩৯২১৫৯১৬.০০ টকাৰ চুক্তিত এই কাম আৰন্টন দিয়া হৈছিল। উক্ত ঠিকাদাৰী পতিষ্ঠাণে প্ৰয়োজনীয় অগ্ৰগতি লাভ কৰিব নোৱাৰিলে আৰু ২০২৫ চনৰ মাজ ভাগলৈকে কামটো কাৰ্যত বন্ধ কৰি দিয়ে। আৰু ইয়াৰ অগ্ৰগতি ২৩.২৫ শতাংশ আৰু আৰ্থিক ব্যয় প্ৰায় ১৮২০৬৬৩৪৭.০০ টকা হয়। অৰ্থাৎ মুঠ টকাৰ ১৭.৫২ শতাংশ হয়। বিপদজনক ভাৱে স্থাপিত বিশেষকৈ বৈদ্যুতিক সাৰমজমৰ বাবে এই ব্যৱহাৰকাৰীৰ বাবে এই গুৰুত্বৰ মানি বিপদৰ আশাংকা সৃষ্টি হৈছে, নিম্নমান আৰু শৃংখলা বিহীত নিৰ্মাণ কাৰ্যৰ সন্দৰ্ভত শুধৰণি কৰিবলৈ বাৰমবাৰ জাননী দিয়াৰ পিছতো ঠিকাদাৰে কোনো সংশোধনী ব্যৱস্থা গ্ৰহণ কৰা নাছিল। আন কোনো বিকল্প নথকাত ২০২৫ চনৰ ৩১ ডিচেম্বৰত ADB ৰ দৃষ্টিগোচৰ কৰি চুক্তিখন বন্ধ কৰি

দিয়া হয়। প্ৰকল্প দুটা পুনৰ দু টা পেকেজত পুনৰ নিবিদা আহ্বান কৰা হয়। নিবিদা দাখিলৰ শেষ তাৰিখ ২০২৬ চনৰ ৬ মাৰ্চত ধাৰ্য্য কৰা হৈছে। বৰ্তমান লোক নিৰ্মাণ পথ বিভাগৰ বৰ্ষলা আৰু কাতিদৰা খংমগুলৰ কাৰ্য্যবাহী অভিযন্তাই পথটোৰ যাতায়ত যুগ্য কৰি ৰাখিবলৈ ধূলি নিয়ন্ত্ৰণ আৰু নূন্যতম ৰক্ষণাবেক্ষণৰ ব্যৱস্থা হাতত লৈছে। নতুন ঠিকাদাৰে কাম আৰম্ভ নকৰালৈকে পথটোৰ আন্তৱৰ্তিকালীন ৰক্ষণাবেক্ষণৰ কাৰণে নিবিদাৰ আৱন্টন জনোৱা হৈছে। নতুন নিবিদা চুক্তিৰ জৰিয়তে এই প্ৰকল্পটোৰ বাকী কাম ১২ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ সম্ভৱণা আছে। গতিকে ৰাস্তাটো হৈ যাব। টেণ্ডাৰটো কেনচেল কৰা হৈছিল, এতিয়া আকৌ দুটা পেকেজত ৰাস্তাটোৰ কাম কৰিবলৈ দিয়া হৈছে, গতিকে কামখিনি ১২ মাহৰ ভিতৰত সম্পূৰ্ণ হৈ যাব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ** ঃ উপাধ্যক্ষ মহোদয়, এটা কথা এই যিবোৰ বিদ্যুতৰ খুটা আছে সেই বিলাকৰ কাৰণে যেতিয়া তেতিয়া দূৰ্ঘটনা হ'ব পাৰে। বিদ্যুতৰ খুটা বিলাক যাতে অতিশীঘ্ৰে স্থানন্তৰ কৰিব পাৰি তাৰ ব্যৱস্থা গ্ৰহণ  কৰিব লাগে। নহলে যদি কিবা এটা ঘটনা হৈ যায় তেতিয়া ৰাইজে আমাক ক্ষমা নকৰিব। সেইটোৰ কাৰণে মই অনুৰোধ কৰিম যে বিদ্যুতৰ খুটা বিলাক যাতে স্থানন্তৰ কৰে। যিহেতু এতিয়া নিবিদা দিয়া হৈছে যেনেকৈ নহওক বিদ্যুতৰ খুটা কেইটা অতিসোনকালে স্থানন্তৰ কৰিব লাগে। নহলে দূৰ্ঘটনা হৈ যাব, ছাৰ। সেইটোৰ কাৰণে অনুৰোধ কৰিম যে কিবা এটা ব্যৱস্থা কৰি হলেও বিদ্যুতৰ খুটা কেইটা যাতে স্থানন্তৰ কৰা হয়।

**মাননীয় উপাধ্যক্ষ** ঃ বিদ্যুৎ মন্ত্ৰী আছে নে?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** বিদ্যুৎ মন্ত্ৰীৰ নহয়, এইটো PWD ৰ কাম। গতিকে PWD বিভাগে এই বিষয়টো আচলতে আগৰ ঠিকাদাৰ যে cancel হ'ল, সেইটো এটা cause আছিল। যে তেওঁলোকে এই বিদ্যুতৰ লাইন বিলাক ঠিকমতে নকৰাৰ বাবে তাত দূৰ্ঘটনা হৈ যাব পাৰে বা তাত যথেষ্ট পৰিমানৰ দূৰ্ঘটনা হোৱাৰ সম্ভৱনা আছিল। আগৰ ঠিকাদাৰ জন disqualify হোৱাৰ এটা কাৰণ এইটোৱে, আপুনি যিটো কথা কৈছে। গতিকে এতিয়া আমাৰ PWD বিভাগৰ পৰা আপুনি কোৱা যিটো কথা সেইটো দৃষ্টিগোচৰৰ কাৰণে ভাবিব দিছে PWD বিভাগক আৰু সেই মতে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য নুৰুল হুদা।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, 'তামোলৰ মূল্য হ্ৰাসৰ ফলত তামোল উৎপাদকৰ মূৰত মাধমাৰ' শীৰ্ষক বিষয়টো আলোচনা কৰিবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছোঁ। ভাৰতবৰ্ষৰ তামোল বিশ্বৰ ভিতৰত সৰ্বাধিক।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাৰ তামোলৰ ওপৰত আছিল নে বেলেগ?

**শ্ৰীনুৰুল হুদা, ৰূপহীহাট ঃ ৰুল- ৫৪, ভোটাৰ তালিকা । মাননীয় উপাধ্যক্ষ মহোদয়, বৰ্তমান যিটো SR চলি আছে এই SR**

**ত ভোটাৰ হ'ল সৰ্বমূঠ- ২ কোটি ৪৯ লাখ ৫৮ হাজাৰ ১৩৯ জন । তাত নতুন ভোটাৰ হৈছে ৮ লাখ ২৫ হাজাৰ ৭৭৩ জন আৰু ইয়াত কৰ্ত্তণ কৰা হৈছে - ১০ লাখ ৮ হাজাৰ ৯২২ জন । এই যিখিনি ১০ লাখ ৮ হাজাৰ ৯২২ জন লোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্ত্তণ হ'ল , ইয়াত কিছু মৃত্যু হোৱা লোকৰ নাম আছে । কিন্তু উপাধ্যক্ষ মহোদয় বৰ্তমানে জীৱিত থকা লোকৰো নাম বহুত বাদ পৰিছে । আজি কিছুদিন আগতে যিটো উচ্ছেদ হৈছিল - এইসকল ভাৰতীয় নাগৰিক, অসমৰে সন্তান । তেওঁলোকে য'ত ক'ম দামত মাটি পাইছে , কিছুমান মানুহে হয়তো তেওঁলোকক প্ৰলোভনো দিছে , কাৰোবাৰ দখল থকা মাটি ক'ম দৰত তেওঁলোকক বিক্ৰি কৰি দিছে ।**

তেওঁলোকেও তাত ক'ম দামত মাটি কিনি তাত বসবাস কৰি আছিল, কিন্তু পিচত গৈ ওলাল যে এইখিনি ফৰেষ্টৰ মাটি , পিচত চৰকাৰে গৈ তাত উচ্ছেদ কৰিলে । ভোটাৰ লিষ্টত তাতে তেওঁলোকৰ নাম আছিল । ঠিক তেনেকুৰা মই এটা উদাহৰণ দিছো-গোলাঘাট-শিৱসাগৰ জিলাৰ । গোলাঘাটত যিখিনি মানুহ উচ্ছেদ কৰিছে , সেই উচ্ছেদিত পৰিয়ালসমূহে তাৰ পৰা আহি নিজৰ নিজৰ পূৰ্ব্বজ য'ত আছিলে সেই তাতে তেওঁলোকে বসবাস কৰি আছে । পূৰ্ব্বজৰ ঠাইত বসবাস কৰি থকা অৱস্থাত যেতিয়া এচ আৰ আৰম্ভ হৈছে , তেতিয়া তেওঁলোকে ৮ নম্বৰ ফৰ্ম ফিল আপ কৰি দিছে যে, তাৰ পৰা ভোট ট্ৰেন্সফাৰ কৰি বৰ্তমান য'ত বাস কৰি আছে যাতে যাতে ভোট দিব পাৰে । কিন্তু য'ত উচ্ছেদ হৈছে তাত কৰিছে কি যে, বি এল ওই তাৰ পৰা নাম ডিলিট কৰি দিছে । তাত নামটো ডিলিট কৰি দিয়াৰ কাৰণে - ইয়াত যিটো ৮ নম্বৰ ফৰ্ম ফিল আপ কৰিছে , ইয়াত কিন্তু নামটো নুঠিল । এইটো ৰখাই থৈ দিলে । ৰখাই থৈ দিয়াৰ ফলত এই ১০ লাখ ৮ হাজাৰ ৯২২ জন কৰ্ত্তণ হোৱা লোকো তাত সন্নিবিষ্ট হৈ আছে । গতিকে এইসকল ভাৰতীয় নাগৰিক । এতিয়া নিবৰ্বাচন আয়োগে কৈছে যে, তেওঁলোকে আকৌ ৬ নম্বৰ ফৰ্ম ফিল আপ কৰিব লাগে । ৬ নম্বৰ ফৰ্মটো ফিল আপ কৰিব নতুন ভোটাৰে । ১৮ বছৰ যাৰ সম্পূৰ্ণ হৈছে , তেওঁ ৬ নং ফৰ্ম ফিল আপ কৰি নিজৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰিব। কিন্তু এনেকৈ ষড়যন্ত্ৰ কৰা হৈছে যে, এই ভাৰতীয় নাগৰিকসকলে আকৌ ৬ নং ফৰ্ম ফিল আপ কৰাই আকৌ হিয়াৰিং ইত্যাদি কৰি কেনেকৈ তেওঁলোকক ভোটৰ অধিকাৰৰ পৰা নাইকিয়া কৰিব পৰা যায় তাৰ এটা ষড়যন্ত্ৰ নিহিত হৈ আছে । গতিকে এইটো বন্ধ হ'ব লাগে । যিসকল য'ত আছিলে, তাত তেওঁলোকৰ নাম ভোটাৰ তালিকাত আছিলে । এতিয়া তেওঁলোকৰ নামটো ট্ৰেন্সফাৰ কৰি দিব লাগে । নামবিলাক ট্ৰেন্সফাৰ কৰি দিয়াৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ জৰিয়তে নিৰ্বাচন আয়োগক নিৰ্দেশ দিব লাগে যে, যিয়ে য'ত আছিলে উচ্চেদিত মানুহ , য'ত যাৰ নাম আছে আৰু বৰ্তমান য'ত বসবাস কৰি আছে তাতেই তেওঁলোকৰ নামটো ভোটাৰ তালিকাত ট্ৰেন্সফাৰ কৰি দিব লাগে । ইয়াত আৰু বেলেগ ব্যৱস্থা অৱলম্বন কৰিব নালাগে । উপাধ্যক্ষ মহোদয়, এনেকুৰা হৈছে য'ত দেখা গৈছে যে, পেটৰ তাৰণাত অসমৰ বহু যুৱক- যুৱতী বহিঃৰাজ্যত গৈ কাম কৰি আছে । ইয়াত নথকা বাবে ৰাতিটোৰ ভিতৰতে কোনোবাই গৈ অৱজেকশ্যন কৰিছে, কোনে অৱজেকশ্যন কৰিছে- কোনো মানুহ নাই । হিয়েৰিঙত মাতিছে- অৱজেকশ্যন কৰা মানুহ নাই। আৰু যাৰ ওপৰত অৱজেকশ্যন কৰিছে, তেওঁতো ঘৰতেই নাই । এই সুযোগতে তেওঁৰ নামটো ভোটাৰ তালিকাৰ পৰা কৰ্ত্তণ কৰি দিয়া হৈছে । এইটো ডাঙৰ অপৰাধ আৰু অন্যায় কৰা হৈছে । ভাৰতীয় নাগৰিকক সংবিধানে দিয়া অধিকাৰ ইয়াত খৰ্ব কৰা হৈছে । গতিকে সাংবিধানিক অধিকাৰ যাতে খৰ্ব কৰা নহয় । আজি অসমৰ যুৱক-যুৱতী পেটৰ তাৰণাত অসমৰ বাহিৰত গৈ কোনোবাই ৰাজ মিস্ত্ৰিৰ কাম কৰি আছে, কোনোবাই ফেক্টৰীত কাম কৰি আছে , কোনোৱাই চিকিউৰিটি গাৰ্ডৰ কাম কৰি আছে। গতিকে বিভিন্নধৰণৰ কৰ্ম কৰি তেওঁলোকে খাই আছে , নিৰ্বাচন আহিলে তেওঁলোক ঘৰলৈ আহে , আৰু তেওঁলোকে ভোটৰ জৰিয়তে মতামত প্ৰকাশ কৰে । গতিকে তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্ত্তণ কৰাটো এটা অন্যায় হৈছে গতিকে মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে, সমস্যাটো নাইকিয়া কৰি নিৰ্বাচন আয়োগক নিৰ্দেশ দিব লাগে যাতে যিসকল অসমৰ যুৱক-যুৱতী অসমৰ বাহিৰত গৈ কাম কৰি আছে তেওঁলোকৰ এজনৰো যাতে নাম ভোটাৰ লিষ্টৰ পৰা কৰ্ত্তণ নহয় এইটো স্পষ্টভাৱে এটা নিৰ্দেশ চৰকাৰে দিব লাগে । মই এই কথাটো আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো ।

**মাননীয় উপাধ্যক্ষ ঃ** অনাৰেবল মিনিষ্টাৰ ।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী , সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ভোটাৰ তালিকাৰ পৰা যিসকল লোকৰ নাম কৰ্ত্তণ হোৱা কথা বিধায়কগৰাকীয়ে কৈছে, আচলতে আজি শূন্যকালীন ঘন্টাত আছিল যে, খাৰুপেটীয়া টাউনত ভোটাৰ তালিকাৰত নাভূত- নাশ্ৰুত কাণ্ড , ' জীৱিত ভোটাৰৰ নাম কৰ্ত্তণ কৰি অন্তৰ্ভূক্ত কৰিলে একাধিক মৃত ব্যক্তিৰ নাম ' । কিন্তু তেখেতে সমগ্ৰ অসমৰ কথাটো ইয়াত আনিলে । তেখেতে যিটো স্পেচিফিক 'জিৰো আৱাৰ' দিছিলে সেইটোত নকৈ গোটেই অসমৰ কথাটো কৈছে । মই এইটোত কোনো আপত্তি কৰা নাই । গতিকে মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আমাৰ ভোটাৰ তালিকাৰ পৰা নাম বাদ পৰাৰ কেইটামান কাৰণ আছে , প্ৰথমটো হ'ল যে কিছুমান মৃত ব্যক্তিৰ নাম ভোটাৰ তালিকাত থাকি যায় সেইবিলাক নাম কৰ্ত্তণ কৰা হয় । দ্বিতীয়টো হ'ল যে , যিসকল মানুহ এঠাইৰ পৰা আন ঠাইলৈ গুছি গৈছে আৰু তেওঁলোক ওভতি নাহে , তেওঁলোকৰ নাম ভোটাৰ তালিকাত নাথাকে । তৃতীয় কথাটো হ'ল যে, যি সকলৰ ৰেশ্যন কাৰ্ড আছিল কিন্তু তেওঁলোকে ৰেশ্যন দোকানৰ পৰা বস্তু নলয় অৰ্থাৎ তেওঁলোক ইয়াত নাথাকে গতিকে তেওঁলোকৰ নাম কৰ্ত্তণ কৰা হৈছে । আৰু কিছুমান মানুহৰ নাম এইবুলিয়েই কৰ্ত্তণ কৰা হৈছে যে, বিয়াৰ পিচত এটা সমষ্টিৰ পৰা আন এটা সমষ্টিলৈ যোৱা বাবে সেই সমষ্টিটোত তেওঁৰ নাম নাথাকে আৰু যিটো সমষ্টিত তেওঁ গৈছে তাত তেওঁৰ নাম অন্তৰ্ভূক্ত হ'ব । কিন্তু কৰ্ত্তণ কৰাৰ পিচত যদি তেওঁলোকে কিবা এটা ভিত্তিত এলিগেশ্যন দিছে সেইটো শুদ্ধ হ'বও পাৰে বা নহ'বও পাৰে । গতিকে আমাৰ ' পিপুল ৰিপ্ৰেজেন্টটেটিভ এক্ট' যিখন আছে তাত আমাৰ প্ৰভিজন দিয়া আছে যে, ফৰ্ম - ৬ , ফৰ্ম - ৭ আৰু ফৰ্ম - ৮ - এই প্ৰক্ৰিয়াটো ইলেকশ্যনৰ দিনালৈ চলি থাকিব । ভোটাৰ তালিকাত নাম ইনক্লুড কৰা- এক্সক্লুড বা ডিলিট কৰা এইখিনি এই ফৰ্মৰ জৰিয়তে কৰা হ'ব । যদি কোনোবাই ভাবিছে যে, তেওঁৰ ক্ষেত্ৰত ইনজাষ্টিছ হৈছে , তেওঁ ফৰ্ম -৬, ৭ আৰু ৮ ত তেওলোকৰ কথাখিনি জনাই কমপ্লেইন কৰিব পাৰিব । তাৰ পিচত ইলেকশ্যন অফিচাৰে পৰীক্ষা কৰি চাই , যদি জেনুইন হয় তেনেহ'লে তেওঁলোকৰ নামটো ভোটাৰ তালিকাত ৰাখিব আৰু যদি নহয় তেন্তে কৰ্ত্তণ কৰিব । এইটো অনগোয়িং প্ৰচেচ গতিকে যিসকলৰ নাম কৰ্ত্তণ কৰা হৈছে, তেওঁলোকে এই প্ৰচেচটো কৰিব লাগিব । ইয়াত চৰকাৰৰ কোনো কথা নাথাকে যে, চৰকাৰে এইধৰণৰ কোনো ইনষ্ট্ৰাকশ্যন দিব। কোনো ভাৰতীয় নাগৰিকৰ নাম প্ৰকৃতাৰ্থত বাদ পৰিলে সেইটো নাম ইনক্লুড কৰাত চৰকাৰে কোনো আপত্তি কৰা নাই । গতিকে এই ক্ষেত্ৰত চৰকাৰে কোনোধৰণৰ ডাইৰেকশ্যনো দিয়া নাই । হয়তো কোনো এখন ঠাইৰ স্থায়ী লোকে কাৰোবাৰ বিৰুদ্ধে অৱজেকশ্যন দিছে , তাৰবাবে হয়তো কাৰোবাৰ নাম ভোটাৰ তালিকাৰ পৰা ডিলিট হৈছে । গতিকে এই গোটেইখিনি কথা অনগোয়িং প্ৰচেচত চলি থাকিব । গতিকে যিসকল ভোটাৰ কথা আপুনি কৈছে , তেওঁলোকে এই ব্যৱস্থাখিনি গ্ৰহণ কৰিব পাৰিব ।

**শ্ৰী নুৰুল হুদা, ৰূপহী ঃ** উপাধ্যক্ষ মহোদয়, যিখিনি নাম কৰ্তন হৈছে, সেই নামখিনি কৰ্তন হোৱাৰ কাৰণটো হ'ল আমাৰ চৰকাৰৰ পক্ষৰ পৰাও মাননীয় মুখ্যমন্ত্ৰীয়েও হাৰাশাস্তি কৰিব লাগে বুলি ক'লে, একৰাতিৰ ভিতৰত মানুহবিলাকেও যধে-মধে গৈ আপত্তি কৰিলে। আপত্তিবিলাক যে কৰিলে সেইবিলাকো যিসকল বহিঃ ৰাজ্যত কাম কৰিবলৈ গৈছে, সেই সকলৰ নামত গৈ আপত্তি কৰিলে। যাৰ কাৰণে hearing, আজি আপত্তি কৰিছে, কালি মাতি দিছে। যিহেতু তেওঁলোক বাহিৰত আছে আহিব পৰা নাই। সেয়েহে তেওঁৰ নামতো কৰ্তন কৰি দিছে। এইটো হ'ব নালাগে, আমাক ন্যায় লাগে।

**ডাঃ নোমল ম'মিন, মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য, এইটো Election Commission ৰ process. আপত্তিও কৰিব পাৰিব আৰু আপুনি নামটোও সোমাব পাৰিব। গতিকে scope আছে, সেয়েহে তেখেতে reply দিছে। সেইটোমতে আপুনি কাম কৰক। যিসকলৰ নাম অহা নাই, তেখেতসকলৰ নাম সোমাব পাৰিব। এতিয়া মাননীয় সদস্য খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদাৰ ( কাটিগড়া সমষ্টি)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়,আমাকে শূণ্যকালীন ঘন্টায় বলার সুযোগ দেওয়ার জন্য মন্ত্রী মহোদয়কে ধন্যবাদ জানাচ্ছি। গত **৬** ফেব্রুয়ারি **২০২৬**, মেঘালয় কয়লার খনিতে ঘটে যাওয়া অভিযোগের ঘটনায় কয়েকজন আসামের শ্রমিক এবং বাহিরের রাজ্যের শ্রমিক যারা দুর্ঘটনায় মারা যান তাদের মধ্যে আসামের কতজন আছে আর বাহিরের রাজ্যের কতজন আছে এবং হসপিট্যালে কতজন আছে? সরকারি কি পরিকল্পনা নিয়েছে এবং তাদেরকে কত সাহায্য দেওয়া হচ্ছে? আমাদের দাবি সরকারের কাছে যে যারা মারা গিয়েছে তাদের পরিবারকে **২০** লক্ষ টাকা এবং যারা অসুস্থ হসপিট্যালে আছে তাদেরকে **১০** লক্ষ টাকা করে দেওয়ার জন্য। মেঘালয়ের এই কয়লা খনিটি বৈধ না অবৈধ সেটা সরকার তদন্ত করতে লাগবে। আর শ্রমিকরা বাইরে অন্যান্য রাজ্যে যায়, শ্রমিকের কোন গুরুত্ব থাকে না। আমার সরকারের কাছে বিশেষ করে দাবি থাকল কারন আমাদের বরাক ভ্যালির অনেক মানুষ আছে আসামেরও অনেক শ্রমিক আছে। সরকার কি পরিকল্পনা নেয় আমার সেটা দাবি রইল।

**ডাঃ নোমল ম'মিন, মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কত যিটো কথা আমাৰ মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰিছে, ইয়াৰ বিষয়টো হ'ল এনেকুৱা ধৰণৰ যে, জিলা আয়ুক্ত দক্ষিণ শালমাৰাৰ পৰা পোৱা তথ্যমতে শেহতীয়াকৈ মেঘালয় জিলাৰ পশ্চিম গাৰো পাহাৰৰ ৰাজাবেলা থানাৰ অন্তৰ্গত গোৱালগাওঁত সংঘটিত ঘটনাৰ সংক্ৰান্তত য'ত মেঘালয়ৰ এটা NGO ৰ সদস্য ভিনচেং এন চাংমাক অ-জনজাতীয় সম্প্ৰদায়ে আক্ৰমণ কৰি হত্যা কৰিছিল। এইক্ষেত্ৰত মেঘালয় জিলাৰ পশ্চিম গাৰোপাহাৰৰ ৰাজাবেলা থানাত এটা কেছ ৰুজু কৰা হৈছিল। সেই কেছটোৰ তদন্ত বৰ্তমান্ চলি আছে। পশ্চিম গাৰোপাহাৰৰ আৰক্ষী কৰ্তৃপক্ষৰ পৰা পোৱা তথ্য অনুসৰি আজিলৈকে ৮ জন অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। দক্ষিণ শালমাৰাৰ মানকাছাৰ জিলাৰ আৰক্ষীয়ে ০৯-০১-২০২৬ তাৰিখৰ পৰা এই বিষয়ে পুংখানুপুংখভাৱে দৃষ্টি ৰাখিছে। ঘটনাৰ দিনৰে পৰা নিয়মীয়াকৈ VDP আৰু গাওঁ প্ৰধানৰ কৰ্তব্যসমূহ চলি আছে। তেওঁলোকে নিয়মীয়াকৈ জনসজাগতামূলক জনসভা আয়োজিত কৰি আছে। এইক্ষেত্ৰত SSP দক্ষিণ শালমাৰাৰ মানকাছাৰৰ নেতৃত্বত অঞ্চলটোৰ অসম আৰু মেঘালয় সীমান্তত সুৰক্ষা নিশ্চিত কৰাৰ বাবে মেঘালয় আৰক্ষীৰ সৈতে সকলো OC আৰু IC ৰ পৰ্য্যায়ত আলোচনা কৰি থকা হৈছে। যিসকল শ্ৰমিক মেঘালয়ত নিৰাপত্তাহীনতাৰ ভাবুকিত উভতি আহিছে, তেওঁলোকক নিজৰ জিলা আৰক্ষীয়ে নিজৰ নিজৰ অঞ্চললৈ সুকলমে ঘূৰাই আনিছে।

**শ্ৰী আমিনুল ইছলাম, (কণিষ্ঠ) মানকাছাৰ** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বেলেগ প্ৰশ্নৰ উত্তৰ পঢ়ি আছে। মোৰ ৩০১ ৰ উত্তৰটো তেখেতে পঢ়ি আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইটো মেঘালয়ৰ লগত জড়িত আৰু আপোনাৰটোও মেঘালয়ৰ লগতে জড়িত আৰু আপুনি মেঘালয়ৰ border share কৰে। সেই কাৰণে আপোনাৰ লগতো সম্পৰ্কিত। কিন্তু এই দুয়োটাই বিষয়বস্তু মেঘালয়ৰ

লগত জড়িত। যোৱা ৬ ফেব্ৰুৱাৰী তাৰিখে মেঘালয়ৰ কয়লাখনিত সংঘটিত যিটো ঘটনাৰ কথা তেখেতে কৈছে, মই সেই কথাটোলৈকে আহি আছিলো। যি কি নহওঁক, ৬ ফেব্ৰুৱাৰী তাৰিখে মেঘালয়ৰ কয়লা খনিত সংঘটিত বিধ্বংসী অগ্নিকাণ্ডত অসমৰ মুঠ ৯ জন শ্ৰমিকৰ মৃত্যু হৈছে। কিন্তু বহিঃ ৰাজ্যৰ কোনো শ্ৰমিকৰ দুৰ্ঘটনাৰ তথ্য উপলব্ধ হোৱা নাই। ৪ জন বৰ্তমান শিলচৰ মেডিকেল্ কলেজত চিকিৎসাধীন হৈ আছে। মৃত শ্ৰমিক সকলৰ বাবে ৫ লাখ টকা এককালীন সাহাৰ্য্য ইতিমধ্যে দিয়া হৈছে। আমাৰ যিটো Rule আছে, সেই Rule মতে ৫ লাখ টকা পায়। সেয়েহে Rule মতে ৫ লাখ টকাকৈ তেওঁলোকক দিয়া হৈছে। কিন্তু তেখেতে যি ২০ লাখ টকা দাবী কৰিছে, সেইটো Rule মতে দিব পৰা নাযায়।

**শ্ৰী খলিল উদ্দিন মজুমদার ( সমষ্টি)** ঃ- স্যার আসামের শ্ৰমিক মারা গিয়েছে অন্য রাজের শ্ৰমিকও মারা গিয়েছে। আমি প্ৰেক্টিক্যালি গিয়েছি মেঘালয়। **১৭,১৮** জন শ্ৰমিক মারা গিয়েছে। স্যার বলছেন **৯** জন শ্ৰমিক।

**মাননীয় উপাধ্যক্ষঃ**- অন্য রাজ্যের মানুষ আমরা কি করব? ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি পুলিচৰ পৰা যিটো report পাইছো, সেই report মতে কৈছো।

**ডাঃ নোমল ম'মিন, মাননীয় উপাধ্যক্ষ** ঃ তেখেতে অন্য ৰাজ্যৰ কথা কৈছে, আমাৰ ৰাজ্যৰ নহয়। শূণ্যকালীন ঘণ্টাত সাধাৰণতে তিনিটা প্ৰশ্ন ৰখা হয়। কিন্তু এইটো অন্তিম হোৱাৰ বাবে আমাৰ মাননীয় অধ্যক্ষ মহোদয়ে যিহেতু চাৰিটা প্ৰশ্ন আহিছিল, চাৰিওটাকে অনুমোদন জনালে। এতিয়া চতুৰ্থ প্ৰশ্নটো মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়া।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কালি APSC ৰ এটা result ওলাইছিল আৰু APSC ৰ জাতীয় সংগঠন আৰু APSC ৰ জৰিয়তে যিসমূহ বিষয়া বাচনিকৃত কৰা হ'ল তেওঁলোকে ৰাজ্যত বিভিন্ন বিভাগসমূহৰ মুৰব্বী বা বিভিন্ন বিভাগসমূহ তেওঁলোকে সুচাৰুৰূপে পৰিচালনা কৰে, CC 2004 ৰ result ত কিছু বিসংগতি দেখা গৈছে। দেখা গৈছে যে result দাখিল কৰাৰ এঘণ্টামানৰ পিছতেই আকৌ কোৱা হ'ল যে এই result ভুল। সেই result ত যিসকলৰ নাম আহিছে, তেওঁলোক উৎফুল্লিত হৈছে। তেওঁলোকৰ নামত বা-বাতৰি হৈছে, তেওঁলোকে সন্মান পাইছে। কিন্তু পিচত আকৌ কোৱা হৈছে আমি নতুন তালিকা প্ৰকাশ কৰিব তাতে শুদ্ধভাৱে দিয়া হ'ব। APSC ৰ দৰে এটা বিয়াগোম জাতীয় সংস্থা, সেই সংস্থাত যদি এই ধৰণৰ ক্ৰুটি-বিচ্যুতি যদি সঘনাই পৰিলক্ষিত হয়, তেতিয়া এই জাতীয় সংস্থাটোৰ প্ৰতি অসমবাসী জনগণ নতুবা নতুন প্ৰজন্মৰ যিসকল শিক্ষিতভাৱে আগুৱাই আহি তেওঁলোকে এটা সপোন দেখে, যি সপোনৰ জৰিয়তে তেওঁলোকে কাম কৰিব বিচাৰে, সেই পৰ্য্যায়লৈকে যে মই এটা civil servant হ'ম। তেওঁলোকে সেই সংস্থাটোৰ ওপৰত কিদৰে আস্থা আৰু বিশ্বাস ৰাখিব পাৰে ? গতিকে মহোদয়, এইটো এটা গভীৰ আৰু গুৰুত্বপূৰ্ণ বিষয়। APSC সংস্কাৰৰ প্ৰয়োজনীয়তা আছিল আৰু APSC ৰ সংস্কাৰক কেন্দ্ৰ কৰি বিগত সময়ত অসম ৰাজ্যত বহু ধৰণৰ কথা-বতৰা বিভিন্ন সময়ত আলোচনা হৈছিল। বিশেষভাৱে APSC ৰ কেলেংকাৰীৰ কথা ওলালেই মানুহে APSC ৰ ওপৰত যি আস্থা, বিশ্বাস ৰাখিব লাগে, সেয়া হেৰুৱাই পেলায়। আজি ২০১৪ চনৰ নিযুক্তি কেলেংকাৰী APSC ত যিসমূহ আছিল, সেই নিযুক্তিৰ কেলেংকাৰীৰ file ও আজিৰ দিনত যেন কৰবাত নহয়, কৰবাত স্তব্ধ হৈ পৰিছে। ২০১৪ চনৰ নিযুক্তি কেলেংকাৰীৰ ন্যায়িক তদন্ত আয়োগে দোষী চিনাক্ত কৰিছিল। সেই চিনাক্ত কৰা দোষীসকলৰ

একাংশ ACS, APS বিষয়ালৈ চৰকাৰে দৰদ দেখুৱাই আছে। চৰকাৰে তেওঁলোকক তাৰ পৰা আঁতৰোৱাও নাই আৰু তেওঁলোকৰ ওপৰত কোনো ব্যৱস্থাও গ্ৰহণ কৰা নাই। ন্যায়ালয়ে ইতিমধ্যে কাৰণ দৰ্শোৱাৰ জননী চৰকাৰলৈ দিছে। এই ক্ষেত্ৰত আমি অতিৰিক্ত মহাধিবক্তাৰ যি দুৰ্বলতা দেখিছো সেইখিনি নিশ্চয় চৰকাৰৰ ফালৰ পৰাই হ'ব লাগিব। কাৰণ চৰকাৰে তেওঁলোকক দৰমহা দি ৰাখিছে আৰু আমাৰ চৰকাৰী অধিবক্তাই হয়তো APSC কেলেংকাৰীৰ লগত জড়িত বিষয়াসকলক ৰক্ষণা-বেক্ষণ দি আছে। আজিৰ প্ৰজন্ম, যিসকলে APSC ৰ এজন অফিচাৰ হ'বলৈ বিচাৰে তেওঁলোকে যদি এই কথাবিলাক গম পাই আছে, এইটো অতি দুৰ্ভাগ্যৰ বিষয়। মাননীয় সভাপতি মহোদয়, যোৱাকালিৰ ফলাফলত যি বিসংগতিটো হ'ল, সেই বিসংগতিৰ ওপৰত এটা তদন্ত হ'ব লাগে আৰু এই বিসংগতিৰ লগত যিসকল বিষয়া আছে, তেওঁলোক যোগ্য নহয়। তেওঁলোকক এই দয়িত্বৰ পৰা অনতিপলমে আঁতৰোৱাৰ ব্যৱস্থা কৰিব লাগে। এই যি APSC আৰু APCC আছে, দুয়োটাৰ মাজত কিবা এটা মিল থকা দেখিবলৈ পাইছো। দয়োটাই কালিকা লগা। মই APCC তো দেখিছো যে তেওঁলোকৰ সভাপতি হ'লেই বেলেগ বেলেগ দললৈ গুছি যায়।............Interruption............

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি অন্য topic লৈ নাযাব। আপোনাৰ যদি আৰু ক'বলগীয়া নাই, তেন্তে মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব। আপুনি APSC ৰ কথা কৈ আছে। ইয়াত APCC ৰ কথা অনাৰ কি প্ৰয়োজনীয়তা আছে?

**শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক (চেঙা) ঃ** মাননীয় সভাপতি মহোদয়, ............Interruption............ মোৰো লাগিছে এই বিষয় দুটাৰ কিবা সংযোগ আছে। হ'ব পাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ও এই ক্ষেত্ৰত কিবা সংযোগ আছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এই ক্ষেত্ৰত স্পষ্টতা বিচাৰিছো যে যোৱাকালি যি ভুল হ'ল, অহা দিনত এই ভুলৰ কি ধৰণে সংশোধনী হ'ব? একে সময়তে যিসকলে জ্ঞাত হওঁক বা অজ্ঞাতেই হওঁক বা তেওঁলোকৰ দায়িত্বহীনতাৰ কাৰণে এই ভুলৰ লগত জড়িত হৈ আছে, তেওঁলোকক শাস্তিমূলক বিধান দিব লাগে। ২০১৪ চনৰ কেলেংকাৰীত জড়িত থকা ন্যায়িক তদন্ত আয়োগৰ প্ৰতিবেদনত নাম থকা APS আৰু ACS বিষয়াসকলক অনতিপলমে শাস্তি বিধানৰ ব্যৱস্থা হ'ব লাগে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াই শূন্যকালীন ঘণ্টাত যিটো বিষয় আনিছে, সেই বিষয়ে আমি চৰকাৰৰ ফালৰ পৰা এই খিনি কথা জনাব বিচাৰিছো যে অসম চৰকাৰৰ পৰা পোৱা খালী পদৰ তালিকা অনুসৰি ২০২৪ চনৰ সংযুক্ত প্ৰতিযোগিতা মূলক পৰীক্ষাৰ বাবে 'অসম লোক সেৱা আয়োগ'ৰ প্ৰকাশিত বিজ্ঞাপনত মৰাণ আৰু মটক সম্প্ৰদায়ৰ বাবে অসামৰিক সেৱা আৰু অসম আৰক্ষী সেৱাৰ দুটাকৈ পদ অন্যান্য পিছপৰা সম্প্ৰদায় আৰু অধিক অন্যান্য পিছপৰা সম্প্ৰদায়ৰ ভিতৰত সংৰক্ষিত কৰা হৈছিল। অসম চৰকাৰৰ ১৯ অক্টোবৰ,২০২৩ তাৰিখৰ কাৰ্য্যালয় স্মাৰক নাম্বাৰ ABP-110/2023/2 অনুসৰি 'অসম লোকসেৱা আয়োগ'ৰ পৰা পৰৱৰ্তী পাঁচ বছৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত ACS আৰু APS কণিষ্ঠ শাখাত মৰাণ আৰু মটক সম্প্ৰদায়ৰ বাবে এটাকৈ পদ সংৰক্ষণ কৰা হৈছে। সেই অনুসৰি 'অসম লোকসেৱা আয়োগ'ক ইতিমধ্যে অৱগত কৰা হৈছিল। তথাপিও দেখা গৈছে যে আয়োগে ঘোষণা কৰা CCE-2024 অনুসৰি চূড়ান্ত ফলাফল মেধাৰ ভিত্তিত মটক সম্প্ৰদায়ৰ দুজন প্ৰাৰ্থীক এই

সংৰক্ষণৰ বিপৰীতে বিবেচনা কৰা হৈছে। চূড়ান্ত ফলাফল ঘোষণা কৰাৰ পিছত এই সন্দৰ্ভত তৎক্ষণাত 'অসম লোক সেৱা আয়োগ'ৰ লগত যোগাযোগ কৰা হৈছে। মৰাণ ছাত্ৰ সন্থা তথা অন্যান্য মৰাণ সম্প্ৰদায়ৰ ব্যক্তিৰ পৰাও অভিযোগ উত্থাপন হোৱাত আয়োগে বিষয়টো তৎকালীনভাৱে বিবেচনা কৰে। উক্ত চৰকাৰী নিৰ্দ্দেশনাৰ ভিত্তিত মৰাণ সম্প্ৰদায়ৰ প্ৰাৰ্থী সংৰক্ষিত পদত সুযোগ দিয়াৰ উদ্দেশ্যে ১৬ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে ঘোষিত চূড়ান্ত পৰীক্ষাৰ ফলাফল তাৎক্ষণিকভাৱে বাতিল কৰে। 'অসম লোক সেৱা আয়োগে' দুটাকৈ মৰাণ সম্প্ৰদায়ৰ বাবে সংৰক্ষিত পদত দুজন মৰাণ সম্প্ৰদায়ৰ প্ৰাৰ্থীক অন্তৰ্ভূক্ত কৰি অতিশীঘ্ৰে তালিকা প্ৰস্তুত আৰু ঘোষণা কৰাৰ ব্যৱস্থা হাতত লৈছে। স্বচ্ছতাৰ ক্ষেত্ৰত আয়োগে তিনি তৰপীয়া সংযুক্ত পৰীক্ষাত নিম্ন উল্লেখিত পদক্ষেপসমূহ অৱলম্বন কৰে- প্ৰাৰ্থীসকলক প্ৰাৰম্ভিক পৰীক্ষাৰ OMR উত্তৰ বহীৰ সংলগ্ন কাৰ্বন কপি দিয়া হয়। মূল পৰীক্ষাৰ উত্তৰ বহী সমূহ ডিজিটেল মূল্যায়ণ কৰা হয়। মৌখিক পৰীক্ষাৰ বাবে অসম চৰকাৰৰ কৰ্মচাৰী বিভাগে নিৰ্বাচিত কৰা বিশেষজ্ঞৰ উপৰিও আয়োগে নিজাববীয়াকৈ বিশেষজ্ঞ নিয়োগ কৰে। সমগ্ৰ মৌখিক পৰীক্ষাৰ ও ভিডিঅ'গ্ৰাফী কৰা হয়। নিযুক্তি প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰাৰ স্বাৰ্থত চৰকাৰে পৰ্য্যাপ্ত সকলো ধৰণৰ উপায় অৱলম্বন কৰিছে। উপাধ্যক্ষ ডাঙৰীয়া, কথাটো হ'ল যে মৰাণৰ বাবে এটা আৰু মটকৰ বাবে এটা ACS আৰু APS ৰ Junior Grade ত কৰা হৈছিল। কিন্তু দুয়োটাই এটা জনগোষ্ঠীৰ প্ৰাৰ্থীক দিয়াৰ ফলত অলপ খেলিমেলি হ'ল। কাৰণ এইটো চৰকাৰৰ সিদ্ধান্ত আছিল আৰু চৰকাৰে সেই কথাখিনি APSC ক জনাইছিলো। মই APSC ৰ এইটো ইচ্ছাকৃত ভুল বুলি কোৱা নাই। হয়তো কাৰিকৰী কিবা কাৰণত এইটো হৈছে। এইখিনি নতুনকৈ শুধৰণি কৰিবলৈ APSC য়ে ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় উপাধক্ষ্য ঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং-২ । কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন। ১৬ ফেব্ৰুৱাৰী, ২০২৬ ত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলী ২৩০ ৰ অধীনত অসম বিধান সভাৰ উপদেষ্টা সমিতিৰ এখন সভা যোৱা১৬ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভা কক্ষত অনুষ্ঠিত হয়। উক্ত সভাত সমিতিয়ে ১৭ ফেব্ৰুৱাৰী,২০২৬ তাৰিখে "ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কৰ বাবে সৰ্ব্ব সন্মতিক্ৰমে দল অনুযায়ী সৰ্ব্বমুঠ ৪ ঘন্টা সময় নিৰ্দ্ধাৰণ কৰে। লগতে আজিৰ সভাই মুখ্যমন্ত্ৰী মহোদয়ে ৰাজ্যপালৰ ভাষণৰ বিতৰ্কৰ উত্তৰৰ বাবে ১৯ ফেব্ৰুৱাৰী,২০২৬ তাৰিখটো স্থিৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সমিতিয়ে পৰিপূৰক দাবী মঞ্জুৰীসমূহৰ ওপৰত আলোচনাৰ বাবে গ্ৰ্যান্ট নং-৫৫ ত পৰিৱেশ আৰু বন বিভাগৰ ওপৰত আলোচনা কৰিবলৈ সৰ্ব্ব সন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে আৰু উক্ত আলোচনাৰ বাবে ৪ ঘন্টা সময় নিৰ্দ্ধাৰণ কৰে। সমিতিয়ে "ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক" প্ৰস্তাৱৰ ওপৰত ১৭ ফেব্ৰুৱাৰী,২০২৬ অৰ্থাৎ আজিৰ তাৰিখে ৪ ঘন্টা আৰু পৰিপূৰক দাবী মঞ্জুৰীসমূহৰ ওপৰত ১৮ ফেব্ৰুৱাৰী,২০২৬ তাৰিখে অৰ্থাৎ অহাকালি ৪ ঘন্টা আৰু ১৯ ফেব্ৰুৱাৰী,২০২৬ তাৰিখে লেখানুদান বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে ৪ ঘন্টা সময় নিৰ্দ্ধাৰণ কৰে। আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে।

(সদনে অনুমোদন প্ৰদান কৰে।)

**মাননীয় উপাধক্ষ্য ঃ** এতিয়া কাৰ্য্যসূচী নং-৩ । Calling Attention under Rule-54. এতিয়া মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই ক'ব।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Rule-54, মনোযোগ আকৰ্ষণ।

'তামোলৰ মূল্য হ্ৰাসৰ ফলত তামোল উৎপাদকৰ মূৰত মাধমাৰ' শীৰ্ষক বিষয়টো উত্থাপন কৰাৰ অনুমতি দিয়াৰ বাবে ধন্যবাদ জনাইছো। ভাৰতবৰ্ষৰ তামোল খেতি বিশ্বৰ ভিতৰতে সৰ্বাধিক আৰু ভাৰতৰ ভিতৰত অসম, কৰ্ণাটিক আৰু কেৰেলা এই তিনিখন ৰাজ্যতেই অধিক উৎপাদন হয়। আমাৰ অসমত প্ৰায় ৮৩ শতাংশ তামোলৰ উৎপাদন হয়। অসমত মুঠ ৬৬ হাজাৰ ৭১৯ হেক্টৰ মাটিত তামোল উৎপাদন হয়। ভাৰতবৰ্ষৰ মুঠ তামোল খেতিৰ ১৪.৮২ শতাংশ আমাৰ অসমৰ পৰা যায়। অসমৰ ভিতৰত নগাওঁ জিলাত অধিক তামোল উৎপাদন হয়। ইয়াৰ পিছত হাইলাকান্দিত ২৬৬৮ হেক্টৰ মাটিত তামোল খেতি হয় আৰু তাত ৯৪৫০ মেট্ৰিকটন তামোল উৎপাদন হয়। কৰিমগঞ্জত ২৩৪৭ হেক্টৰ মাটিত ২৪৯৪ মেট্ৰিকটন তামোল উৎপাদন হয়। কাছাৰত ৪৩৫৩ হেক্টৰ মাটিত তাত ৯০০০ মেট্ৰিকটন তামোল উৎপাদন হয়। ঠিক এনেকৈ আমাৰ অসমৰ কৃষকসকলে তামোল খেতি কৰে। ২০১১ চনৰ চেনচাচ মতে অসমত ৭০ লাখ পৰিয়াল কৃষক।. অৰ্থাৎ ৬৮% মানুহেই কৃষিৰ লগত জড়িত। গতিকে অসম হৈছে কৃষি নিৰ্ভৰশীল ৰাজ্য। কৃষিজাত সামগ্ৰীৰ লগত অসমৰ সাংস্কৃতিক আৰু পৰম্পৰাগত জীৱনৰ অপৰিহাৰ্য্য সম্পদেই হৈছে তামোল। অতিথি আপ্যায়ন, সন্মান বা কিবা ৰাজহুৱা দায়-দোষত যদি ক্ষমা বিচাৰিব লগীয়া হয় তেতিয়া এই পাণ-তামোলৰ শৰাই আগবঢ়াই ক্ষমা বিচৰা হয়। গতিকে তামোলৰ মান অতি উন্নত। আহোমৰ যুগত সপ্তদশ শতিকাত অসম ভ্ৰমণ কৰা চিহাবুদ্দিন তালিছে লিখা বিৱৰণীত অসমৰ প্ৰতিঘৰ মানুহৰ ঘৰে-ঘৰে শাৰী-শাৰী তামোলৰ গছ আছে। অসমৰ প্ৰতিজন মানুহেই নিজৰ ঘৰত তামোলৰ গছ ৰুৱে আৰু এই তামোল কেৱল খাবৰ বাবেই নহয়, এই তামোল বিক্ৰী কৰি নিজৰ ল'ৰা-ছোৱালীৰ পঢ়া-শুনা, ঘৰুৱা বজাৰ-পাতিৰ লগতে প্ৰয়োজনীয় বস্তু-বাহিনীৰ খৰচ উলিয়ায়। তামোল কেৱল উদ্যান শস্যই নহয় ইয়াৰ দ্বাৰা অসমত ব্যাপক হাৰত কুটীৰ আৰু গ্ৰাম্য উদ্যোগ গঢ়ি উঠিছে। তামোলৰ ব্যৱহাৰ হৈছে বহুমুখী। তামোলক কেন্দ্ৰ কৰি নামনি, মধ্য অসম আৰু বৰাক উপত্যকাত হাজাৰ-হাজাৰ ঘৰুৱা উদ্যোগ গঢ় লৈ উঠিছে আৰু এই উদ্যোগসমূহত গাঁৱৰ একেবাৰে দৰিদ্ৰ লোকসকলে গৈ কাম কৰে। এটা এটা উদ্যোগ বা factory ত ১০০ ৰপৰা ৫০০ মানুহে প্ৰত্যেক দিনাই কাম কৰে। তেওঁলোকে বছৰত পাঁচৰ পৰা ছমাহ কাম কৰিব পাৰে আৰু বাকী সময়খিনি ঘৰত থাকিব লগীয়া হয়। তেওঁলোকে পাঁচৰ পৰা ছমাহ কাম কৰা এই উদ্যোগসমূহ পঞ্জীয়নভুক্ত নহয় আৰু পঞ্জীয়নভুক্ত নোহোৱাৰ কাৰণে অসংৰক্ষিত শ্ৰমিকৰ সেৱাৰ পৰা তেওঁলোক বঞ্চিত হৈ আছে। গতিকে এই উদ্যোগসমূহ পঞ্জীয়নভুক্ত কৰি যিসকল শ্ৰমিকে কাম কৰে সেই শ্ৰমিকসকলক অসংৰক্ষিত শ্ৰমিকৰ মৰ্য্যদা দি চৰকাৰে দিয়া ৰাজসাহাৰ্য্য বা আন আন সুবিধাবোৰ তেওঁলোকক প্ৰদান কৰিব লাগে । কোনো ধৰণৰ মাচুল নোহোৱাকৈ এই উদ্যোগসমূহ পঞ্জীয়ন কৰি এই শ্ৰমিক সকলক অসংৰক্ষিত শ্ৰমিকৰ মৰ্য্যদা দিব লাগে। The Assam Agricultural Product Market Act, 1972 অনুসৰি তালিকাভুক্ত কৃষিত তামোল আৰু ছুপাৰি সাঙুৰি এইক্ষেত্ৰত পাইকাৰীৰ বিপৰীতে প্ৰযোজ্য উপকৰ বন্ধ কৰি থোৱা হৈছে। এইটো The Assam Agricultural Product Market Act, 1972 মতে তাত টেক্স ল'ব নোৱাৰে seize টোহে ল'ব পাৰে। কিন্তু বৰ্তমান দেখা গৈছে GST, AGST ৰ উপৰিও পিছ দুৱাৰেদি প্ৰতি কিলো ছুপাৰিত ৩২ টকাকৈ দিব লাগে। অৰ্থাৎ ১ কিলো ছুপাৰি বিক্ৰী কৰিবলৈ যাওঁতে ৫৪ টকা ভৰিব লগীয়া হয় আৰু এই খৰছৰ বোজাটো বহন কৰে আমাৰ মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগসমূহে। যাৰফলত তামোলৰ যিটো মূল্য খেতিয়কে পাব লাগে সেই মূল্যটো নাপায়। তদুপৰি তাত এটা ডাঙৰ ছিণ্ডিকেট চলি আছে যিটো বন্ধ হ'ব লাগে। গতিকে তামোল আৰু ছুপাৰিৰ

পৰা GST প্ৰত্যহাৰ কৰিব লাগে, ছিণ্ডিকেট সমূহ উৎখাত কৰিব লাগে, বিদেশী ছুপাৰিৰ নামত স্থানীয় কৃষকসকলৰ ওপৰত হাৰাশাস্তি বন্ধ কৰিব লাগে, স্থানীয় উদ্যোগসমূহত বিনা মাচুলে পঞ্জীয়ন কৰি ৰাজসাহাৰ্য্য প্ৰদান কৰিব লাগে আৰু স্থানীয় উদ্যোগসমূহত কৰ্মৰত শ্ৰমিকসকলক তালিকা পঞ্জীয়ন কৰি অসংৰক্ষিত শ্ৰমিক হিচাপে সুবিধা চৰকাৰে প্ৰদান কৰিব লাগে। গতিকে এইখিনি ন্যায় দিবৰ বাবে মই অনুৰোধ জনাইছো।

মাননীয় উপাধ্যক্ষ ঃ Hon'ble Minister.

শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদি ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক নুৰুল হুদা ডাঙৰীয়াই কৃষি নিৰ্ভৰশীল অসমৰ সাংস্কৃতিক পৰম্পৰাগত জীৱনত তামোলৰ যি অপৰিহাৰ্য্যতা সেই বিষয়ে উল্লেখ কৰি সম্প্ৰতি অসমত তামোলৰ মূল্য অৱনমিত হোৱাৰ ফলত তামোল উৎপাদকসকল ক্ষতিগ্ৰস্ত হোৱা বুলি উল্লেখ কৰিছে আৰু তেখেতে কেইটামান পৰামৰ্শ দিছে। তেখেতে ছিণ্ডিকেট শব্দটো ব্যৱহাৰ কৰিছে যদিও আমি ছিণ্ডিকেট সম্পৰ্কে অৱগত নহয় আৰু ছিণ্ডিকেটক চৰকাৰে কেতিয়াও ৰক্ষণা-বেক্ষণ দিয়া নাই।...

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তদন্ত কৰক। তদন্ত কৰিলে জোলোঙাৰ মেকুৰী ওলাই পৰিব।

শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদি ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিশেষভাৱে গ্ৰাম্য জীৱন আৰু পৰম্পৰাৰ সৈতে তামোলৰ সম্পৰ্ক অতি গভীৰ বুলি হুদা ডাঙৰীয়াই উল্লেখ কৰিছে। তামোল আমাৰ কাৰণে কেৱল কৃষিজাত সামগ্ৰীয়েই নহয় ই অসমীয়াৰ জীৱনধাৰাৰো এক গুৰুত্বপূৰ্ণ অংশ। অতিথি আপ্যায়নৰ পৰা আৰম্ভ কৰি বিবাহ, পূজা-পাৰ্বণ, সামাজিক অনুষ্ঠান সকলোতে তামোলৰ ব্যৱহাৰ এক অবিচ্ছেদ্য পৰম্পৰা। ইয়াৰ উপৰিও পৰম্পৰাগত ভাৱে তামোলৰ খেতি ৰাজ্যখনৰ বহু লোকে কৰে আৰু বহু লোকৰ বাবে জীৱিকাৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ আধাৰ যি সমান্তৰাল ভাৱে ৰাজ্যখনৰ কৃষিভিত্তিক অৰ্থনীতিতো উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। কেৱল কেঁচা তামোলেই নহয় অসমত ছুপাৰি উদ্যোগ, পেকেজিং, পৰিৱহণ আদিৰ দৰে তামোলৰ সৈতে জড়িত বহুতো উপ-উদ্যোগো ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠিছে। অসমৰ নগাঁও, কৰিমগঞ্জ (শ্ৰীভূমি), হাইলাকান্দি, কাছাৰৰ লগতে অসমৰ গ্ৰাম্যাঞ্চলৰ প্ৰতিঘৰ মানুহৰ ঘৰত তামোলৰ গছ আছে। এইবোৰে কেৱল কৃষি ক্ষেত্ৰতেই নহয় গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰতো এক বিশেষ গতি প্ৰদান কৰি আহিছে। ৰাজ্যখনত তামোলৰ মূল্য হ্ৰাস পোৱাৰ ফলত আমাৰ তামোল উৎপাদকসকল অৰ্থনৈতিকভাৱে ক্ষতিগ্ৰস্ত হোৱা বুলি বিধায়ক গৰাকীয়ে প্ৰকাশ কৰিছিল। গতিকে তেখেতক আমি আশ্বস্ত কৰি সন্মানীয় সদনত ক'ব বিচাৰো যে অসমেই নহয়, পশ্চিম বংগ, মেঘালয়কে ধৰি তামোল উৎপাদনৰ ক্ষেত্ৰত যিবোৰ অগ্ৰণী ৰাজ্য আছে সেই অগ্ৰণী ৰাজ্যসমূহত তামোলৰ মূল্য বিগত সময়ছোৱাত প্ৰায় স্থিৰ হৈ আছে। যদিহে আমি যোৱা কেইটামান বছৰত অসমৰ তামোলৰ কৃষিভূমি আৰু উৎপাদনৰ পৰিসংখ্যালৈ মন কৰো তেতিয়াহ'লে দেখিবলৈ পাম যে এই সময়ছোৱাত ৰাজ্যখনত তামোলৰ কৃষিভূমিৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাইছে। অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ তথ্য অনুসৰি ২০২০-২১ বৰ্ষত অসমত ৬৭ হাজাৰ ৫৩ হেক্টৰ মাটিত তামোলৰ খেতি কৰা হৈছিল। ইয়াৰ বিপৰীতে ২০২৪-২৫ বৰ্ষত অসমত তামোল খেতি কৰা কৃষিভূমিৰ পৰিমাণ ৬৯,৩৭৪ হেক্টৰলৈ বৃদ্ধি পাইছে। ২০২০-২১ বৰ্ষত অসমত উৎপাদন হোৱা তামোলৰ পৰিমাণ আছিল ৪৬,৯৭৪ মেট্ৰিক টন। কিন্তু ইয়াৰ বিপৰীতে ২০২৪-২৫ বৰ্ষত অসমত উৎপাদন হোৱা তামোলৰ পৰিমাণ আছিল ৫৫,৪৮০ মেট্ৰিক টন। যদিহে অসমত তামোলৰ খেতি লাভজনক

নহ'ল হেতেন তেনেহ'লে কৃষিভূমিৰ পৰিমাণ আৰু উৎপাদন নিশ্চয় এনেদৰে বৃদ্ধি নাপালে হেতেন। অসমত তামোল খেতিৰ উন্নত জাত উদ্ভাৱন আৰু সম্প্ৰসাৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ Central Plantation Crops Research Institute নামৰ সংস্থাটোৱে কাম কৰি আছে আৰু গুৱাহাটীৰ নিকটৱৰ্ত্তী কাঁহিকুছিত থকা সংস্থাটোৱে ইতিমধ্যে অসমৰ বাবে উপযোগী আৰু অধিক উৎপাদন দিয়া বহু কেইটা তামোলৰ নতুন জাত কৃষকৰ কাৰণে মুকলি কৰি দিছে।. তেনেদৰে অসম কৃষি বিশ্ববিদ্যালয়ত থকা উদ্যান গৱেষণা কেন্দ্ৰই ও All India Coordinated Research project ৰ দিনতো মান সম্পূৰ্ণ তামোলৰ পুলিৰ উদ্ভাৱনৰ কামত জড়িত হৈ আছে আৰু এই গৱেষণা কেন্দ্ৰটোত ৰাজ্য খনৰ বিভিন্ন অঞ্চলৰ কৃষকৰ মাজত তামোলৰ এই quality planting material সমূহ বিতৰণ কৰাৰ উপৰি অৰুণাচলকে ধৰি বিভিন্ন চুবুৰীয়া ৰাজ্যলৈ প্ৰেৰণ কৰিছে। কৃষকৰ মাজত উন্নত মানৰ তামোল পুলি অসম কৃষি বিশ্ববিদ্যালয়ে যোৰহাট চৌহদ আৰু কৃষি বিশ্ববিদ্যালয়ৰ তিনিচুকীয়াত থকা মাগুলিক কৃষি গৱেষণা কেন্দ্ৰটোৰ পৰাও বিতৰণ কৰি থকা হৈছে। আমাৰ কৃষকে তামোলৰ এনেধৰণৰ উচ্চমান বিশিষ্ট পুলি লাভ কৰাৰ ফলত উৎপাদনো আগতকৈ বৃদ্ধি পাইছে আৰু অলপ আগতে অৱগত হৈছো যে উৎপাদন বৃদ্ধিৰ যি পৰিসংখ্যা উল্লেখ কৰিছো সেয়া এনেধৰণৰ প্ৰয়াসৰ বাবেই সম্ভৱ হৈছে। গুণগত মানেৰে উন্নত হোৱাৰ ফলত আমাৰ তামোল আজি বিহাৰ, উত্তৰ প্ৰদেশ আদি চুপাৰী উদ্যোগলৈ ৰপ্তানি হৈছে। ইয়াৰ ফলত আমাৰ কৃষক অৰ্থনৈতিকভাৱে লাভান্বিত হৈছে। মাননীয় উপাধ্যক্ষ মহোদয় সন্মানীয় সদনক আমি এই কথা জনাব বিচাৰো যে বিধায়ক নুৰুল হুদা ডাঙৰীয়াই উল্লেখ কৰাৰ দৰে অসমৰ তামোলৰ মূল্য হ্ৰাস পোৱা নাই, উৰ্ধগামী হৈছে। কৃষি বিভাগে লাভ কৰা তথ্য অনুসৰি কালি অৰ্থাৎ ১৬ ফেব্ৰুৱাৰী ২০২৬ তাৰিখলৈকে মেঘালয়ৰ শ্বিলং বজাৰত এক পোণ তামোলৰ মূল্য আছিল ৪০০ টকা। মেঘালয়ৰ ডাউকী বজাৰত প্ৰতি পোণ তামোলৰ মূল্য আছিল ৩৫০ টকা আৰু নংপু বজাৰত আছিল ৩০০ টকা যোৱাকালি। ইয়াৰ বিপৰীতে অসমৰ কাছাৰ জিলাতো প্ৰতি পোণ তামোলৰ মূল্য আছিল ৩০০ টকা। একে ধৰণৰ মূল্য অসমৰ বিভিন্ন জিলাৰ বজাৰৰ লগতে উত্তৰ বংগৰ বিভিন্ন বজাৰতো চলি আছে। উপাধ্যক্ষ মহোদয়, সন্মানীয় সদনত এই কথাও উল্লেখ কৰিব বিচাৰো যে যদিও কৃষকে ব্যক্তিগত ভাৱে ব্যৱসায়িক ভিত্তিত............ হুলস্থুল..........

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** ছাৰ, চুবুৰীয়া ৰাজ্যত যিহেতু চুপাৰীত GST নাই, আমাৰ ইয়াতো GST টো প্ৰত্যাহাৰ কৰি দিব লাগে।

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী ঃ** উত্তৰটো সম্পূৰ্ণ কৰি দিয়ক। অসম চৰকাৰৰ উদ্যান শস্য সঞ্চালকালয়ে কিছুমান আঁচনি ৰূপায়ণ কৰি আছে আৰু সঞ্চালকালয়ে ৰূপায়ণ কৰি থকা কেন্দ্ৰীয় চৰকাৰৰ আঁচনি সমূহতো বৰ্তমানো তামোল খেতিক অন্তৰ্ভুক্ত কৰা নাই। তামোলক বৰ বেছি encourage ভাৰত চৰকাৰেও কৰা নাই। ইয়াৰ মূল কাৰণ কেইবাটাও। বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা তথ্য অনুসৰি তামোল হৈছে Group-1 শ্ৰেণীত অন্তৰ্গত মুখ মণ্ডলৰ কৰ্কট ৰোগৰ কাৰক। সেয়েহে আমাৰ সু-স্বাস্থ্যৰ বাবে ই ভাবুকি স্বৰূপ হৈ পৰে। দ্বিতীয়তে সৰ্ব্বোচ্চ ন্যায়ালয়ত এতিয়াও বিচাৰাধীন হৈ থকা গুটকা সম্পৰ্কীয় এই গোচৰটো চলি আছে। তামোল খেতি সম্প্ৰসাৰণৰ কাৰণে বহণক্ষম পৰিবেশৰ ওপৰতো ঋণাত্মক প্ৰভাৱ পেলাব পাৰে বুলি কৃষি বিজ্ঞানী সকলে প্ৰকাশ কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয় এই কথা আমি সকলোৱে প্ৰত্যক্ষ কৰিছো যে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত বিগত সময়ছোৱাত অসমৰ কৃষি আৰু সহযোগী খণ্ড সমূহত এনে ৰূপান্তৰ যাত্ৰা আৰম্ভ হৈছে। দেশৰ উন্নত ৫ খন অগ্ৰণী ৰাজ্যৰ ভিতৰত অসমৰ স্থান নিশ্চিত

কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাজ্যখনত কৃষি আৰু আনুসংগিক খণ্ড সমূহৰ বিকাশ অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিছে আৰু ইয়াৰ ফলস্বৰূপে আজি অসমৰ যুৱ-শক্তিয়ে এই খণ্ড সমূহৰ লগত জড়িত হৈ এই খণ্ড সমূহৰ মাজেৰে নিজৰ জীৱন আৰু জীৱিকাৰ সন্ধান কৰিবলৈ আগবাঢ়ি আহিছে। আজি অসমৰ শিক্ষিত নৱ প্ৰজন্মৰ মাজত কৃষি ক্ষেত্ৰৰ জৰিয়তে আত্মনিৰ্ভৰ হোৱাৰ যি এক কৰ্ম চাঞ্চল্যৰ সৃষ্টি হৈছে, যি এক উদ্দীপনাৰ সৃষ্টি হৈছে সেয়া আমাৰ ৰাজ্যখনৰ বাবে নিশ্চিতভাৱে উল্লেখযোগ্য ইতিবাচক বাৰ্তা। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ চিন্তাৰ আঁত ধৰিয়েই কৃষি বিভাগে অন্যান্য কৃষি ভূমিৰ লগতে তামোল বাগিছা আৰু বাণিজ্যিকভাৱে লাভজনক যেনে- আদা, হালধী, জালুক, নেমু টেঙা আদিৰ দৰে শস্যক কেন্দ্ৰ কৰি নিশ্চিত খেতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ ফলত আমাৰ কৃষক সকল অৰ্থনৈতিকভাৱে লাভান্বিত হোৱা পৰিলক্ষিত হৈছে। আনহাতে অসমত তামোলৰ উৎপাদন আৰু ব্যৱসায়িক সম্প্ৰসাৰণৰ বাবে বিভাগে এখন standard operating procedure প্ৰস্তুত কৰাৰ বাবেও উদ্যোগ লৈছে। শেষত আশা ৰাখিছো যে আমি উল্লেখ কৰা ওপৰোক্ত তথ্য সমূহে আমাৰ সন্মানীয় বিধায়ক নুৰুল হুদা ডাঙৰীয়াৰ তামোলৰ মূল্য হ্ৰাস পোৱা বুলি সৃষ্টি হোৱা মনৰ উদ্বেগ দূৰ কৰিবলৈ সক্ষম হ'ব আৰু এই কুইন্টল হিচাপৰ যিটো কথা কৈছে, যোৱাকালি আমি পোণ হিচাপেও হিচাপ কৰি লৈছো , পোণত ৮০ টা থাকে। কুইন্টল হিচাপেও যদি তেনেকৈ হিচাপ কৰা যায় প্ৰায় একেধৰণে পোৱা বুলি মোক আমাৰ বিভাগৰ বিষয়াসকলে জনাইছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। Cancer prevent কৰিবলৈ হ'লে তামোলৰ উৎপাদনত discourage কৰিব লাগিব।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** উপাধ্যক্ষ মহোদয়, তামোলত GST টো প্ৰত্যাহাৰ কৰিব নে নাই সেই কথাটো কোৱা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি কথাটো বুজি নাপালে। মন্ত্ৰীয়ে ধুনীয়াকৈ বুজাই দিলে। তেখেতে কৈছে যে মুখ মণ্ডলৰ কেন্সাৰ হয়। গতিকে ইয়াত GST ৰেহাইৰ কথা আহি নপৰে। We have to discourage it.

এতিয়া কাৰ্য্যসূচী নং ৪ (৩০১) সন্মানীয় বিধায়ক দিপ্লু ৰঞ্জন শৰ্মা।

**শ্ৰী দিপ্লুৰঞ্জন শৰ্মা, (চামগুৰি) ঃ** ধন্যবাদ উপাধ্যক্ষ মহোদয়। মই Rule 301 ৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ ওচৰত প্ৰাৰ্থনা জনাব বিচাৰিছো যে inclusion of supplimentary syllabus related to ancient and modern heros of Assam for class 8 to 10. আমি জানো যে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত এটা vision যি National Education Policy, ২০২০ চনত গ্ৰহণ কৰা হৈছিল। শিক্ষাৰ স্বদেশীকৰণ আৰু শিক্ষাৰ জাতীয়কৰণ ইয়াৰ এটা মূল অন্তৰ্নিহিত উদ্দেশ্য আছিল। National Education Policy ত যি section-iv, এই section-iv ত ৪.২৭ ত যিটো উল্লেখ আছে যে knowledge of India আৰু section ৪.২০ ত Institutional value and national pride খুব গুৰুত্বপূৰ্ণ বিষয় to regional fighters, Tribal leaders and local revolutionaries, who are forgotten heroes. আমি জানো যে আমাৰ যি শিক্ষা ব্যৱস্থা আছিল এই শিক্ষা ব্যৱস্থাক বহুতে এটা বেলেগ উদ্দেশ্যত লৈ যাবলৈ চেষ্টা কৰিছিল। মহাত্মা গান্ধীয়ে ১৯৩১ চনত লণ্ডনত যেতিয়া ভাষণ দিছিল, তেখেতে ক্ষোভ প্ৰকাশ কৰি কৈছিল যে Macaulay ১৯৮৮ চনত যি শিক্ষা নীতি প্ৰৱৰ্তন কৰিছিল আমি খুব গুৰুত্বপূৰ্ণ ভাৱে যদি

অতীতলৈ চাওঁ তেনেহ'লে আমি দেখিম যে ১৯৩১ চনত মহাত্মা গান্ধীয়ে কৈছিল যে today India is more illiterate, than it was 50 years or 100 years ago. আমি বহুতে কওঁ যে ব্ৰিটিছে ইংৰাজী শিক্ষা নীতি প্ৰৱৰ্তন কৰিলে। কিন্তু ইয়াৰ জৰিয়তে আমাক এনেকুৱা দেখাব বিচৰা হৈছিল যে ভাৰতীয় সংস্কৃতিৰ কোনো value নাছিল। ১৯৪৭ চনৰ পিছত যি শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল ভাৰতৰ শিক্ষা পশ্চিমীয়াকৰণ কৰা হৈছিল। আমাক এনেকুৱা দেখুওৱা হৈছিল যে ভাৰতীয় শিক্ষা সংস্কৃতিৰ কোনো Value নাছিল। ১৯৪৭ চনত যি শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। ভাৰতৰ শিক্ষাৰ Procedure কৰন কৰা হৈছিল। সন্মানীয় উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই ক'ব বিচাৰিছিলো যে বৃষ্টিছ পাৰ্লিয়ামেণ্টতMaclay কি কৈছিল।Macহোদlay কৈছিল যে I propose that we replace has old and ancient education.ভাৰতৰ system. আৰু Culture for in the indian things that all that is Foreign and English is good and grater than their old. আমাতকৈ বেছি ডাঙৰ মহান দেখুৱাব চাইছিল। They will lost their Self estime. they are native self culture, and they will leecame what we want than a truly dominated patient. ১৯৭১চনত যেতিয়া চৈয়দ নুৰুল হাচানক Coomplcte শিক্ষাৰ তেখেতক শিক্ষা মন্ত্ৰী পতা হৈছিল সেই সময়তো আমাৰ ভাৰতীয় সংস্কৃতিৰ যিটো মহানতা আচিল তাক বিক্ষিপ্ত কৰিবৰ বাবে চেষ্টা কৰা হৈছিল। মই এটা ব্যক্তিগত সৰু অভিজ্ঞতা ক'ব বিচাৰিছো। মই ১৯৯২ চনত মেট্ৰিক পৰীক্ষা দিছিলো তেতিয়া Social Media নাছিল Cabel T.V ও নাছিলে সেই সময়ত যিবোৰ ল'ৰা - ছোৱালীয়ে ষ্টেণ্ট কৰিছিল, আমিতো কৰিব। পৰা নাছিলো, তেওঁলোকক ষ্টেণ কৰাৰ পিছত T.V ত যেতিয়া সুধিছিলে, তেওঁলোকে নিজৰ নিজৰ খুব গুৰুত্বৰ্পূন কথাবোৰ কোৱাৰ ওপৰিও তেখেতক যেতিয়া মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৰ, Most probably, 4 নং ষ্টেণ্ট কৰিছিল অসমৰ ভিতৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৰৰ বিষয়ে সুধিছিল, "ক'ৰত'ল কমল, কমল ত'ল নয়ন" তাৰ বিষয়ে সুধিছিল, খুব সুন্দৰ ভাৱে উত্তৰ দিছিল। কিন্তু মই সেই একেটা বস্তুকে ২০১৫ চনত ষ্টেণ্ট কৰাৰ ল'ৰাক দেখিলো তেওঁলোকে আজিৰ দিনত বুদ্ধিমত্তাত আমাতকৈ বহুত ওপৰত। কিন্তু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৰৰ সৃষ্টি ৰাজিৰ বিষয়ে তেওঁলোকে নাজানিছিলে। মই লক্ষ্য মনুসত্য নামৰ কিতাপত স্বৰ্গীয় হোমেন বৰগোহাঁই চাৰৰ, এটা খব সুন্দৰ লেখনী পঢ়িছিলো। তাত তেখেতে এটা উদ্ধৃতি দি কৈছে যে আধুনিক সভ্যতাই যিসকল মানুহ সৃষ্টি কৰিছে, তেওঁলোক Intellectual sient but Moral dropped. সেইকাৰণে মাননীয় শিক্ষামন্ত্ৰী মহোদয় আছে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত অসমে আজি সকলো ক্ষেত্ৰতে ৰূপান্তৰৰ এটা নতুন দিগন্ত দেখিবলৈ সক্ষম হৈছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চাৰিশ বছৰীয়া জন্মজয়ন্ত্ৰী লাচিত বৰ ফুকনৰ কৰি। লাচিত বৰফুকনক যেনেদৰে আন্তঃৰাষ্ট্ৰীয় স্তৰত স্থাপন কৰিলে, ঠিক এনেদৰে মাননীয় উপাধ্যক্ষ মহোদয় আমি সকলোৱে জানো যে মহাৰজা পৃথোৱে কাক পৰাস্ত কৰিছিল। বক্তিয়াৰ খিলিজিক, যি বক্তিয়াৰ খিলজীয়ে নালন্দা বিশ্ববিদ্যালয় ধ্বংস কৰি আহিছিল, বিক্ৰমশীলা বিশ্ববিদ্যালয় ধ্বংস কৰি বিহাৰ কংকোৱাৰ কৰি পেলাই North east দখল কৰি পেলাই বাৰ্মা লৈকে এটা Islamization কৰিবলৈ চাইছিল। আমাৰ অসমৰ প্ৰথম জন ৰজা পৃথোৱে সেই বক্তিয়াৰ খিলিজিক পৰাস্ত কৰি পেলাই গোটেই এই বেল্টটোক Islamization ৰ পৰা ৰক্ষা কৰিছিল। কিন্তু , আমি মহামতি আকবৰৰ বিষয়ে শিকোৱা হ'ল, শিকিব লাগে ভাল কথা। মহাৰাজা পৃথোৰ বিষয়ে কিয় শিকোৱা নহ'ল। কিয় লাচিত বৰফুকন

The Grateৰ বিষয়ে তেতিয়া কোৱা কথা নহ'ল। অথাৎ মেকলে যিটো শিক্ষানীতি আছিল সেইখিনিৰ জৰিয়তে আমাক আবদমিত কৰি ৰাখিবলৈ চেষ্টা কৰা হ'ল। সেইকাৰণে মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়া আছে, যিজনে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত, আৰু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ যি শিক্ষা ব্যৱস্থা, এই শিক্ষা ব্যৱস্থা স্বদেশীকৰণ কৰিবলৈ আৰম্ভ কৰিছে। সেইকাৰণে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাব বিচাৰিছো যে অন্তত Class-Viii ৰ পৰা বহুত বেছি প্ৰেচাৰ নিদি পেলাই এক Supplimentary এটা Course আমাৰ Student সকলক দিব লাগে। আমি সম্বোন্ধন সংৰক্ষন জানিব লাগে। আমি সংসমৃন্তিক কোন জানিব লাগে। আমি গুৰুদেৱ কালিচৰন বহ্মাই তলত সেই সময়ত unity Diversity কেনেকৈ দেখুৱাইছিল, আমি জানিব লাগে। ১৯২৯ চনত চাইমন কমিচন আহোতে কেনেদৰে সেই সময়ত বড়ো deligates সকলে বৃহত্তৰ অসমৰ এটা পৰিকল্পনা কৰিছিল, সেইখিনি কথা আমি জানিব লাগে আৰু আমি তেতিয়া আমাৰ যুব প্ৰজন্মক আমাৰ যিটো অতীত, সেই অতীতৰ ঋগবেদৰ পৰা আৰম্ভ কৰি পেলাই বন্দে মাতৰম, লৈকে আমাৰ যি সংস্কৃতি, আমাৰ যি Local forgotten hero's তেওঁলোকৰ বিষয়ে যদি আমি জনাব পাৰো, মই ভাৰো তেওঁলোকৰ কৃত্ৰিম বুদ্ধি মত্তা আমাতকৈ বহুত ওপৰত আজিৰ দিনত উপাধ্যক্ষ মহোদয় আমাৰ শৈশবটো খুব Risk আছিল। গতিকে মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যে আমাৰ যি সকল forgotten hero's আছিল যি সকল আমাৰ স্বাধীনতা সংগ্ৰামী আছিল, পিয়লি ফুকন, মনিৰাম দেৱান পাৰ, ইউ টিলকচিংৰ পৰা আৰম্ভ কৰি এই সকল স্বাধীনতা সংগ্ৰামীক প্ৰয়োজন হ'লে পৰমবীৰ চক্ৰ যিসকলে পাইছিল, তেওঁলোকৰ বিষয়ে যদি আমি Supplementary একো একোটা দি পেলাই আমাৰ ল'ৰা- ছোৱালী সকলক, আমাৰ young Generation ক যদি আমি তেওঁলোকক এতিয়াৰ পৰা cmpower কৰিব পাৰো, মই ভাৰো অনাগত সময়ত এটা National character ৰাষ্ট্ৰীয় চৰিত্ৰ বনোৱা ক্ষেত্ৰত আমি লাভান্বিত হ'ব পাৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** Thank You. Class Viii to Xi টো syllabus ত আমাৰ মহাপুৰুষ আৰু বীৰ বিৰাংগনা সকলৰ বিষয়ে অন্তঃভূক্ত কৰিব লাগে বুলি অনুৰোধ। Hon'ble Education Minister.

**ডাঃ ৰণোজ পেগু,(শিক্ষা মন্ত্ৰী ইত্যাদি)ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমি যেতিয়া ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ গ্ৰহণ কৰিলো আৰু ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত National curriculum framework for School education গ্ৰহন কৰা হ'ল।গতিকে মেকলে formula ত তাক সম্পূৰ্ন ৰূপে শিক্ষা নীতি ব্যৱস্থা ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দ্বাৰা কৰা হৈছে। য'ত স্বদেশৰ ইতিহাস ঐতিহ্য জ্ঞান পৰমপৰা আৰু শিক্ষন পদ্ধতি ইয়াত গুৰুত্ব আৰোপ কৰা হৈছে। আমাৰ ইতিহাস ঐতিহ্য এইখিনি অধ্যয়নৰ কাৰণে যিসমূহ বিদ্যালয় শিক্ষাত বিষয় আছে সেই বিষয় সমূহৰ ভিতৰতে এই ইতিসাহ , ঐতিহ্য, বীৰ বিৰাংগনা সকলৰ কাহিনী ইয়াত প্ৰনালীবদ্ধ ভাৱে অন্তঃভূক্ত কৰা হৈছে। আমাৰ ভাষা বুলি ক'লে যি এটা MIL মাতৃভাষা, তাৰ পিছত সমাজ বিজ্ঞান, ই এটা নিদিষ্ট National curriculum framework ৰ মতে এটা বিষয়। তাৰোপৰি ইতিহাস বুৰঞ্জি আৰু ভূগোলক অসম চৰকাৰৰ সিদ্ধান্ত অনুযায়ী আমি ইয়াক নিদিষ্ট একোটা পাঠ্যপুথি প্ৰদান কৰি তাকো বিদ্যালয়ত শিক্ষা দান কৰাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। মই পবিত্ৰ সদনত আপোনাৰ জৰিয়তে জনাবলৈ পায় সুখী হ'লে যে আমাৰ তৃতীয় শ্ৰেনীৰ কিতাপত ডঃ ভূপেন হাজৰীকা, ৰূপকোৱৰ জ্যোতি প্ৰসাদ আগৰৱালা পাৰ্ব্বতী প্ৰসাদ বৰুৱা, লাচিত

বৰফুকনৰ কথা তাত পাঠ্যক্রমত অন্তঃভূক্ত আছে। চতুৰ্থ শ্ৰেণীত দেশভক্ত তৰুন ৰাম ফুকনৰ বিষয়ে উল্লেখ আছে। পঞ্চম শ্ৰেণীত ডঃ বানী কান্ত কাকতি আৰু অমল প্ৰভা দাসৰ বিষয়ে উল্লেখ আছে। ষষ্ঠ শ্ৰেণীত অতুল চন্দ্ৰ হাজৰীকা, সত্যনাথ বৰা, কেশদা মহন্ত, ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, বীৰুবালা ৰাভা, গগন চন্দ্ৰ অধিকাৰী, লক্ষীনাথ বেজবৰুৱা, ডঃ কিৰনময়ী তামুলী আৰু ডঃ ভূপেন হাজৰীকাৰ বিষয়ে তাত পাঠ আছে। সপ্তম শ্ৰেণীত তুলসী চন্দ্ৰ বৰুৱা, শ্ৰী শ্ৰী মাধৱদেৱ , মহম্মদ চুলেমান খানৰ বিষয়ে তাত পাঠ্যক্ৰম আছে। অষ্টম শ্ৰেনী চন্দ্ৰ কুমাৰ আগৰৱালা, সূৰ্য্যকুমাৰ ভূঞা, জ্যোতি প্ৰসাদ আগৰৱালা , সত্যনাথ বৰা, যতীন্দ্ৰ নাথ দুৱৰা শীলভট্ৰ ভদ্ৰ দিব। আনন্দ চন্দ্ৰ আগৰৱালা। এইটো অসমীয়া ভাষাৰ পাঠ্যক্ৰমত এই ব্যক্তি সকলৰ তেওঁলোকৰ অৱদান, তেওঁলোকৰ জীৱনী বিষয়ে উল্লেখ আছে। আনফালে ME Section ৰ আমাৰ যি সমাজ বিজ্ঞানৰ কিতাপ সেই সমাজ বিজ্ঞানৰ কিতাপত আমাৰ অসমৰ বিভিন্ন বীৰ বিৰাংগনাৰ সকলৰ বিষয়ে তাত উল্লেখ আছে। ভগদত্ত, ভাস্কৰ বৰ্মন আমাৰ চুতীয়া যি সকল ৰজা, বীৰপাল, ৰত্নধ্বজ পাল, আৰু কচাৰী আমাৰ ৰজা সকল, মহামানিক্য, খুনখুৰা, জচোনাৰায়ন, তাম্ৰধ্বজ, কৃষ্ণ চন্দ্ৰ, গোবিন্দ চন্দ্ৰ, কো ৰজা বীৰ চিলাৰায় বিষয়ে আমাৰ সপ্তম শ্ৰেণী পাঠ্যক্ৰমত অন্তঃভূক্ত আছে। অষ্টম শ্ৰেণীৰ পাঠ্যক্ৰমত, গুনঘৰ কোৱৰ, কন্দ্ৰপেছৰ সিংহ, পিয়লী বৰুৱা, মনিৰাম দেৱানৰ বিষয়ে তথ্য অন্তঃভূক্ত কৰা হৈছে। ইয়াৰোপৰি, আমি যেতিয়া ভূগোল বা ইতিহাসতো এখন বিশেষ কিতাপ কৰিলো। তাত ষষ্ঠ শ্ৰেণীত ভগদত্ত, ভীষ্মক বান ভাস্কৰ বৰ্মনৰ দাৰ প্ৰাচীন বীৰ সকলৰ বিষয়ে তথ্য সন্নিবিষ্ট কৰা হৈছে। সপ্তম শ্ৰেণীত চুকাফা নৰ নাৰায়েন , চিলাৰায়, লাচিত বৰফুকন, সতীসাধনী বিষয়ে উল্লেখ কৰা হৈছে। অষ্টম শ্ৰেণীত মনিৰাম দেৱান, পিয়লী বৰুৱাৰ বিষয়ে তথ্য অন্তঃভূক্ত কৰা হৈছে। ইয়াৰোপৰি উপাধ্যক্ষ মহোদয়, নৱম, দশমৰ যি অসমীয়া ভাষা Sect বা পাঠ্যক্ৰম। সেই পাঠ্যক্ৰমৰ দ্ৰুত পাঠ, যাক আমি Rapidreader বুলি কওঁক। Rapidreader এখন তাত অন্তভূক্ত হৈছে যিখন Rapidreader বৈচিত্ৰ্যময় অসম । তাত অসমৰ বিভিন্ন জনগোষ্ঠীয় বীৰ বিৰাংগনা সকলৰ বিষয়ে তাত উল্লেখ আছে। মই আপোনাৰ জৰিয়তে সকলো মাননীয় সদনকে অনুৰোধ জনাম তেওঁলোকেও মাতে বৈচিত্ৰ্য ময় অসম' কিতাপখন চায়। তাত যদি তেওঁলোকৰ কোনো দিহা পৰামৰ্শ থাকে। সেই দিহা পৰামৰ্শ আমি নিশ্চিত ভাৱে গ্ৰহন কৰিম। যদি নিদিষ্ট কোনো বীৰ বিৰাংগনা বা কোনো বুদ্ধিৰ বিষয়ে আমি উল্লেখ কৰিব বিচাৰো আমালৈ পৰামৰ্শ দিলে আমি নিশ্চিত ভাৱে আমি তাক বিবেচনা কৰিম। কিন্তু এই সকলোখিনি কাম National curriculum frame work for school Education তাৰ ভিতৰত কৰিব লাগিব। আমি ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত অত্যাধিক বোজাত আমি সৃষ্টি কৰিব নোৱাৰো। আনহাতেদি তেওঁলোকক নিজৰ স্বদেশ স্বজাতীৰ ইতিসাহ, ঐতিহ্য, বীৰ বিৰাংগনা সমূহ সৰ্ম্পৰ্কে জ্ঞান পৰাম্পৰা সৰ্ম্পূক তেওঁলোকে যি শিক্ষা জ্ঞান বিদ্যালয়ত লাভ কৰিব লাগে, তাৰ পৰাও যাতে তেওঁলোক বঞ্চিত নহয়, এই দুয়োটা দিশ আমি চাম বুলি মই মাননীয় সদস্য দিপ্লু ৰঞ্জন শৰ্মা ডাঙৰীয়াক অৱগত কৰিছো আপোনাৰ জৰিয়তে, ধন্যবাদ।

**শ্ৰী দিপুলু ৰঞ্জন শৰ্মা, (ছামগুৰী)ঃ-** মোৰ এটা বিশেষ অনুৰোধ আছিল যে পৰবৰ্তী সময়ত মহাৰাজ পৃথোৰ ওপৰত মাননীয় উপাধ্যক্ষ মহোদয়, আমি বিশেষভাৱে আমাৰ ছাত্ৰ-ছাত্ৰী বা ৰাইজক জনাবৰ কাৰণে এই ক্ষেত্ৰত যদি আমি অধিক ব্যৱস্থা গ্ৰহণ কৰো, মই ভাৱো আমাৰ এটা পুৰণা ইতিহাস আৰু এটা গৌৰৱময় ইতিহাস আমি সকলোৰে সন্মুখত দাঙি ধৰিবলৈ সক্ষম হ'ম।

**ডঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো গৌৰৱৰ কথা। মই মাননীয় মুখ্যমন্ত্ৰীকো ধন্যবাদ জনাম। ব্ৰহ্মপুত্ৰৰ ওপৰত এখন ডাঙৰ সেঁতু কুমাৰ ভাস্কৰ বাৰ্মাৰ নামত প্ৰাচীন কামৰূপৰ এই সম্ৰাজ্য, এইজনৰ নামত উচ্ছৰ্গা কৰিছে, মুখ্যমন্ত্ৰীক ধন্যবাদ জনাওঁ। গুৱাহাটীত এখন বিশাল fly over মহাৰাজ পৃথুৰ নামত হৈছে, তাৰকাৰণেও মই মুখ্যমন্ত্ৰীক ধন্যবাদ জনাম। পাঠ্যপুঁথিতো এইখিনি উল্লেখ আছে, তাক মই পুনৰ এবাৰ পৰীক্ষা কৰি চাই নিৰ্দ্দিষ্টভাৱে অসমৰ এই ইতিহাসক তাত স্থান দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। আপুনি বৈচিত্ৰময় অসমখন গঢ়িব। তেখেতে suggestion তাৰ পৰা দিব। এইখন books available হয় নে মন্ত্ৰী মহোদয়?

**ডঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** এইখন আমাৰ বিনামূলীয়া পাঠ্যক্ৰম। বিচাৰিলে Book stall তো উপলব্ধ থাকে।

**মাননীয় উপাধ্যক্ষ ঃ** সদস্যসকলে এইখন ক'ত পাব?

**ডঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মই সকলোকে এখন এখন কপি দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** কাইলৈ বা পৰহিৰ ভিতৰত দিয়াৰ ব্যৱস্থা কৰিলে ভাল হ'ব।

**ডঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** ঠিক আছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Vote on Account ৰ ওপৰত হ'ব। মাননীয় বিত্ত মন্ত্ৰী আহি পাইছে। গতিকে সদস্য ৩ গৰাকী আছে ৩০১ ৰ ওপৰত। সময়টো আপোনালোকে অলপ অলপ কমাই যদি কয়, তেতিয়া আমাৰ সুবিধা হ'ব। এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি, (নাজিৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Rule-301 no. অনুসৰি তত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো মাননীয় পশুপালন মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰব বিচাৰিছো। বিষয়টো হ'ল নাজিৰাত এটা গাঁহৰিৰ মাংস প্ৰক্ৰিয়াকৰণ প্ৰকল্প পূৰ্বৰ চৰকাৰৰ দিনতে আৰম্ভ কৰা হৈছিল আৰু এতিয়াও এইটো কিয় কাৰ্য্যক্ষম হৈ উঠা নাই? প্ৰকৃততে যোৱা মাৰ্চ মাহৰ ১২ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই প্ৰকল্পটো উদ্বোধন কৰিলে ২০২৪ চনত আৰু এই প্ৰকল্পটোৰ এই সময়ছোৱাত প্ৰায় ১২ কোটি টকা ব্যয় কৰা হৈছিল কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ অনুদান। ইয়াৰ যোগেদি দৈনিক এটা shift ত ৩০০ গাঁহৰিৰ মাংস সংশোধন কৰাৰ কথা কোৱা হ'ল আৰু শিৱসাগৰ জিলাৰ প্ৰায়খিনিত যোগান ধৰিব পৰা হ'ব বুলিও এটা সেই সময়ত উল্লেখ কৰা হ'ল। লগতে Act East Policy ৰ অধীনত ইয়াত কৰা হ'বলগীয়া process মাংস মেনমাৰ, চায়না, লাওচ, কম্বোদিয়া, ভূটান, ফিলিপিনচ্, ভিয়েটনাম, চিংগাপুৰ আৰু অন্যান্য দেশলৈ ৰপ্তানি কৰা হ'ব বুলি কোৱা হৈছিল। কিন্তু আজি দুবছৰ হৈ গ'ল। এই দুবছৰ

ধৰি factory টো কাৰ্য্যক্ষম হোৱা নাই। ইয়াৰ তদাৰক কৰিবলৈ কোনো বিষয়বৰীয়াও নাই। চৰকাৰৰ পশুপালন বিভাগৰ যিসকল বিষয়া, তেওঁলোকে এই বিষয়ে কো গমেই নাপায়। ইয়াত যিহেতু যথেষ্ঠ পুঁজি ব্যয় কৰা হ'ল , ইয়াৰ জৰিয়তে ১০০ জনৰো অধিকাৰ direct employment হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছিল।

(Hon'ble Member Shri Bhabendra Nath Bharali on the Chair)

সেয়েহে মই ভাৱো এই প্ৰকল্পটোৰ সোনকালে কাম আৰম্ভ কৰিব লাগে যাতে ই কাৰ্য্যক্ষম হৈ উঠে। ইয়াৰ লগতে যিসকল গাঁহৰি পালক তেওঁলোকৰো সুবিধা হয়। কি কাৰণে হৈ উঠা নাই, ইয়াক কৰাৰ সাপেক্ষে এটা 'Special Purpose Vehicle' বিভাগৰ অধীনত গঠন কৰি কামখিনি সোনকালে কৰিব লাগে। এই কথাখিনিকে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**সভাপতি ঃ** এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কৃষেন্দু পাল, (মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ বিৰোধী দলৰ দলপতি তথা নাজিৰা সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰী দেৱব্ৰত শইকীয়া মহোদয়ে অতি গুৰুত্বপূৰ্ণ এটা কথা Rule-301 ৰ জৰিয়তে উত্থাপন কৰিছে। নাজিৰাৰ গাঁহৰি মাংস প্ৰক্ৰিয়াকৰণ প্ৰকল্পটো যোৱা ২২ মাৰ্চ ২০২৪ তাৰিখে উদ্ধোধন কৰা হৈছিল। এই প্ৰকল্পটোৰ উদ্দেশ্য আছিল যে দক্ষিণ-পূৰ এচিয়াৰ বজাৰখন যাতে ইয়াৰ জৰিয়তে ৰপ্তানি কৰা হয়। প্ৰকল্পটো উদ্ধোধনৰ পিছত নিগমে চলাই নিয়াৰ বাবে তথা গাঁহৰি পালক সকলক যাতে এখন বজাৰ দিব পাৰি তাৰ উদ্দেশ্যেই অসম পশুধন আৰু হাঁহ কুকুৰা নিগম আৰু সদৌ অসম গাঁহৰি পালন সন্থাৰ জৰিয়তে প্ৰকল্পটোত উৎপাদনৰ কাম ২০২৪ চনৰ মে' মাহত আৰম্ভ কৰা হৈছিল। ইয়াক স্থানীয় বিক্ৰেতা সকলে সহযোগ নকৰাৰ বাবে ই কাৰ্য্যক্ষম হৈ নুঠিল। তাৰ পাছত শিৱসাগৰ জিলা প্ৰশাসন, পশুপালন আৰু পশুচিকিৎসা বিভাগ, শিৱসাগৰ নাজিৰা পৌৰসভা আৰু স্থানীয় গাঁহৰি মাংস বিক্ৰেতাৰ সৈতে কেইবাবাৰো আলোচনা কৰা হৈছে যদিও প্ৰকল্পটো পাৰ্য্যক্ষম কৰিব পৰা নাই। আনহাতে অসমত ধাৰাবহিক African Swine fever ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধিৰ বাবে দক্ষিণ-পূৰ এচিয়াৰ সকলো দেশেই ভাৰতৰ পৰা গাঁহৰি মাংস ৰপ্তানিৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে যাৰফলত এই প্ৰকল্পটো কাৰ্য্যক্ষম কৰাত বাধাগ্ৰস্ত হৈছে। তাৰোপৰি ৰপ্তানিমুখী গাঁহৰি মাংস সংশোধন প্ৰকল্পৰ নিগমৰ ফালৰ পৰা বহু কেইবাবাৰৰ চুক্তিবদ্ধ অনুষ্ঠা চলোৱাৰ বাবে প্ৰচেষ্টা হাতত লোৱা হৈছে। আজি এই পবিত্ৰ সদনত মই মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়াক আহ্বান কৰিম যাতে এই প্ৰকল্পটো ভালদৰে চলাব পৰা যায় তাৰবাবে তেওঁয়ো যাতে আগবাঢ়ি আহে। আমি ০১-০৮-২০২৫, ১৯-১১-২০২৫, ২০-১২-২০২৫, ২১-০১-২০২৬ আৰু ০৫-০২-২০২৬ তাৰিখে বাতৰি কাকতৰ জৰিয়তে AOI কৰিছো। কিন্তু এতিয়ালৈকে কোনো অনুষ্ঠানে আগবাঢ়ি অহা নাই। সেয়েহে মাননীয় সদস্য গাৰকীক মই অনুৰোধ কৰিছো যে চুক্তিবদ্ধ হিচাপে এই প্ৰকল্পটো যাতে আমি চলাই নিব পাৰো তাৰবাবে আগবাঢ়ি আহিব লাগে। বৰ্তমান African Swine fever ৰ যিহেতু স্থিতি stable হৈছে সেইকাৰণে আমি এতিয়া প্ৰকল্পটো চলোৱাৰ বাবে আমাৰ বি ভাগৰ তৰফৰ পৰা যোৱা কেইদিনমান আগত মিটিং কৰিছো। সেয়েহে মাননীয় সদস্য গৰাকীৰ আমাক সহায় লাগিব আৰু প্ৰকল্পটো পুনাৰাম্ভ কৰাৰ বাবে আমি প্ৰয়াস হাতত লৈছো। ধন্যবাদ।

**সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম(কণিষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম (কণিষ্ঠ) (মানকাচৰ) ঃ** সভাপতি মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো গৃহ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিষয়টো হ'ল-যোৱা ৯ জানুৱাৰী তাৰিখে অসম মেঘালয় সীমাৰ ৰাজাৱালা নামৰ ঠাইত ACHIK নামৰ NGO ৰ group এটা মেঘালয়ৰ পাথৰ কুৱেৰী এটাত inspection লৈ গৈ ঘূৰি আহোঁতে আন এটা মেঘালয়ৰ group ৰ লগত মাৰপিট হয় আৰ আৰু মাৰপিটৰ ফলত ACHIK NGO ৰ volunteer এজন ঢুকায়। বিষয়টো মেঘালয়ৰ আৰু পাৰ্টী দুয়োটা মেঘালয়ৰে। তাৰ পিছৰ পৰা মেঘালয়ৰ West Garo Hill, East Garo Hill, North Garo Hill, Ampati এই জিলাসমূহত non-tribal মানুহৰ entry বন্ধ কৰি দিয়া হয়। Non-tribal বুলি কওঁতে মানকাচৰৰ আৰু মেঘালয়ৰ plain Belt ৰ মানুহখিনিৰ entry বন্ধ কৰি দিয়া হয়। ফলত বিভিন্ন ঠাইত ধমকি,মাৰপিট আৰম্ভ হয়। ইতিমধ্যে আমি immediately ব্যৱস্থা কৰি আমাৰ জিলা প্ৰশাসনৰ জৰিয়তে উদ্ধাৰ কৰিবলৈ আৰু আনিবলৈ সক্ষম হ'লো। এতিয়া problem টো হৈছে যে, এই ঘটনাটো হৈছে ৯ জানুৱাৰীত। আমাৰ যিখিনি মানুহ মেঘায়লয়ত কাম কৰে,বিশেষকৈ যদি আমি লক্ষ্য কৰো, আমাৰ construction labour, coal labour বোৰে তাত কাম কৰে। আমাৰ চুপাৰিৰ business তাত যথেষ্টভাবে বেছিকৈ হয়। কাজাৰো যথেষ্ট business আছে। আমাৰ চবজি, মাছ, শুকান মাছ মেঘায়লয়ত যায়। আমাৰ যিখিনি ব্যৱস্থা আছে গোটেইখিনি মেঘালয়ৰ ওপৰত depend কৰে। শ্ৰমিকখিনি যাব নোৱাৰে, সৰু সৰু businessman সকলেও যাব নোৱাৰে যিহেতু এতিয়া বন্ধ কৰি দিয়া হৈছে আৰু তাৰ পৰা খেদি পঠিয়াই দিয়া হৈছে। যোৱা ৩০ জানুৱাৰীত, আমাৰ ঠাক্ৰামবাড়ি লাকীত মিঞা নামৰ মানুহ এজনক ৰিমৰামপাৰা তুৰাক্পাৰা পৰা মাৰি আহত কৰি পঠিয়াই দিয়া হৈছে। এনেকুৱা ঘটনা নিত্য নৈমিত্তিক চলি আছে। এতিয়া আমাৰ কোনোধৰণ business বা transaction মেঘালয়ৰ লগত হৈ থকা নাই। ইয়াৰ মূল কাৰণটো হ'ল যে, আমাৰ যিখিনি মূল businessman বা labour খিনি যিহেতু তাত যাব নোৱাৰে। এই labour খিনি গুৱাহাটীত আহিলেও problem আৰু তাৰ পৰা এটা চবজিও যদি আহে বৰবিহ হোৱা যেন হয়। এই labour খিনি যদি যোৰহাট বা শিৱসাগৰত যায় তাতে পিঠি বহল কৰি পঠিয়াই দিয়া হয়। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কয় যে, ৰিক্সা ভাড়া ৫ টকা হ'লে ৪ টকা দিবলৈ কয়। Upper Assam ত গ'লে তেখেত সকলক খেদি দিয়া ব্যৱস্থা কৰে। চব ক্ষেত্ৰত পাই থকা গৈছে। মাননীয় মুখ্যমন্ত্ৰীৰ বক্তব্যত instigation কৰি থকা দৈখা হৈছে। মোৰ কথা হৈছে যে, আমাৰ নিজৰ মানুহ খিনিৰ যদি protection নাই তেনেহ'লে মেঘালয়ে কেনেকৈ protection দিব? আজিৰ দিনটোত Peace Committee ৰ জৰিয়তে অকল আমাপাটি জিলাত এটা ঠাইত বিক্ৰী কৰিব দিয়া হৈছে। নহ'লে চবজিখিনি মেঘালয় নগলে নচলে। আমাৰ মানুহে বস্তু খিনি তাত বেছিব নোৱাৰে কিন্তু, বস্তুখিনি তাত যাব পাৰে। আজি গাৰো বজাৰত যাব নোৱাৰে তুৰাত যাব নোৱাৰে । যোৱা কালিও তাত কিছুমান শ্ৰমিকক খেদি পঠোৱা হৈছে। Construction ৰ মানুহে আমাক তাত কাম কৰিবলৈ মাতে, কাম দিম বুলি কয়, কিন্তু কাম দিবলৈ গ'লে কিছুমান ডেকা ল'ৰাই এইটো ব্যৱস্থা কৰে । এই বিষয়টোলৈ মই ইতিমধ্যে DC, SP ক involve কৰিলো, পিছ commitee কৰা হ'ল, try কৰি থকা হৈছে,NGO লগত কথা পাতিলো কিন্তু কোনোধৰণ সমাধান পোৱা নাই। অৱশেষত মই আমাৰ Chief Secretary, Ravi Kota ডাঙৰীয়াক ব্যক্তিগতভাৱে তেখেতৰ chamber

ত লগ কৰিছো আৰু এই issue টো raise কৰিছো যাতে এই issue টো আমি আমাৰ মাজত সমাধান কৰিব পৰা নাই গতিকে Chief Secretary ৰ level ত কথা পাতি সমাধান কৰিব লাগে। আমাৰ দক্ষিণ মানকাছাৰ জিলাৰ পৰা অসমেৰে ওলাই অহা কোনোধৰণ ৰাস্তা নাই। একমাত্র ৰাস্তা আমি মেঘালয়ৰ মাজেদি আহিব লাগিব। তুৰা হৈ গ'লে আমি ১৩০ কিলোমিটাৰ যাব লাগিব আৰু আগিয়া হৈ গ'লে ১২৬ কিলোমিটাৰ মেঘালয়ৰ মাজেদি যাব লাগিব। মেঘালয়ৰ পৰা ওলাই অহাৰ সেই জিলাখনত আমাৰ কোনো ব্যৱস্থা নাই। ২০২১ ৰ পৰা এই কথা বাৰ বাৰ মই কৈ আহিছো। আমি ৫ জন বিধায়কে লিখিও দিছিলো। মুখ্যমন্ত্রীক কেইবাবাৰো সাক্ষাৎ কৰা হৈছিল কিন্তু আজি লৈকে ৰাস্তা নাই আৰু আমি মেঘালয়ৰ ওপৰত dependent. এতিয়া মেঘালয়ে যেনেকে কয় তেনেকে শুনিব লাগে। এই বিষয়টো এটা সময়ত অত্যন্ত গুৰুত্বপূর্ণ আছিল।১০০ জনতকৈ অধিক লোক মেঘালয়ৰ উগ্রপন্থীয়ে kidnap কৰিছিল। আমাৰ তাত abduction, kid-naping, তাত ধন দাবী, এইবোৰ non-stop হৈ আছে। আমি দিশপুৰৰ লাষ্টগেটত আৰু ধুবুৰীতো ধৰ্ণা দিছিলো। সেই সময়ৰ Union Home Minister আমি সুশীল কুমাৰ সিন্দেৰ তাত মিটিং কৰিছিলো এই বিষয়ত পেলায়। আমি পি চিদাম্বৰমৰ লগতো মিটিং কৰিছিলো আমি অমিত শ্বাহৰ লগত মিটিং কৰিছিলো। পিছত Armed Forces (Special Powers) Act, মেঘালয়ত impose কৰি আজিৰ দিনটোত কিদনেপিং আৰু extortion কিছু পৰিমাণে বন্ধ হৈছে। আমাৰ অসমৰ মানুহখিনি যদি অসমতেই কাম কৰিব নোৱাৰে মেঘালয়ত কেনেকৈ পাৰিব। এই বিষয়টো মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিষয়টো ৰাজনৈতিক। আজি এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে। উজনি অসমত যাব নোৱাৰে আমাৰ যথেষ্ট শ্রমিক নামনি অসমৰ আৰু দক্ষিণ শালমৰাৰ লগতে নামনি অসমৰ যথেষ্ট শ্রমিক আজি গুৰগাওঁ, হাৰিয়ানা, দিল্লী, কানপুৰ, গুজৰাট, কেৰেলা, বাংগালোৰ আদি বিভিন্ন ঠাইত আমাৰ শ্রমিক হিচাপে কাম কৰি আছে। যোৱাকালি আমি দেখিছো যে, ৬ মাহত ১৬২ জন শ্রমিক বহিঃৰাজ্যত মৃত্যু হৈছে। এইটো প্ৰমাণ কৰে।

**শ্রী ভবেন্দ্র নাথ ভৰালী, সভাপতি** ঃ চমুকৈ কওক।

**শ্রী আমিনুল ইছলাম (কনিষ্ঠ), (মানকাছাৰ)** ঃ এই যি শ্রমিক বিলাক আছে তাতেও তেখেত সকলৰ নামত বাংলাদেশী বিদেশীৰ নামত হাৰাশাস্তি হৈ আছে। তেখেত সকলৰ কোনো ধৰণৰ ব্যৱস্থা নাই। আমি ৰফিকুল ইছলাম, নিজানুৰ ৰহমান এটা সজাতি দল গৈছিলো গুৰগাওঁলৈ, তাতে গৈ কথা পাতিছিলো আৰু পুলিছৰ অফিচাৰ সকলে কথা পাতিছিলে আমাৰ লগত। তেতিয়া মই SP ক সুধিছিলো আপোনাৰ NRC আছে নেকি, DC ডাঙৰীয়া আপোনাৰ NRC আছে নেকি আমাৰটো NRC নাই। এই শ্রমিক সকলৰ সকলোৰে NRC আছে। তেতিয়া হ'লে তেখেত সকলক কিয় হাৰাশাস্তি দিছে। আমাৰ এই মানুহখিনি মেঘালয়ত যাব নোৱাৰিব, উজনি অসমত যাব নোৱাৰিব, গুৰগাওঁত যাব নোৱাৰিব, কেৰেলাত যাব নোৱাৰিব, দেশৰ ৰাজধানীত যাব নোৱাৰিব। যদি তেখেত সকল ভাৰতীয় নাগৰিক হয় তেতিয়া হ'লে তেখেত সকলৰ নিৰাপত্তাৰ দায়িত্ব কোনে ল'ব? আজি মই এই বিষয়টো মাননীয় মুখ্যমন্ত্রীৰ দৃষ্টিৰ আকৰ্ষণ কৰি তেখেতৰ উচট নিমূলক বক্তব্য বন্ধ কৰি লৈ অনুৰোধ জনাইছো। তেখেতৰ instigation যদি হয় যে, তেখেত সকলক আমি কষ্ট দিমে, এই কথা বিলাক কৈ থাকিলে অকল নিজৰ ৰাজ্যই নহয় আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য যেনে মেঘালয়ৰ আনকি ভাৰতবৰ্ষৰ অন্য ৰাজ্য বিলাকেও এই মানুহখিনিক হাৰাশাস্তি দিয়াৰ সুযোগ এটা পাব। সেই কাৰণে এই বিষয়টো অত্যন্ত গুৰুত্বপূর্ণ আৰু senstive হয়। শ্রমিক

বিলাকৰ নিৰাপত্তা সুনিশ্চিত কৰি তেখেত সকলক যাতে কাম কৰাৰ অধিকাৰ যদি দিয়া হয় কাৰণ তেখেত সকলে কোনো ধন দাবী কৰিব যোৱা নাই। তেখেত সকলে কাম কৰি পৰিশ্ৰম কৰিছে। সৰুসুৰা business কৰিছে। যদি তেখেত সকল বিদেশী হয় চিনাক্ত কৰি পঠিয়াই দিয়ক আমাৰ পৰাও সহায় থাকিব। কিন্তু এই ভাতে মৰা যি পৰিকল্পনা, তেখেত সকলক কৰ্মৰ পৰা আতৰাই ৰখা যিটো পৰিকল্পনা আৰু এইটো যদি polarisation কাৰণে কৰি থকা হয়, এইটো instigation কৰি, আজি Shrinkhal Chaliha ৰ নিচিনা বহুত মানুহ বহুত ভোগ কৰি ওলাই গৈছে। এইটো অসমত এটা অশান্তি সৃষ্টি কৰিব। যুগে যুগে অসমে এইটো ভূগিব লাগিব। এই অসমত কিন্তু আমাৰ ল'ৰা ছোৱালিখিনিক এটা পৰিৱেশ দিব লাগিব। ইয়াৰ বাবে এটা বিশেষ ব্যৱস্থা ল'বৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষন কৰিছো। ধন্যবাদ।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী(সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ মাননীয় সদস্য আমিনুল ইছলাম (কনিষ্ঠ) ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে এই সম্পৰ্কত আমি ক'ব বিচাৰিছো, জিলা আয়ুক্ত দক্ষিণ শালমৰাৰ পৰা পোৱা তথ্য মৰ্মে শেহতীয়াকৈ মেঘালয়ৰ পশ্চিম গাৰো পাহাৰৰ ৰাজাবালা থানাৰ অন্তৰ্গত গোৱালগাওঁ সংঘটিত ঘটনা সন্দৰ্ভত য'ত মেঘালয়ৰ এটা NGO ৰ সদস্যক দিলসেং এং চাংমাক অ-জনজাতি সম্প্ৰদায়ৰ লোকে আক্ৰমণ কৰি হত্যা কৰিছে। এই ক্ষেত্ৰত মেঘালয় জিলা পশ্চিম গাৰো পাহাৰৰ ৰাজাবালা থানাত কেচ নম্বৰ 01/26 ৰ অধীনত গোচৰ ৰুজু কৰা হৈছে আৰু তদন্ত চলি আছে। পশ্চিম গাৰো পাহাৰৰ আৰক্ষী কৰ্তৃপক্ষৰ পৰা পোৱা তথ্য অনুসৰি আজিলৈকে ৮ জন অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। দক্ষিণ শালমৰা মানকাছাৰ জিলাৰ আৰক্ষীয়ে 9/01/2026 তাৰিখৰ পৰা এই বিষয়ত পুখানুপুংখভাবে তীক্ষ্ণ দৃষ্টি ৰাখি আছে। ঘটনাৰ দিনৰে পৰা নিয়মীয়াকৈ VDP আৰু গাওঁ প্ৰধানৰ পৰা কৰ্তব্য সমূহ চলি আছে। তেওঁলোকে নিয়মীয়াকৈ জন সজাগতা আৰু জনসভা অনুষ্ঠিত কৰি আছে। এই ক্ষেত্ৰত SSP দক্ষিণ শালমৰা মানকাচাৰৰ নেতৃত্বত অঞ্চলতটোত অসম আৰু মেঘালয়ৰ সীমান্তত সুৰক্ষা নিশ্চিত কৰাৰ বাবে মেঘালয়ৰ আৰক্ষীৰ সৈতে সকলো OC, IC ৰ পৰ্যায়ত আলোচনা কৰি থকা হৈছে। যি সকল শ্ৰমিক মেঘালয়ৰ পৰা নিৰাপত্তাহীনতাত ভুগিছিল তেওঁলোক উভতি আহিছে আৰু তেওঁলোকক জিলা আৰক্ষীয়ে নিজ নিজ অঞ্চললৈ সুকলমে ঘুৰাই আনিছে। দক্ষিণ শালমাৰা জিলাৰ শল্লিল মিঞাই দাখিল কৰা ৩১-০১-২০২৬ তাৰিখৰ এজেহাৰৰ ভিত্তিত মানকাছাৰ থানাত zero FIR case register কৰি মেঘালয়ৰ

পশ্চিম গাৰোপাহাৰ, তুৰাৰ এছ পি আৰু দক্ষিণ পশ্চিম গাৰো পাহাৰৰ এছ পিৰ সৈতে দক্ষিণ শালমাৰা মানকাচাৰৰ এচ এচ পিৰ দ্বাৰা এছ পি পৰ্য্যায়ত দুখন সভা অনুষ্ঠিত হৈছিল। লগতে ডি আই জি পৰ্য্যায়ত ডি আই জি পি (ডব্লিউ আৰ) আৰু অসমৰ বঙাইগাঁও আৰু মেঘালয়ৰ তুৰাৰ ডি আই জি পি (ডব্লিউ আৰ) ৰ মাজত এখন সভা অনুষ্ঠিত হৈছে। দক্ষিণ শালমাৰাৰ জিলা আয়ুক্ত আৰু অসম মেঘালয়ৰ বিষয়াক লৈ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে হাটশিঙিমাৰীত জিলাখনৰ বিভিন্ন বেচৰকাৰী সংস্থাৰ সৈতে ৰাজহুৱা পৰ্য্যায়ত এখন বৈঠকো অনুষ্ঠিত কৰা হৈছে। মেঘালয়ত তেওঁলোকৰ কাউণ্টাৰ পাৰ্টনাৰসকলৰ সৈতেও বিষয়টোৰ কথা আলোচনা কৰা হৈছে। অঞ্চলটোৰ বিভিন্ন প্ৰান্তত শান্তি বৈঠক আয়োজন কৰা হৈছে। মেঘালয় প্ৰশাসনৰ সৈতে দৈনিক ভিত্তিত আলোচনা চলি আছে। দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ আৰক্ষী আৰু জিলা প্ৰশাসনে এই বিষয়ৰ প্ৰতিটো বিষয় সুক্ষ্মভাৱে পৰ্য্যালোচনা কৰি আছে আৰু আজিলৈকে জিলাখনত শান্তিপূৰ্ণ পৰিস্থিতি অব্যাহত আছে।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ) ঃ** সভাপতি মহোদয়, মই অলপ ক'ব বিচাৰিছো।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, সভাপতি ঃ** এই বিষয়টোৰ ওপৰত এতিয়া আলোচনা নহয়। আপুনি এক মিনিটৰ ভিতৰত শেষ কৰিব।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ) ঃ** সভাপতি মহোদয়, ইয়াৰ আগত ৰুল ৩০১ ত বহুতো কাউণ্টাৰ দিছে। গতিকে মইও কব পাৰিম। কথাটো হৈছে, মেঘালয়ৰ জিলা প্ৰশাসন আৰু পুলিচ প্ৰশাসনে যিখিনি ব্যৱস্থা লৈছে ভাল ব্যৱস্থা লৈছে। তেওঁলোকৰ মাজত আলোচনা চলি আছে গতিকে সকলো সম্ভৱ। ডি আই জি পৰ্য্যায়ত যিখিনি আলোচনা চলি আছে সেইখিনিও সঁচা আৰু আমাৰ peace committee ত যিখিনি চলি আছে সেইখিনিও সঁচা। আমাৰ কথাটো হ'ল, এমাহ পাৰ হৈ গ'ল আমাৰ মানুহ মেঘালয়ত যাবই নোৱাৰে, কাম কৰিব নোৱাৰিব, বস্তু বিক্ৰী কৰিব নোৱাৰিব।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী , সভাপতি ঃ** এই বিষয়ত ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা লব বুলি কৈছে।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ) ঃ** মাননীয় সভাপতি মহোদয়, মোক কবলৈ দিয়ক। বিষয়টো মই মুখ্য সচিব মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু মই লগতে তেখেতৰ লগত বহি এই বিষয়ত কেনেকৈ সমাধান কৰিব পৰা যায় কথা পাতিছো। মই আহ্বান জনাব বিচাৰিছো যে এই বিষয়ত অসমৰ মুখ্যমন্ত্ৰী আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বত আলোচনা কৰি এটা সমাধান আনিব লাগে যাতে সোনকালে মানুহখিনি তাত যাব পাৰে আৰু আমি দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ পৰা ওলাই আহিব পাৰো। তাত কাম কৰিব পাৰো আৰু তাত আমি শ্ৰমদান কৰিব পাৰো আৰু তাত আমি শ্ৰমদান কৰিব পাৰো লগতে ব্যৱসায় কৰিব পাৰো।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী , সভাপতিঃ** ইতিমধ্যে এই বিষয়ৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিছে। গতিকে আপুনি এতিয়া বহক। এতিয়া মাননীয় সদস্য শ্ৰী জলেন দৈমাৰী ডাঙৰীয়াই হাতী আৰু মানুহৰ সংঘাটৰ সম্পৰ্কে কব।

**শ্ৰী জলেন দৈমাৰী , তামুলপুৰ ঃ** মাননীয় সভাপতি মহোদয়, ৰুল ৩০১ৰ অধীনত মানুহ আৰু হাটীৰ যি সংঘাত এই বিষয়টো উত্থাপন কৰিব বিচাৰিছো। তামুলপুৰ সমষ্টিতো এনেকুৱা এটা সমষ্টি যিটো সমষ্টি ভূটান পাহাৰৰ লগতে লাগি থকা অঞ্চল। আমাৰ সমষ্টিত আগৰ তুলনাত বহুত শান্তিৰে বসবাস কৰি আছিলো। আগত যিহেতু সন্ত্ৰাসবাদী বা বিভিন্ন ঘটনাবোৰৰ কাৰণে মানুবোৰে ভয়েৰে বসবাস কৰিবলগীয়া হৈছিল। কিন্তু আজি এই তামুলপুৰ অঞ্চলত হাতীৰ আক্ৰমণৰ ভয়ত সাধাৰণ মানুহবোৰৰ কাৰণে জীয়াই থকাটো কঠিন হৈ পৰিছে। সেয়েহে এই বিধান সভাত এই বিষয়টো আনি প্ৰতিবাৰে উত্থাপন কৰি আহিছো। কিন্তু কেতিয়াবা আমাক এনেকুৱা ধৰণৰ উত্তৰ দিয়ে যে এই বিষয়টো ট্ৰেন্সফাৰ চাবজেক্ট হয়। এই বিষয়টো বিটিআৰলৈ ট্ৰেন্সফাৰ হোৱাৰ বাবে ইয়াত আমাৰ বিশেষ কৰিবলগীয়া নাথাকে। কিন্তু যেতিয়া মানুহ মৰিব আৰু নিউজত বিষয়টো আহিব তেতিয়া আমাৰ সহানুভূতি জাগে। তেতিয়া আমি এইটো বেয়া হৈছে বুলি কও। গতিকে মানুহ মৰাৰ আগতে আমি যদি হাতী-মানুহৰ সংঘাট নিৰ্মূল নকৰো তেতিয়াহ'লে আমি চাৰি লাখ টকাকৈ দিও কামত নাহিব বুলি মোৰ অনুভৱ হয়। আমাৰ কথাটো হ'ল তামুলপুৰ সমষ্টিত ২০০১ চনৰ পৰা ২০২৬ চনলৈ এতিয়ালৈকে ৪১ জন মানুহে হাতীৰ আক্ৰমণত মৃত্যুমুখত পৰিবলগীয়া হৈছে। যোৱা ৪ ফেব্ৰুৱাৰীৰ দিনাখনো এটা পৰিয়ালৰ পতী-পত্নীয়ে হাতীৰ আক্ৰমণত মৃত্যুমুখত পৰিবলগীয়া হৈছিল। তেওঁলোকৰ সৰু সৰু ল'ৰা-ছোৱালী আছিল। এনেদৰে বহু পৰিয়াল হাতীৰ আক্ৰমণত মৃত্যুমুখত পৰিবলগীয়া হৈ আহিছে। তেওঁলোকৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰ কেনেদৰে

চলিব সেইটো এটা চিন্তাৰ বিষয় হৈ পৰিছে। সেয়েহে আজি মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ অঞ্চলত কেতিয়াবা ৰাতিপুৱা কেতিয়াবা সন্ধিয়া পালৰ পৰা হাতীয়ে তামুলপুৰ অঞ্চলত ঘুৰি ফুৰি থাকে। এই হাতীবোৰত চিৰিয়াখান বা ৰাষ্ট্ৰীয় উদ্যানবোৰলৈ লৈ যোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় মন্ত্ৰী মহোদয়ে আমাৰ তামুলপুৰ অঞ্চললৈ চেক বিতৰণ কৰিবলৈ যাওতে মই অনুৰোধ কৰিছিলো যে হাতীয়ে ইয়াত যেনেধৰণৰ উৎপাত কৰিছে মানুহ তিষ্ঠি থকাটোৱে উপায়হীন হৈ পৰিছে। মন্ত্ৰী মহোদয়ে আমাক আশ্বাস দিছিল যে অতি সোনকালে এই হাতীবোৰ ৰাষ্ট্ৰীয় উদ্যান বা চিৰিয়াখানালৈ লৈ যোৱাৰ ব্যৱস্থা কৰিব। কিন্তু আজিলৈকে ইয়াৰ কোনো ব্যৱস্থা লোৱা দেখা নাপালো। সেয়েহে মাননীয় মহোদয়ৰ পুনৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ উপৰিও আমাৰ বন বিভাগৰ যিবোৰ ফৰেষ্ট অফিচ আছে তাত যাতায়াতৰ ব্যৱস্থা নথকাৰ বাবে তেওঁলোকে বনাঞ্চলসমূহলৈ যোৱাত অসুবিধা হয়। ইয়াৰ উপৰিও এই বনৰক্ষী অফিচ বিলাকত বনৰক্ষী নাই। যাৰবাবে বনাঞ্চলৰ ভিতৰলৈ যোৱাত অসুবিধা হয়। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক বনৰক্ষী নিযুক্তি দিয়াৰ বাবে অনুৰোধ কৰিলো। মননীয় মন্ত্ৰী মহোদয়ে কোৱাৰ পিছত তেখেতে আসাম বেটেলিয়নৰ কিছুসংখ্যক আৰক্ষীক পঠিয়াইছে যদিও তেওঁলোকৰ হাতী খেদোৱাৰ ক্ষেত্ৰত কোনো প্ৰশিক্ষণ নাই। সেয়েহে মই তামুলপুৰ অঞ্চলত হাতী মানুহৰ সংঘাট নিৰ্মূল কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যিবোৰ গাঁৱত হাতী মানুহৰ সংঘাট চলি লআছে, সেই গাঁওসমূহৰ ল'ৰা-ছোৱালীবোৰক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগতে সেই অঞ্চলৰ লোকসকলৰ কিছু আৰ্থিক সাহায্য দিয়াৰো ব্যৱস্থা কৰিব লাগে। যিবোৰ পৰিয়ালৰ পিতৃ-মাতৃৰ হাতীৰ আক্ৰমণত মৃত্যু হৈছিল তেওঁলোকৰ যিবোৰ ল'ৰা-ছোৱালী আছে তেওঁলোকক কেৱল আৰ্থিক সাহায্য দিয়াই নহয় তেওঁলোকক চৰকাৰী চাকৰি দিয়াৰো ব্যৱস্থা কৰিব লাগে। আমাৰ তামুলপুৰ অঞ্চলত ফৰেষ্ট আইটপোষ্ট দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে হাতী মানুহৰ সংঘাটৰ সময়ত আমি সহজে এই ফৰেষ্ট আউটপোষ্ট বোৰৰ পৰা ফৰেষ্ট গাৰ্ডসমূহ বিচাৰিলে সহজে লাভ কৰিব পাৰো। যোৱাবাৰৰ কাউন্সিল চৰকাৰৰ দিনত আমাৰ তামুলপুৰৰ কিছু অঞ্চলত চোলাৰ ফেন্সিং দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু বৰ্তমানৰ আমাৰ কাউন্সিলৰ ই এম ডাঙৰীয়াই ইয়াৰ ব্যৱস্থা লোৱা দেখা নাই। গতিকে এই ফৰেষ্ট বিভাগটো ট্ৰেন্সফাৰ চাবজেক্ট বুলি নকৈ অসম চৰকাৰৰ ফালৰ পৰা ফৰেষ্ট বিভাগে প্ৰত্যক্ষভাৱে ইয়াৰ কামখিনি যাতে কৰে তাৰবাবে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে তামুলপুৰ ৰাইজৰ হৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয় আমাৰ সন্মানীয় বিধায়ক শ্ৰী জলেন দৈমাৰী ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে এই কথা খিনি শুনি মই আশ্বস্ত হৈছো মই তামুলপূৰ যোৱাতে তেখেতৰ লগত এই সম্পৰ্কে আলোচনা কৰিছিলো আৰু আলোচনা কৰি এই সম্পৰ্কে কিছু ব্যৱস্থা গ্ৰহণ কৰিছিলো তাৰ ভিতৰত আমি Forest Battalion আৰু Frontline staff তালৈকে পঠিয়াইছিলো, অকল অসম পুলিছ বেটেলিয়ান নহয়, আমি Forest Battalion আৰু Frontline staff যিয়ে হাতীৰ ক্ষেত্ৰত কাম কৰিব পাৰে তেনেকুৱা staff পঠিয়াইছো। আজি যিটো কথা তেখেতে উল্লেখ কৰিছে সেইবিষয়ে আমি কেইটামান কথা Clarify কৰিব বিচাৰিছো। তেখেতে কোৱা কথা মতে ২০২৬ চনৰ জানুৱাৰী-ফেব্ৰুৱাৰী মাহতে ৭ জন লোকৰ (জানুৱাৰীত ৩ জন ফেব্ৰুৱাৰীত ৪ জন) মৃত্যু বৰণ কৰিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক আৰু বিভাগীয়

নিয়ম অনুসৰি তেখেত সকলৰ পৰিয়ালক ৪ লাখ টকাকৈ এককালিন আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰা হৈছে। ইয়াৰোপৰি মহোদয়ে জনোৱা অনুৰোধৰ উত্তৰ তলত উল্লেখ কৰাৰ ধৰণৰ ঃ-

১) প্ৰতিটো আক্ৰমনকাৰী হাতীক ধৰি অসম ৰাজ্যিক চিৰিয়াখানালৈ স্থানান্তৰ কৰা সম্ভৱপৰ নহয় যদিও এতিয়ালৈকে ৰাজ্যত অসম বন বিভাগে ১১ টা হাতী ৰেডিঅ কলাৰিংৰ মাধ্যমেৰে তাৰ গতিবিধি নিৰীক্ষণ কৰি হাতী-মানুহৰ সংঘাটতময় অঞ্চলত আগতিয়া জাননী প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে।

২) সংঘাতময় গাওঁত হাতী প্ৰবেশ কৰিব নোৱাৰাৰ বাবে চলিত বৰ্ষত অসম চৰকাৰৰ SOPD-Reduce Man- Animal Conflict আঁচনিৰ অধীনত সৌৰশক্তি চালিত বেৰ, টঙী ঘৰ , পুখুৰী আদিৰ নিৰ্মাণ ৰ ব্যৱস্থা কৰা হৈছে যাতে বনৰীয়া হাতীয়ে জনবসতি অঞ্চলত প্ৰবেশ কৰিব নোৱাৰে। ইয়াৰ সবিশেষ তালিকা সংলগ্ন ‘ক’ ত গাঠি দিয়া হ’ল। বাস্কা জিলাত ইয়াৰে ৪০ কিঃ মিঃ ( প্ৰতি কিঃ মিঃ ৮০,০০০/) সৌৰ শক্তি চালিত বেৰ আৰু ৮ টা টঙী ঘৰ (২,২৫,০০০ টকাকৈ ) আৱন্টন দিয়া হৈছে। বাস্কা বন সংমণ্ডলৰ অধীনত ২০২৫-২৬ বৰ্ষত হাতী মানুহৰ সংঘাত ৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিত পোৱা অনুদান সমূহ তলত উল্লেখ কৰা হ’ল।

Project Elephant 5.50 লাখ ।
Integrated Development of Wildlife Habitats 65.50 লাখ

৩) অসমত পোন প্ৰথমবাৰৰ বাবে “গজ মিত্ৰ ” আঁচনি অধীনত মুঠ ৩ কোটি টকা ধাৰ্য্য কৰা হৈছে যত ৮ টা বন সংমণ্ডল অন্তৰ্ভূক্ত কৰা হৈছে। সেই বন সংমণ্ডল কেইটা হ’ল গোলাঘাট , গোৱালপাৰা , পূৱ শোনিতপুৰ নগাওঁ, ধনশিৰি পশ্চিম শোনিতপুৰ, বাস্কা আৰু যোৰহাট। প্ৰত্যেক বন সংমণ্ডল হাতী খেদিব পৰা যুৱক সকলৈ গজ মিত্ৰ দল গঠন কৰা হৈছে আৰু তেওঁলোকক আৰ্থিক অনুদান ব্যৱস্থা কৰা হৈছে। ইয়াৰ সবিশেষ তালিকা সংলগ্ন ‘খ’ ত গাঠি দিয়া হ’ল।

৪) বৰ্তমান বাস্কা বন সংমণ্ডলৰ অধীনত ৭৮ জন Fontline Staff নিয়োজিত হৈছে আৰু তেওঁলোকৰ দ্বাৰা নিয়মিত তহলদাৰী ব্যৱস্থা কৰা হয়।

৫) বাস্কা আৰু তামুলপুৰ জিলাত বিশেষকৈ অক্টোবৰ মাহৰ পৰা জানুৱাৰী মাহলৈ বন্য হাতী সমূহে খাদ্যৰ সন্ধানত সমতলৰ খেতি পথাৰত নামি অহা দেখা যায়। ২০২৫ চনত অসম বন বিভাগৰ দুটাকৈ হাতীৰ ৰেডিঅ কলাৰিং সফল ভাৱে কাৰ্য্যকৰী কৰা হয়। উক্ত হাতী দুটাৰ দৈনিক নিৰীক্ষণৰ মাধ্যমেৰে যথেষ্ট উপযোগী তথ্য লাভ কৰা হৈছে। উপলব্ধ তথ্য মতে বাস্কা বন সংমণ্ডলৰ অধীনত তিনিটা পৃথক হাতী জাকৰ বিষয়ে গম পোৱা যায়। ইয়াৰে ভাৰত-ভূটান দাতিকাষৰিয়া জাকত ২৫ ৰ পৰা ৩০ টা হাতী, লেবেৰা শান্তিপুৰ আৰু পাহাৰপূৰত বিচৰণ কৰাৰ বিপৰীতে পাগলদিয়া নদী জাকত ৭৫ ৰ পৰা ৯০ টা হাতী সুৱনখাটা আৰু ধমধমা অঞ্চলত বিচৰণ কৰে। আনহাতে তামুলপুৰ-নলবাৰী জাকটো তুলনামূলকভাৱে সৰু যদিও উক্ত জাকত ১২ টা মতা হাতীয়ে পাগলাদিয়া নদীৰ বালিচৰত বিচৰণ কৰা দেখা যায়।

বাস্কা বন সংমণ্ডলৰ অধীনত অৱস্থিত ডাউধৰা সংৰক্ষিত বনাঞ্চল, বাটাবাৰী, দিহিৰা (PRF), সুবনখাতা, মৰাপাগলদিয়া, দৰঙা সংৰক্ষিত বনাঞ্চল, বৰনদী অভয়াৰন্য, নেউলী (PRF), খালিংদুৱাৰ আৰু ভৈৰৱকুণ্ড সংৰক্ষিত বনাঞ্চল চিৰাং-ৰিপু হস্তী সংৰক্ষিত বনাঞ্চলৰ এক গুৰুত্বপূৰ্ণ অংশ। এই সংৰক্ষিত বনাঞ্চল সমূহৰ মুঠ ২৪৭২৯.০৭ হেক্টৰ ( ১৮৪৭২৬.১৫ বিঘা) বনাঞ্চলৰ

ভিতৰত ৫২৫৫.০৫ হেক্টৰ। (৩৯২৫৫.৫২বিঘা ) বনাঞ্চল বেদখল কাৰীৰ কবলত পৰা বাবে হাতীৰ স্বাভাৱিক গতি বিধিত ব্যাঘাত জন্মাত বাস্কা আৰু তামুলপূৰ জিলাৰ গ্ৰামাঞ্চলত হাতী মানুহৰ সংঘাট বৃদ্ধি হৈছে। ইয়াৰোপৰি উক্ত বনাঞ্চল সমূহ Bhabar Belt ত অৱস্থিত হোৱাত হাতী সমূহে পানী বিচাৰি ভৈৰৱকুণ্ড, বৰনদী, পাগলাদিয়া আদি ঠাইলৈ বিচৰণ কৰিব লগা হয়।

উক্ত অধ্যয়নৰ সময়ত আহৰণ কৰা তথ্য মতে নিম্ন উল্লেখিত কাৰণত বাস্কা বন সংমণ্ডলৰ অধীনত ( বাস্কা আৰু তামুলপূৰ জিলা ) হাতী আৰু মানুহৰ সংঘাতৰ প্ৰধান কাৰণ তলত উল্লেখ কৰা ধৰণৰ- ১. অবৈধ বৈদ্যুতিক তাৰ সংযোগৰ ফলত হাতী সমূহৰ স্বাভাৱিক বিচৰনত ব্যাঘাত । ২.প্ৰাকৃতিক বনাঞ্চল ধ্বংস কৰি ক্ষুদ্ৰ চাহ বাগিছা স্থাপন। ৩. আন্তঃগাঠনিৰ উন্নয়নৰ ফলত হাতীৰ আবাস ভূমি বিভাজন। এই কেইটা হৈছে মূল বিষয় আমি বন বিভাগৰ পৰা পোৱা তথ্যত এইখিনি কথা উল্লেখ কৰিছে তাৰোপৰি আমাৰ যি বনাঞ্চল য'ত হাতীয়ে বিচৰণ কৰে তেনেকুৱা ঠাইত আজিৰ দিনত আমাৰ ২৪৭২৯ হেক্টৰ মাটিৰ আমাৰ প্ৰায় ৫২৫৫.০৫ হেক্টৰ মাটি আজি বেদখল হৈ আছে ঘৰ নিৰ্মাণ কৰা হৈছে আৰু হাতী অহাযোৱা কৰাত যথেষ্ট অসুবিধা হৈছে। গতিকে এইক্ষেত্ৰ আমি যি ব্যৱস্থা লব লাগে তাকৌ আমি লম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মই মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ২০২৬-২৭ চনৰ লেখানুদান বাজেট উপস্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৫ বছৰ পূৰ্বে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ গতিশীল নেতৃত্বত মই অসমৰ প্ৰথম গৰাকী মহিলা বিত্ত মন্ত্ৰী হিচাপে আমাৰ যাত্ৰা আৰম্ভ কৰিছিলো । মই এই চৰকাৰৰ খনৰ ৫ খন পূৰ্নাংগ বাজেট দাখিল কৰিবলৈ পোৱাটো মোৰ বাবে সৌভাগ্যৰ কথা। পণ্ডিত দীনদয়াল উপাধ্যয়ৰ একান্ত মানবতাবাদ আৰু শ্ৰামাপ্ৰসাদ মুখাৰ্জী দেৱৰ সাংস্কৃতিক জাতীয়তাবাদৰ গভীৰ আদৰ্শৰে পৰিচালিত হৈ আমাৰ চৰকাৰে এখন অটল, অবিচল আৰু অগ্ৰামী অসমৰ বীজ ৰোপণ কৰিবৰ বাবে প্ৰয়াস কৰিছিল। লক্ষ্য আছিল ভূমি পুত্ৰ খিলঞ্জিয়াৰ আশা-আকাংশা পূৰণেৰে এখন বিকশীত অসমৰ সৃষ্টি কৰা। এগৰাকী মাতৃৰ মমতা ভৰা অন্তৰেৰে কভিডৰ সময়টো মই প্ৰথম বাজেট দাখিল কৰিছিলো। অসমৰ অৰ্থনৈতিক অৱস্থাত বিস্তৰ প্ৰভাৱ পেলোৱা সৰ্ব সাধাৰণ লোকৰ জীৱন যাত্ৰা অতি দুৰ্বিষ কৰি পেলোৱা সেই দুৰ্যোগপূৰ্ণ সময়ছোৱাত মোৰ লক্ষ্য আছিল আমাৰ ভৱিষ্যতৰ বাবে এক সবল ভেটি গঢ়ি তোলা আৰু স্নেহ স্পৰ্শ প্ৰদান কৰা। মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ সবকা সাথ চবকা বিকাশ আৰু চব কা বিশ্বাস আৰু চব কা প্ৰয়াসৰ দৰ্শনত আগস্থান দি এক বিকশিত আৰু আত্মনিৰ্ভৰশীল অসম গঢ়াৰ বাবে এক দঢ় সংকল্পৰে পন কৰা যাত্ৰাত আমাৰ চৰকাৰে একখোজ দিছিল।

**(বিত্ত মন্ত্ৰীয়ে বাজেট ভাষণ পাঠ কৰে)**

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয় আমাৰ বিত্তীয় বিভাগ ইমান দূৰৱস্থাত আছে আমাক copy এটাও দিব পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ ওচৰত copy আছে। আমি এনেকৈ নিদিওঁ। সকলোৱে পাব। বহুত বহুত ধন্যবাদ আমাৰ বিত্ত মন্ত্ৰী মহোদয়ালৈ। তেখেতে আমাৰ ২০২৬-২৭ বৰ্ষৰ লেখানুদান বাজেট উপস্থাপন কৰিলে। এতিয়া আমাৰ next item আছে আমাৰ ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্ৰস্তাৱ আৰু ইয়াৰ আলোচনা । প্ৰথমতে মই অনুৰোধ কৰিছো শ্ৰী ৰূপক শৰ্মা

ডাঙৰীয়াক।

**শ্ৰী ৰূপক শৰ্মা, (নগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি ১৬/০২/২০২৬ তাৰিখে অসমৰ মহামহীম ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্য দেৱে আগবঢ়োৱা ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থনত , যিহেতু প্ৰস্তাৱটো সমৰ্থন মই জনাইছিলো, কিছু বক্তব্য দাঙি ধৰিব বিচাৰিছো। জয় গুৰু শংকৰ সৰ্বগুণাকৰ, যা কৃৰে নাহিকে পাম তুহাৰি চৰণকো নমো শত কোটি.......

মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধবদেৱৰ আধ্যাত্মিক পথ প্ৰদৰ্শনেৰে অসম হৈছে শক্তি আৰু সাংস্কৃতিৰ এক আলোক স্তম্ভ স্বৰূপ। এই পৱিত্ৰ ভূমিত মা কামাখ্যাই আশীৰ্বাদেৰে আমাক সদায় শক্তি প্ৰদান কৰি আহিছে। যোৱা ৫ টা বছৰ যদি আমি পিছুৱাই চাওঁ অসমে কেৱল গৌৰৱ, প্ৰাপ্তি আৰু খ্যাতি আৰু এই ৫ টা বছৰ যেতিয়া ২০২১ বৰ্ষৰ অসমৰ ভৱিষ্যৎ তথা কৰ্মদক্ষ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই দায়িত্বভাৰ লোৱাৰ পিছত আমি দেখা পাইছিলো যে অসমৰ ৰাজনৈতিক আৰু সামাজিক ইতিহাসৰ এক বৰ্ণাঢ্য সময়, সামগ্ৰিক বিকাশৰ এই সময়ছোৱাত ৰাজ্যখনৰ আত্মবিশ্বাসেৰে অগ্ৰসৰ হোৱা দেখিবলৈ পোৱা গৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ সমাজ, সংস্কৃতি ঐতিহ্য প্ৰসাৰ আৰু বিকাশ, আন্তঃ গাঁঠনি উন্নয়ন, শিক্ষা , স্বাস্থ্য, কৃষি আজি সকলো ক্ষেত্ৰতে ৰাজ্যখনৰ উন্নয়নমুখী পৰিৱৰ্তন হোৱাৰ লগতে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যোৱা সময়ছোৱাত আমি আৰু ইয়াৰ খিলঞ্জীয়া মানুহৰ স্বাভিমান ৰক্ষাৰ অলেখ সুদীৰ্ঘ আৰু সাহসী পদক্ষেপ গ্ৰহণ কৰা হৈছে। অধ্যক্ষ মহোদয়, মই কোনো আঁচনিৰ কথা নকওঁ। যোৱা ৫ বছৰত যি কেইটা অসমীয়া জাতিটোক গৌৰান্বিত কৰা মহৎ মহৎ কাম হৈ গৈছে তাৰ দুটামান কথা মই ক'ব বিচাৰিছো। অসমীয়া জাতিৰ সাংস্কৃতিক আধ্যাত্মিক মহীৰূপ শ্ৰী মন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান হৈছে বৰদোৱা। বৰদোৱা হৈছে অসমীয়া সংস্কৃতিৰ অন্যতম প্ৰাণ কেন্দ্ৰস্বৰূপ আৰু এই বৰদোৱাতেই নিৰ্মাণ হ'ল ২২৭ কোটি ব্যয় সাপেক্ষে শ্ৰী শ্ৰী শংকৰদেৱ আবিৰ্ভাৱ ক্ষেত্ৰ। প্ৰায় ১৫৬ বিঘা ভূমিত য'ত আপুনি শুনিলে আচৰিত হ'ব আগৰ সময়ছোৱাত অৰ্থাৎ কংগ্ৰেছ চৰকাৰৰ দিনত বেদখল হৈছিল। যি অচিনাকী লোকে বেদখল কৰিছিল সেই বেদখল উচ্ছেদ কৰি এটা সুন্দৰ আবিৰ্ভাৱ ক্ষেত্ৰ নিৰ্মাণ কৰা হ'ল। এই আবিৰ্ভাৱ ক্ষেত্ৰত ইয়াত বিশ্ব মানৰ এক পৰ্য্যটনস্থলী তথা আধ্যাত্মিক কেন্দ্ৰ হিচাপে গঢ়ি তোলা হৈছে। ই অসমীয়া জাতিটোৰ বাবে আৰু চৰকাৰ খনৰ এক উল্লেখনীয় পদক্ষেপ। এই বৃহৎ কৰ্মৰাজিৰ বাবে মই বটদ্ৰৱা ৰাইজৰ হৈ, নগাওঁ ৰাইজৰ হৈ, অসম চৰকাৰৰ লগতে মই মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয় আমি জাতিটোৱে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে আমাৰ অসমৰ অস্তিত্বৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছিল। আমাৰ জাতিটোৰ অস্তিত্বৰ সংগ্ৰামত প্ৰায় ৮৬০ গৰাকী শ্বহীদ হৈছিল আৰু ৮৬০ গৰাকী শ্বহীদৰ সন্মানাৰ্থে যি শ্বহীদ স্মাৰক নিৰ্মাণ কৰা হ'ল আমি সকলোৱে দেখা পাইছো যে গুৱাহাটী পশ্চিম বৰাগাওঁত সুবিশাল স্বহীদ স্মাৰক নিৰ্মাণ কৰিছে। য'ত প্ৰায় ১৭০ কোটি টকা ব্যয় কৰা হৈছে। আৰু প্ৰায় ১৫০ বিঘা মাটিত এই বিশাল স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছে। ই আমাৰ অসমখনৰ বা জাতীটোৰ বাবে গৌৰৱৰ অধ্যায়। উপাধ্যক্ষ মহোদয়, ডিব্ৰুগড়ত বহুত দশক জুৰি অসমৰ চৰকাৰী ভূমি, আৰু বনাঞ্চল সমূহ অসমীয়া সংস্কৃতি প্ৰাণ কেন্দ্ৰ সত্ৰসমূহকে ধৰি বিভিন্ন ধৰ্মীয় অনুস্থানৰ ভূমি সন্দেহযুক্ত বাংলাদেশী মূলৰ কবলত পৰিছিল। আৰু অচিনাকি লোকসকলে আগ্ৰাসন কৰিছিলে। এই আগ্ৰাসনে অসমীয়া জাতিক এক গভীৰ সংকটৰ মুখলৈ ঠেলি দিয়াৰ সময়ত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বধীন অসম চৰকাৰখনে এক পবিত্ৰ জাতিৰ দায়িত্ব হিচাপে

এই সমূহ আগ্ৰাসন আৰু বেদখলৰ পৰা উদ্ধাৰৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। এতিয়ালৈকে প্ৰায় ১০ লাখ বিঘাতকৈ অধিক ভূমি বেদখকাৰী সকলৰ হাতৰ পৰা মুক্ত কৰিবলৈ সক্ষম হৈছে। উপাধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে প্ৰবল পৰাক্ৰমেৰে অসম ভূমিক মোগলৰ আগ্ৰাসনৰ পৰা ৰক্ষা কৰা সৌৰ্য্য বীৰ্য প্ৰতিক লাচিত বৰ ফুকন। এই মহান অসমীয়া বীৰ গৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপনৰ লগতে নতুন প্ৰজন্মক তেখেতৰ আৰ্দশেৰে অনুপ্ৰাণীত কৰাৰ উদ্দেশ্যেৰে অসম চৰকাৰে মহাবীৰ গৰাকীৰ মৈদামত থকা যোৰহাটৰ যি হোলোঙা পাৰত ১২৫ ফুট উচ্চতাৰ লাচিত বৰফুকনৰ সুউচ্চ প্ৰতিমূৰ্তি নিৰ্মাণ কৰিছে। ইয়াৰ লগতে এই বীৰ গৰাকীৰ বিষয়ে যাতে সমগ্ৰ বিশ্বই জানিব পাৰে তাৰ বাবে দিল্লীত চাৰিশ বছৰীয়া জয়ন্তী উদ্‌যাপন কৰিছিলে, সি আমাৰ জাতিটোৰ এক গৌৰৱৰ বিষয়। উপাধ্যক্ষ মহোদয়, ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱে কৈছিলে,যে অসমীয়া ভাষা জগত সভালৈ যাব। উজ্বল-সুজ্বল কঢ়িয়াই হাঁহী জ্যোতিৰূপা হ'ব। এই সপোন বাস্তৱীত কৰি ২০১৪ বৰ্ষত ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে অসমীয়া ভাষাক ধ্ৰূপদী ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰিলে। আজি অসমীয়া ভাষাক লৈ যিটো দুচিন্তা বা সংকট সকলোৱে যিটো উপলব্ধি কৰিছে, কিন্তু আজি মাননীয় প্ৰধানমন্ত্ৰীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে এই অসমীয়া ভাষাক ধ্ৰূপদী ভাষাক স্বীকৃতি দিয়াতো আমাৰ সকলোৰে বাবে এক গৌৰৱৰ বিষয়। মাননীয় উপাধ্যক্ষ মহোদয়, এটা সময় আছিল, অসমে কেন্দ্ৰৰ পৰা কিবা এটা পাবলৈ আন্দোলন কৰিব লগীয়া অৱস্থা হৈছিল। আন্দোলন নকৰাকৈ আমি একোৱে পোৱা নাছিলো। আৰু যিধৰণে এই অসমক অৱহেলা কৰিছিল সেই সময়ত আমি উপলব্ধি কৰিছিলো কেন্দ্ৰই অসমক মাহী আইৰ চকুৰে চায়। আজি আপোনালোকে দেখা পাইছে যে মাননীয় প্ৰধানমন্ত্ৰী গৰাকীয়ে প্ৰতিটো সময়ত অসমৰ স্বাভিমানী গামোচাখনো ডিঙিত লৈ ফুৰে। তেখেতে ভাৰতৰ য'তেই যাওঁক বা ভাৰতৰ বাহিৰতে যাওঁক, এইখন গামোচা তেখেতে ডিঙিত লৈ ফুৰে। উপাধ্যক্ষ মহোদয় অকনমান সময় দিয়ক প্ৰস্তাৱটো ময়ে আনিছো। আমি এইখন দিমে, এই যে আমি যিখিনি পালো কেন্দ্ৰীয় চৰকাৰৰ পৰা যে চেমী কণ্ডাক্টৰ ইণ্ডাষ্ট্ৰী (Semi-conductor industry) প্ৰায় ২৭হাজাৰ কোটি টকা বিনিয়োগ, আৰু প্ৰায় ৩০ হাজাৰ যুৱক- যুৱতীৰ প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে নিযুক্তি প্ৰদান হ'ব আৰু যিধৰণে নামৰূপ সাৰ কাৰখানা ১০,৬০০ কোটি টকা বিনিয়োগ এইটো সহজ কথা নহয়। ইয়াৰ কাৰণে কিন্তু অসমৰ ৰাইজে আন্দোলন কৰিব লগা অৱস্থা হোৱা নাছিল। উপাধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ ওপৰত ইখনৰ পিছত সিখন দলং, কাজিৰঙাৰ ওপৰেদি Elevated Corridor, য'ত প্ৰায় ৬ হাজাৰ ৯ শ ৫০ কোটি টকা ব্যয় হ'ব। ব্ৰহ্মপুত্ৰৰ তলেৰে গহপুৰৰ পৰা নুমলীগড় সংযোগী প্ৰস্তাৱিত 4 Land যুক্ত দ্বৈত সুৰঙ্গ য'ত ২৪০ কিলো মিটাৰৰ পৰা ৩৬ কিলো মিটাৰলৈ হ্ৰাস কৰিছে। উপাধ্যক্ষ মহোদয়, গুৱাহাটী বিমান বন্দৰৰ নতুন টাৰ্মিনেল উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন AIIMS,নতুন নতুন Medical College য'ত ৭ খনৰ পৰা ১৪ খনলৈ বৃদ্ধি হৈছে। মহান শিল্পী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নামেৰে গুৱাহাটী খানাপাৰাত ২৯১কোটি টকা ব্যয় সাপেক্ষে প্ৰায় ৫ হাজাৰ আসন যুক্ত সমগ্ৰ পূব ভাৰতৰ অন্যতম বৃহৎ পেক্ষাগৃহ নাম দিয়াহৈছে। জ্যোতি-বিষ্ণু আন্তঃৰ্জাতিক ক'লা মন্দিৰ। উপাধ্যক্ষ মহোদয়, আমি অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত এক বিশাল অভিলেখ সৃষ্টি কৰি ১১ হাজাৰ ৩৬৯ গৰাকী বিহুৱা বিহুৱতীয়ে বিহু নাচ প্ৰদৰ্শন কৰি গীণিজ বুকত বিশ্ব অভিলেখ স্থাপন কৰিছিল। আৰু সহস্ৰাধিক শিল্পীয়ে ঝুমুৰ বিনন্দীয়া যি পৰিবেশনৰ অনন্ত ১০ সহস্ৰাধিক শিল্পীয়ে বাগৰুম্বা বা দোৱাই এক অভিলেখ সৃষ্টি কৰি অসমক গৌৰবান্বিত কৰিছিল। উপাধ্যক্ষ মহোদয়, আমি আজি দেখা পাইছো

যে অসম চৰাকাৰে ১ লাখ  ৫৬ হাজাৰ ৬ শ ৯৩ গৰাকী যুৱক- যুৱতীক যি ধৰণে মেধাৰ ভিত্তিত নিযুক্তি প্ৰদান কৰিছিল, আমি দেখা পাইছিলো। আগৰ সময়ছোৱাত, টকা নহ'লে চাকৰি কোনেও পোৱা নাছিলে। আৰু সেয়া দীঘলীয়া ইতিহাস আমি দেখা পাইছো। যিধৰণে APSC কেলেংকাৰীৰ পৰা বিভিন্ন ধৰণৰ অভিযুক্ত জেলৰ ভিতৰত সোমাবলগীয়া হৈছিলে আৰু সেই অৱস্থাৰ পৰা আজি এই সময়ছোৱাত প্ৰতি গৰাকী যুৱক- যুৱতীয়ে নিজৰ ভৱিষ্যতৰ সপোন দেখিবলৈ সৰ্মথ হৈছে। য'ত তেওঁলোকে নিজৰ সপোন বাস্তাৱত প্ৰতিফলিত হৈছে। আপোনালোকে আশা কৰিছে যে আমি যিটো ভাবিম, এইদৰে কৰিব পাৰিম আৰু সেই পৰিবেশ আজিৰ চৰকাৰখনে গঢ়ি তুলিছে। উপাধ্যক্ষ মহোদয়ে, আজি যদি চায়, যে আজি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত  অসম এতিয়া উন্নয়নৰ শীৰ্ষত আৰোহণ কৰিছে। অসম এতিয়া ভাৰতৰ এখন আগশাৰীৰ ৰাজ্যত পৰিনত হৈছে। আৰু সকলোৱে উপলদ্ধি কৰিছে যে আজি অসম এখন বিকশিত আৰু সুৰক্ষিত ৰূপহী অসম। য'ত সুধাকণ্ঠ ভাৰত ৰত্ন  ভূপেন হাজৰিকাদেৱে সপোন দেখিছিল জিলিকাব লুইটৰে পাৰ,আৰু সেই প্ৰতিটো ক্ষেত্ৰতে এই কথা আমি উপলব্ধি কৰিছো। মই ধন্যবাদ জনাইছো, অসম চৰকাৰৰ বিশেষ ভাৱে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক যে এই ৫ টা বছৰত  যিখিনি অসমক দিলে, অসম ৰাইজে পালে ই  সদায় বুৰঞ্জীত লিপিবদ্ধ থাকিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** - Thank you. Hon'ble Membar দেৱব্ৰত শইকীয়া, absent . Hon'ble Tarango gogoi.

**শ্ৰী তৰংগ গগৈ, (নাহৰকটীয়া)ঃ**- উপাধ্যক্ষ মহোদয়, এই কথা ক'ব লওতে ধন্যবাদ জনাইছো। মই এজন যুৱক, আৰু আজি অসমৰ প্ৰায় ৩৮ অংশ যুৱক আছে।

**মাননীয় উপাধ্যক্ষ** ঃ- দলে আপোনাক ৭ মিনিট সময় দিছে।

**শ্ৰী তৰংগ গগৈ, (নাহৰকটীয়া)ঃ**- আমি যুৱক সকলে কেনেধৰণৰ অসম বিচাৰোঁ। আমি সকলোৱে বিচাৰোঁ অসম যিখন অসম উন্নয়ণ অসম সমৃদ্ধিশালী অসম, শক্তিশালী অসম। ১৪ তাৰিখে ভাৰতৰ প্ৰধান নৰেন্দ্ৰ মোদীৰ ডাঙৰীয়াই ডিব্ৰুগড়ত মৰাণত rapel shukla  তাত plan len  কৰি দেখুৱাইছে, তাত নিজে উপস্থিত আছিলে। এতিয়া বহুতে কৈছে rapel বা Shukla ডিব্ৰুগড় len উন্নয়ণ হয় নেকি ?  কিন্তু এই শক্তিশালী ভাৰতৰ প্ৰতিচ্ছবি। আমি ২৬ জানুৱাৰীত প্ৰায় দেখা পাওঁ আমি শক্তি প্ৰদৰ্শন কৰোঁ। আমি কিয় শক্তি পদৰ্শন কৰোঁ, তাতে আমাৰ বিৰোধী শক্ৰ ৰাষ্ট্ৰসকলে দেখা পাই  গম পায় যে আমাৰ এইখন অসম ভাৰতৰ কিমান শক্তিশালী। এখন এখনকৈ বিকশিত অসম ভাৰত প্ৰস্তুত আমি দেখা পোৱা যায়। যিসকলে সেই উন্নয়ণ দেখা নাপায় আৰু নিজৰ পুত্ৰ যি ভাৰতত জন্ম গ্ৰহণ কৰে অথচ বৃটিছৰ নাগৰিক বনায়। কিন্তু আমি এনেকুৱা এখন অসম নিবিচাৰো, এনেকুৱা ৰাজ্যৰ নিবিচাৰো যি নিজৰ পুত্ৰক biodata পৰা  কাটি  বৃটিছৰ নাগৰিক কৰিব বিচাৰে। আমি যুৱক সকলে কি বিচাৰো, আমি যুৱক সকলে বিচাৰোঁ এনেকুৱা অসম, যি অসমত চাকৰি হয়। ৰূপক শৰ্মা ডাঙৰীয়া কৈছে ডেৰ লাখ চাকৰি এইখন চৰকাৰ নিযুক্তি দিছে। ডেৰ লাখ উপাধ্যক্ষ মহোদয়, আৰু  সেই ডেৰ লাখৰ বিনিময়ত কতো এটা নিউজ বজা নাই, কোনো পেপাৰত নিউজ আহা নাই। কোনো বিতৰ্ক হোৱা নাই কিয়, নিযুক্তি নিকা পদ্ধতিত হৈছে। এনেকুৱা নিযুক্তি হৈছে কোনো ল'ৰাই কোনো ছোৱালী তাত  বিৰোধিতা কৰিব নোৱাৰে। হাই কোৰ্ট কিয় চোৱা নাই। কাৰণ সেই চৰকাৰখনে নিযুক্তি দিয়াৰ ক্ষেত্ৰত কোনো  "ভেদ- বিছাৰ" কৰা নাই। যুক্তিত আগৰ

চৰকাৰৰ দিনত দেখা পাওঁ ১৫ লাখ ২০ লাখ ঘোচ দিব লগা হৈছিল। আমি কি বিচাৰিছো, industry lization যেতিয়া industry কথা কওঁ jagiroad semiconducto industry Tata লগত সংয়োগ 27 Crore indigenous হৈছে। বিশ্বত অসমৰ চাহ চিনি পোৱা নাছিল, আৰু গোটেই বিশ্বই অসমৰ চাহ খাই বা আমি Exports কৰোঁ। কিন্তু চাহৰ লগতে আমি cheap Exports গোটেই word ship Exports মাৰি আমি অনাগত ৰাইজে বিচাৰে যি আমাৰ যুৱকসকলে চাকৰি কৰিব পাৰিব। হাজাৰ চাকৰি ওলাব আৰু এনেকৈ দেখা পাইছো,যে কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় নেতৃত্বই কয় Assam semiconductor Kyon chahie. কাৰণ অসম নিবিচাৰে political নিবিচাৰো। যি কেন্দ্ৰীয় নেতৃত্ব আমাক প্ৰশ্ন কৰে অসমৰ telent আছে নেকি ? অসম ল'ৰাই চাকৰি কৰিব পাৰিবনেকি, কিন্তু আমি অমসৰ যুৱকলৈ বিচাৰো এনেকুৱা বিকশিত অসম য'ত semiconductor Plane হয়। উপাধ্যক্ষ ডাঙৰীয়া, মই নাহৰকটীয়াৰ বিধায়ক, নাহৰকটীয়া নামৰূপ কাৰখানাৰ আছে। আজিৰ পৰা দুই মাহৰ আগত ভাৰতৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়া নিজে আধাৰশিলা স্থাপন কৰিছিল। আধাৰশিলা স্থাপনটো নতুনকে হোৱা নাই সেই আধাৰ শিলা ২০০৬ চনত স্থাপন হৈছিলে। এই সময়ত Minister হিচাপে Union partner কোন আছিলে? মই আকৌ যোৰহাট সাংসদ বিজেপি সন্দিকৈ ডাঙৰীয়া। মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া আৰু বিধায়ক প্ৰদীপ ফুকন ডাঙৰীয়া, আধাৰশিলা স্থাপন কৰিলে ২০০৬ চনত আজিৰ date ত এটা issue কাম নহ'ল। অসম চৰকাৰৰ কাৰখানাত ভাৰত চৰকাৰৰ কাৰখানাত অসম চৰকাৰৰ কোনো ৰুল নাই। মাননীয় উপাধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই নতুনকৈ স্থাপন হোৱা উদ্যোগটোত য'ত আমাৰ বিনিয়োগ প্ৰায় ১০ ,০০০কোটি টকা তাত ৪০ শতাংশ অসম চৰকাৰৰ share আছে। আমি অকল ভাৰত চৰকাৰৰ প্ৰতিষ্ঠানেই নহয়, অসম চৰকাৰ তাত lead partner হয়। নতুনকৈ আধাৰশিলা স্থাপন কৰাৰ পাছত তাত ইতিমধ্যে কাম আৰম্ভ হৈছে আৰু ৪ বছৰৰ ভিতৰত নামৰূপ সাৰ কাৰখানা হৈ উঠিব। আমি নামৰূপ সাৰ কাৰখানাত ১২.৭ লাখ মেট্ৰিকটন অসমৰ মানুহৰ চাহিদা পূৰণ কৰাৰ পাছতো আমি ইয়াৰ পৰা সাৰ বাহিৰলৈ export কৰিব পাৰিম। এনেকুৱা এখন অসম আমি বিচাৰো, য'ত উদ্যাগীকৰণ হয়, য'ত আমি চৰকাৰীয়ে হওঁক বা বেচৰকাৰীয়েই হওঁক চাকৰি পাব পাৰো। অসমৰ বাহিৰত থকা যুৱক-যুৱতী সকলে অসম ঘূৰি আহিব বিচাৰে। কোনেও বেংগালোৰ, কৰ্ণাটক আদিত security guard হৈ থাকিব নিবিচাৰে। কিন্তু আগতে অসমত সেই সম্ভাৱনা বা সুবিধা নাছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰখনে সেই পৰিৱেশ সৃষ্টি কৰিছিল য'ত যুৱক সকলে সপোন দেখিব পাৰে, চৰকাৰী চাকৰি পাব পাৰে আৰু উদ্যোগ আদিত চাকৰি কৰি অসমলৈ ঘূৰি আহিব পাৰে। আমি চাকৰিৰ কথা কৈ আছো হয়, কিন্তু চাকৰি পাবলৈ পঢ়াশুনা কৰিব লাগিব। আজিৰ চৰকাৰখনে যিধৰণে পঢ়াশুনাৰ ওপৰত বিনিয়োগ কৰিছে অন্য সময়ত আমি দেখা পোৱা নাছিলো। মই নাহৰকটীয়াৰ যুৱক আৰু নাহৰকটীয়া হায়াৰ চেকেণ্ডাৰী স্কুলখন ১৯৩৮ চনত স্থাপন হৈছিল আৰু ৮৭ বছৰ হৈ গৈছে আজিলৈ একো হোৱা নাছিলে। আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই কোনোবা এটা বছৰত তাত পঢ়িবলৈ গৈছিল। আজি সেই স্কুলখনৰ আধাৰশিলা স্থাপন কৰা হ'ল আৰু দুই মহলীয়া ভৱন নিৰ্মাণৰ বাবে ৭কোটি টকা বিনিয়োগ কৰা হৈছে। কেৱল নাহৰকটীয়া হায়াৰ চেকেণ্ডাৰীয়ে নহয়, চাচনি হায়াৰ চেকেণ্ডাৰী, কৰিগাওঁ হাইস্কুল যিবোৰে কেতিয়াও আশা কৰা নাছিল যে এই হাই স্কুলসমূহ দুমহলীয়াকৈ বনাব পাৰিব। প্ৰায় ৪-৫ কোটি টকাৰে আমি এই

স্কুলসমূহ দুমহলীয়াকৈ নিৰ্মাণ কৰা হৈছে। চৰকাৰে বহুত কাম কৰিছে যাতে ল'ৰা-ছোৱালীয়ে পঢ়াশুনা কৰি চাকৰি কৰিব পাৰে। আমি চাকৰি সৃষ্টি কৰাৰ লগতে পঢ়াৰ পৰিৱেশ সৃষ্টি কৰিছো যাতে উঠি অহা প্ৰজন্মই তাত ভালদৰে ক্লাচ কৰিব পাৰে। আমাৰ চৰকাৰখনে অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰিছে। বিশেষকৈ মই অঙ্গনবাড়ী কেন্দ্ৰৰ কথা উল্লেখ কৰিছো কাৰণ আমি দেখা পাইছো যে আগৰ চৰকাৰসমূহে ১-২ লাখ টকা খৰছ কৰি ৰঙা এটা পাৰ চৰাইৰ বাহ বনায়। যি পাৰ চৰাইৰ বাহত এটা আন্ধাৰ সৰু ৰুম এটাত লৰা-ছোৱালীবোৰে জীৱনৰ প্ৰথম খোজটো দিয়ে। স্কুলত সোমাই যেতিয়া এনেকুৱা এটা পাৰ চৰাইৰ বাহ দেখা পায় তাৰ মনটো কেতিয়াও মুকলি নহয়, উন্নয়ণ কৰিব নিবিচাৰে। কিন্তু আজি আমাৰ চৰকাৰখনে ২৫ লাখ টকা খৰছ কৰি মডেল অঙ্গনবাড়ী কেন্দ্ৰ বনাইছে আৰু সেই অঙ্গনবাড়ী কেন্দ্ৰত ল'ৰা-ছোৱালী ভৰি দিয়াৰ লগে-লগে সপোন দেখে যে সিহঁতে ভালকৈ পঢ়াশুনা কৰিব লাগিব। ভালকৈ পঢ়াশুনা কৰিলেহে হাইস্কুলত পঢ়িব পাৰিব আৰু তাৰ পৰা চৰকাৰী চাকৰি কৰিব পাৰিব। কিন্তু আগৰ সময়ছোৱাত আমি এনেধৰণৰ পৰিৱশ দেখা নাছিলো। মই ডিব্ৰুগড় জিলাৰ যুৱক। ডিব্ৰুগড়ত মাননীয় মুখ্যমন্ত্ৰী দ্বিতীয় ৰাজধানী স্থাপন কৰিলে। তেখেতৰ তাত অফিচ স্থাপন কৰা হ'ল। মাহত প্ৰায় তাত ১০ দিন থাকে আৰু তাৰপৰা কাম কৰে। উজনি অসমৰ ৯ খন জিলাত যি বিস্তৰ সম্প্ৰসাৰণ হৈছে, উন্নয়ণ হৈছে তাৰ মূল কাৰণেই হৈছে ডিব্ৰুগড়ত দ্বিতীয় ৰাজধানী স্থাপন কৰা। ডিব্ৰুগড়ত দ্বিতীয় ৰাজধানী স্থাপন কৰাই নহয়, আজি কিছুদিন আগতে ভাৰতৰ গৃহমন্ত্ৰী মাননীয় অমিত শ্বাহ ডাঙৰীয়াৰ উপস্থিতিত ডিব্ৰুগড়ত দ্বিতীয় বিধানসভা স্থাপন কৰা হয়। আমি সপোনতো ভবা নাছিলো যে ডিব্ৰুগড় জিলাত দ্বিতীয় ৰাজধানীৰ লগতে দ্বিতীয় বিধানসভাও স্থাপন কৰা সম্ভৱ হ'ব পাৰে। তাত বিধানসভাৰ লগতে প্ৰত্যেক বিধায়কৰো এটা apartment বনোৱা হৈছে। এনেধৰণৰ এখন চৰকাৰ প্ৰত্যেক যুৱকে বিচাৰে। অসমৰ উঠি অহা প্ৰজন্মই বিচাৰে। এই চৰকাৰৰ সময়ত অসমত কাম হৈছে ,উন্নতি, প্ৰগতি হৈছে আৰু আমি শক্তিশালী সমাজ গঠন কৰিবলৈ সুবিধা পাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ মহামহিম ৰাজ্যপাল ডাঙৰীয়াই ৪৪ পৃষ্ঠাৰ ভাষণেৰে তেওঁ ভাষণ দিয়ে। তেওঁৰ ভাষণৰ আৰম্ভণিতে আমাৰ গুৰুজনাৰ উক্তিৰে -"সমস্ত প্ৰাণীক দেখিবেক আত্মসম।
উপায় মধ্যত ইটো অতি মুখ্যতম।"
সকলো প্ৰাণীকে তোমাৰ নিজৰ দৰে জ্ঞান কৰিবা। সকলো পথৰ ভিতৰত এই মুখ্য পথ। মানৱ জাতি সকলো জীৱ-জন্তু তথা উদ্ভিদ সুলভ পৰমব্ৰহ্মাৰ প্ৰকাশৰূপে গণ্য কৰিবলৈ আহ্বান জনাই মহান গুৰুজনাই কৈছিল-" কুকুৰ শৃগাল গদৰ্ভৰো আত্মাৰাম
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।"
কুকুৰ শৃগাল আৰু গদৰ্ভৰো আত্মাৰাম বুলি জানিবা- এই বোধেৰে সকলোকে শ্ৰদ্ধাৰে প্ৰণাম কৰিবা। কিন্তু মহামান্য ৰাজ্যপাল ডাঙৰীয়াই নিজেই পাহৰিলে আজান পীৰৰ কথা। তেখেতে পাহৰিলে যে অসমৰ ৩.৫০ কোটি জনসাধাৰণৰ মাজত ১ কোটি ২৫ লাখ সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ আছে। এই ১ কোটি ২৫ লাখ সংখ্যালঘু লোক ২০১১ চনৰ লোকপিয়লৰ মতে ৩৮ শতাংশ। তাৰে ৩৪.২২ শতাংশ মুছলমান, ৩.৭ শতাংশ খ্ৰীষ্টান, ০.৮ শতাংশ জৈন, ০.৮২ শতাংশ বৌদ্ধ। মুঠ ৩৮ শতাংশ

সংখ্যালঘু লোক অসমত বসবাস কৰি আছে। কিন্তু এই লোকসকলৰ কথা এটা শব্দও তেওঁৰ ভাষণত নাই। ৰাজ্যপাল জন আমাৰ ৰাজ্যৰ মূৰব্বী। এই মূৰব্বীজনেই যদি ৩৮ শতাংশ মানুহক পাহৰি তেওঁ কাম কৰা বুলি কয় তেন্তে আমাৰ দেশ কেনেকৈ আগুৱাই যাব? ৩৮ শতাংশ মানুহক বাদ দি তেওঁ কি দেশ গঢ়িব বিচাৰিছে? কি উন্নয়ণ কৰিব বিচাৰিছে? গতিকে তেওঁৰ ভাষণত আমি সন্তুষ্ট নহয়। তেওঁ অসমৰ সকলো জনসাধাৰণক সমানে চোৱা নাই। সেয়েহে আমি তেওঁৰ ভাষণত সন্তুষ্ট নহয়। দেশৰ উন্নয়ণৰ কথা বহুত ক'লে। ২০১৬ চনত মই যেতিয়া প্ৰথম বিধান সভাৰ মজিয়াত প্ৰৱেশ কৰিছিলো তেতিয়া মই প্ৰথমে এটা প্ৰশ্ন উত্থাপন কৰিছিলো যে ২০০১ চনত যেতিয়া অসমত কংগ্ৰেছৰ চৰকাৰ হয়, সেই সময়ত অ.গ.প দলে এৰি থৈ যোৱা ৰাজকোষত কিমান টকা জমা আছিল আৰু কিমান টকাৰ ঋণ আছিল? তেতিয়া উত্তৰ দিয়ে যে ৰাজকোষত কোনো পুঁজি জমা নাই আৰু ঋণ আছিল ১০ হাজাৰ ৬৬.২ কোটি টকা। মোৰ আৰু এটা প্ৰশ্ন আছিল যে প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰ চ ৰকাৰ যেতিয়া ২০১৬ চনত এৰি যায়, তেতিয়া ৰাজকোষত কিমান টকা জমা আছিল আৰু কিমান টকাৰ ঋণ আছিল? উত্তৰত পালো যে ৰাজকোষত জমা আছিল ১০ হাজাৰ ৫৬.৪৪ কোটি টকা আৰু ঋণ আছিল ৩৫ হাজাৰ ৬৯০.২১ কোটি টকা। তাৰমানে জমাখিনিৰ পৰা বাদ দিলে ২৫ হাজাৰ ৬৩৩.৭৫ কোটি টকাৰ ঋণ প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰে এৰি থৈ যায়। এই প্ৰগতিৰ অসমখনক ৰাষ্ট্ৰৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্য হিচাপে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰখনে ঋণ কৰিলে ১ লাখ ৭৭ হাজাৰ ৯৩৪ কোটি টকাৰ। পূৰ্বতে য'ত ঋণ আছিলে ২৫ হাজাৰ কোটি টকা সেই ঋণ এতিয়া বাঢ়ি ১ লাখ ৭৭ হাজাৰ ৯৩৪ কোটি টকা হ'ল। এই ঋণৰ বোজা অসমৰ প্ৰত্যেকজন জনসাধাৰণৰ মূৰতে আছে। আজি যদি এটা সন্তান জন্ম গ্ৰহণ কৰে তেন্তে তেওঁৰ মূৰত ঋণ লৈ জন্মগ্ৰহণ কৰিব লাগিব। গতিকে এনেদৰে ঋণ লৈ কেনেকৈ দেশ আগুৱাই যাব বুলি ভাবিছে? যদি দেউতাকে সম্পত্তি থৈ যায় তেন্তে সেই সম্পত্তিত খেতি কৰি, শস্য উৎপাদন কৰিহে তাৰপৰা চলিব লাগিব, বন্ধকত দি নহয়। গতিকে এই চৰকাৰখনে অসমৰ অৰ্থনীতি বন্ধকত থৈ অসমখন চলাব বিচাৰিছে। উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ জনতা, অসমতে নিৰাপত্তাহীন। আজি অসমত জন্মগ্ৰহণ কৰা ভাৰতীয় নাগৰিক অসমৰ সন্তান, আজি অসমৰ যদি কোনোবা জিলাত গৈছে তেওঁলোকক অপদস্ত কৰা হৈছে, মাৰপিত কৰি খেদি পঠিওৱা হৈছে, ভাবুকি দিয়া হৈছে। আজি আমাৰ মধ্য অসমৰ মানুহ, lower Assam ৰ মানুহ upper Assam ত যাব নোৱাৰে। এটা ঘৃণাৰ ৰাজনিতি বিয়পায় অসমখনক এটা ঘৃণা ৰাজনিতিলৈ পৰিণত কৰি দিছে। কিয়? অসমৰ নাগৰিক হিচাপে upper Assam ত যোৱা আধিকাৰ নাই নেকি? এই অধিকাৰ খৰ্ব কৰি অত্যচাৰ কৰিছিলে মাৰপিত কৰিছিলে খেদি পঠিয়াইছিলে। মই গোলাঘাটৰ SP, DC ক শিৱসাগৰৰ SP, DC ক Email পঠাইছিলো, যে এইটো আইনৰ বিৰুদ্ধে কাম হৈছে আৰু ইয়াৰ ওপৰত action ল'ব লাগে। কিন্তু আজিলৈকে গোলাঘাটৰ SP, DC আৰু শিৱসাগৰৰ SP, DC য়ে কোনোধৰণৰ action নল'লে। নাগৰিকৰ ওপৰত এনেদৰে অত্যাচাৰ কৰি থাকিব, এচাম মানুহে অত্যাচাৰ কৰি থাকিব আৰু সংবিধান ৰক্ষা কৰা লোকসকলে দুৰ্বলতা অৱলম্বন কৰিব । এই দেশ আৰু ৰাজ্যখন কেনেকৈ চলি আছে ? এই চৰকাৰখনে ৰাজধৰ্ম পালন কৰা নাই। ৰাজধৰ্ম পালন কৰিলে এই জাত-পাতৰ কথা নাহিলে হেতেন। আমি সকলো মানুহ হিচাপে জীয়াই থকা কথা আহিল হেতেন। হয়, আমি কোনোবা হিন্দু, কোনোবা মুছলমান, কোনোবা জৈন আৰু কোনাবা খ্ৰীষ্টিয়ান। কিন্তু প্ৰকৃততে একোজন মানুহ আমি এটা মানৱ সমাজ গঢ়িব লাগিব আৰু সেই মানৱ সমাজ গঢ়াত ব্যৰ্থ এই চৰকাৰ অকল সাম্প্ৰৰ্দায়ীকতা নামত ভাগ বতৰা কৰি

অসমখনক দুৰ্দশালৈ গতি কৰিছে এই চৰকাৰখনে। গতিকে আমি এনেকুৰা অসম নিবিছাৰো। আমি এনেকুৰা অসম বিছাৰিম য'ত মহাপুৰুষ শংকৰদেৱ আৰু আজ নফকিৰে দেখুৱাই যোৱা আদৰ্শৰ অসম, সেই অসম নিবিছাৰো যিটো নাথাকিব ভাতৃঘাটি সংঘৰ্ষ, যি অসমত নাথাকিব হিংসা, বিদ্বেহ, শান্তি আৰু ভাতৃত্ববোধ অসম বিচাৰো আৰু আমি সেই অসম গঢ়িব লাগিব। গতিকে এই বিলাক নাইকীয়া কৰিব লাগিব। যাতে আমাৰ কোনো মানুহ কৰবাত গৈ ক'তো অপদস্থ নহয়। সেই তেনেকুৰা পৰিবেশৰ সৃষ্টি কৰিব লাগিব। উপাধ্যক্ষ মহোদয়, আজি আমাৰ বিভিন্ন ক্ষেত্ৰত যিবিলাক উন্নয়ন মূলক আঁচনি এই আঁচনি সমূহো সঠিক ৰূপত ৰূপায়ণ কৰিব পৰা নাই। এই চৰকাৰে শ্লোগান দিছিলে প্ৰত্যেক "হৰ ঘৰ জ'ল হৰ ঘৰ নল" প্ৰত্যেক ঘৰতে ন'ল আৰু জল দিব। আজি কিমান ঘৰত পানী দিব পাৰিছে ? আমাৰ নগাওঁত ৭১১ টা আঁচনি আছে, আমাৰ সংমণ্ডল ২৯২ টা আঁচনি আছে তাৰে ২৪৩ টা আৰু ১০৭ টা প্ৰায় ৩৫০ আঁচনি তেওঁলোকে অসমাপ্ত কৰি থৈছে। আঁচনি সমূহ ৰ কাম আৰম্ভ কৰি আজি আমাৰ মাটি দাতা সকলে মাটি দিছে। সেই মাটিতোৰ কাম আৰম্ভ কৰি এনেদৰে পেলাই থৈছে। "হৰ ঘৰ জল হৰ ঘৰ ন'ল" এইটো সম্পূৰ্ণ ব্যৰ্থ আঁচনি । পানী যোগান দিব পৰা নাই আমাৰ নাগৰীক সকলক। যিসকল ঠিকাদাৰে এইখিনি কাম কৰিছিলে তেখেত সকলে হাৰাশাস্তিত ভুগি আছে। ঋণত ধাৰ লৈ bank ৰ পৰা টকা লৈ যেতিয়া কামবিলাক কৰিছে আৰু পইচাবিলাক পোৱা নাই, এতিয়া bank ৰ সূত কেনেকৈ ভৰিব? এতিয়া নিজৰ পিতৃয়ে থৈ যোৱা ম্যাদি মাটিৰ পাট্টা বিক্ৰী কৰি কোনোবা ঠিকাদাৰে বেংকৰ সুত দিবলগীয়া হৈ আছে। এনেধৰণৰ পৰিৱেশলৈ ঠেলি দিছে। এই ঠিকাদাৰ সকল আমাৰ অসমৰ যুৱক যিসকলে ঠিকাদাৰৰ কাম কৰি আছে সেই মানুহখিনি এই পইচাখিনি নিদিয়াৰ পৰা হাহাকাৰ পৰিস্থিতি সৃষ্টি হৈছে। গতিকে চৰকাৰে এইটো ওপৰত বিবেচনা কৰি ঠিকাদাৰ সকলক পইচাখিনি দিয়াৰ ব্যৱস্থা কৰিব লাগে। PWD ৰ ৰাস্তাৰ কাম দিছে। ৰাস্তাৰ কাম দিছে কিন্তু, পইচা দিয়া নাই। আধৰুৱা কৰি পেলাই থৈছে। অহা যোৱা যাতায়তৰ অৱস্থা বেয়া। গতিকে যিহেতু ঠিকাদাৰবিলাকে কাম কৰি আছে পইচাখিনি দিব লাগে যিটো চৰকাৰে দিয়া নাই। কেনেকৈ উন্নয়ন হৈ আছে আমাৰ অসমত? আজি 15th finance ত কেন্দ্ৰীয় চৰকাৰ পৰা টকা আহে যিটো পঞ্চায়তত, দুটা ভাগত দিয়ে tide আৰু untide fund. untide fund টো পঞ্চায়তে খৰচ কৰিব পাৰে আৰু tide fund টো ৰাখি থৈছে। জলমিত্ৰ সকলক পানী আৰু current ৰ বিলটো দিয়ে। এইখিনি দিয়াৰ পিছতো বহুখিনি টকা জমা হৈ আছে। সেইখিনি টকা খৰচ কৰাৰ কাৰণে পঞ্চায়তক যদি সুবিধা দিলে হেতেন তেনেহ'লে পঞ্চায়তে উন্নয়নমূলক কাম কৰিব পাৰিলে হয়। সেই পইচাটো ৰাখি উন্নয়নমূলক কামৰ পৰা বঞ্চিত কৰি থৈছে। গতিকে এনেধৰণে উন্নয়ন নহ'ব। আমি সঠিকভাৱে আঁচনিখিনি ৰূপায়ণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। গতিকে আপোনাৰ জৰিয়তে মই চৰকাৰক এটা অনুৰোধ জনাব বিচাৰিছো যে, আমাৰ অসমত হিংসাৰ ৰাজনীতি যাতে আৰু নহয় । আমি যাতে মহাপুৰুষ শংকৰদেৱ আৰু আজানফিৰৰ দিশত আমি যদি সকলোৱে মিলাপ্ৰীতিৰে ভাই ককাই হিচাপে বা ভাই বন্ধু হিচাপে, শান্তিৰ অসম গঢ়িব পাৰো। তেনেকুৰা এখন অসম গঢ়াৰ বাবে আহ্বান জনাই মোৰ আজি এই, আমাৰ ৰাজ্যপালৰ মূল কথাখিনি সমাপ্ত কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কালি অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে, যিটো বক্তব্য দাঙি ধৰিছে, সেই বক্তব্যত আমি দেখিছো যে, ৰাজ্য চৰকাৰে

কিছুমান ভূৱা প্রসস্তি গুণনিকর্তন তেখেতে কৰিলে। তেখেতৰ বক্তব্যৰ ৯০ শতাংশ সত্যৰ ওপৰত আধিৰত নহয় আৰু বিগত দিনত এখন চৰকাৰ আমি দেখা পালো তেওঁলোকে উন্নয়নৰ ঢোল বজায় সেই ফটা ঢোলবিলাক কিন্তু বাস্তৱক্ষেত্ৰত বহুত ব্যতিক্ৰম। আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত মোৰ এটা প্ৰশ্নৰ উত্তৰত ৰাজ্য চৰকাৰে যিটো তথ্য দিছিল ২০২৩-২৪ চনত আৰু ২০২৪-২৫ চনত। দুটা বিত্তীয় বৰ্ষত ইমান টকা বাজেটত নিৰ্দ্ধাৰণ কৰা হৈছিল। কোন বিভাগত আৰু কোন টকা আবণ্টন দিয়া হ'ল। কিমান টকা খৰচ কৰা হ'ল তাৰ মই এটা তথ্য বিচাৰিছিলো। ৰাজ্য চৰকাৰে যিখিনি তথ্য দিছে .....।

**শ্ৰী আমিনুল ইছলাম, (মানকাচৰ)** ঃ- মাননীয় সভাপতি মহোদয় আমাৰ পৰ্লিয়ামেণ্টৰী এফেয়াৰচ মন্ত্ৰী আছে আৰু চৰকাৰৰ বিভাগীয় বিষয়া আছে। আমি ইয়াতে গাই থাকিলে কি হ'ব, লাষ্ট চেচন হয় এইটো।

**শ্ৰী পোণাকণ বৰুৱা, সভাপতি ঃ** আমিনুল ইছলাম (জ্যেষ্ঠ) আপুনি কৈ থাকক।

**শ্ৰী আমিনুল ইছলাম, (ধিং)** ঃ- সভাপতি মহোদয়, মই আশা কৰিছো যে, বিত্তমন্ত্ৰী মহোদয় যাতে সোনকালে আহে, আমাৰ কথাবিলাক তেখেতে যাতে শুনে। মই যিটো তথ্য দিম ২০২৩-২৪ আৰু ২০২৪-২৫ চনৰ বিত্তীয় অৱস্থা যেতিয়া বাজেটৰ প্ৰস্তাৱ কৰা হয়। বহু ঢাক-ঢোল বজাই কোৱা হয় যে আমি ১,৪১,০০০ কোটি টকাৰ বাজেট, ধৰিলো ১,৫৬,০০০ হাজাৰ কোটি টকাৰ বাজেট দাখিল কৰিলো। কিন্তু ২০২৩-২৪ বৰ্ষৰ শেষলৈকে যিমান টকাৰ বাজেট হৈছে তাৰ পৰা কোন বিভাগত কিমান টকা দিয়া হ'ল এই তথ্যটো আজি অসম বিধান সভাত মোক আজি দিয়া হ'ল। দেখা গৈছে যে, অধিকাংশ বিভাগতে কিন্তু ৫০ শতাংশ টকাও মুকলি কৰি দিয়া হোৱা নাই। আৰু চাহ জনজাতি পৰিক্ৰমা বিভাগত মাত্ৰ ১.৩৫ শতাংশ পইচা তেওঁলোকে যিমান টকা বাজেটত ধৰা হৈছে তাৰ ১ শতাংশ পইচাহে মুকলি কৰি দিছে আৰু সেই বিত্তীয় বৰ্ষবোৰ ২০২৩, ২০২৪, ২০২৫ পাৰ হৈ এতিয়া ২০২৬-২৭ ৰ বাজেটত আমি সোমাইছো। এই বিভাগটোৰ মাত্ৰ ১ শতাংশ চাহ জনজাতিক দিয়া হ'ল। ইণ্ডাষ্ট্ৰি এণ্ড কমাৰ্চ ডিপাৰ্টমেণ্টত যিমান টকা ধাৰ্য্য কৰা হৈছিল তাত মাত্ৰ ৪.৬ শতাংশ পইচা মুকলি কৰি দিয়া হ'ল। মাইনৰিটি ৱেলফেয়াৰ ডিপাৰ্টমেণ্টত যিমান টকা ধৰা হৈছিল তাত ২.৫ শতাংশ টকাহে বছৰত এতিয়ালৈকে মুকলি কৰি দিয়া হৈছে। স্কীল এণ্ড এম্পাৱাৰমেণ্টত ২০২৩-২৪ বিত্তীয় বৰ্ষৰ শেষলৈকে ২৫.৬১ শতাংশ টকা মুকলি কৰি দিয়া হয়। ৰেভিনিউ এণ্ড ডিজেষ্টাৰ মেনেজমেণ্ট ডিপাৰ্টমেণ্টত ২৮.৪৯ শতাংশ টকা মুকলি কৰি দিয়া হ'ল। আজি ডিজেষ্টাৰ মেনেজমেণ্টত কিমান মানুহে বানপানীত কষ্ট পাইছে কিন্তু তেওঁলোকক চৰকাৰে টকা দিব পৰা নাই। কিমান মানুহৰ ঘৰ-দুৱাৰত জুই লাগি সম্পত্তি সকলো পুৰি যায়, তেওঁলোকে অফিচে অফিচে দৌৰা দৌৰী কৰে কিন্তু তেওঁলোকে ডিজেষ্টাৰ মেনেজমেণ্টৰ পৰা টকা নাপায় আৰু বোৰ্ডাৰ প্ৰটেকশ্যনৰ পৰা মাত্ৰ ২৯.৪ শতাংশ টকা খৰচ কৰা হ'ল। যি বোৰ্ডাৰত ধাৰাবাহিক ভাৱে নাগালেণ্ড, অৰুণাচল, মেঘালয় আৰু অন্যান্য চুবুৰীয়া ৰাজ্যসমূহ যেনে মিজোৰামে ধাৰাবাহিকভাৱে আগ্ৰাসন চলাই আছে। অসমৰ ভিতৰত সীমান্তৰ লোকসকলক তাৰ পৰা খেদি খেদি তেওঁলোকৰ ঘৰ দুৱাৰ জ্বলাই জ্বলাই অসমত আগবাঢ়ি আছে। কিন্তু বোৰ্ডাৰ প্ৰটেকশ্যনৰ কাৰণে চৰকাৰে যিমান টকা দিছিল তাৰ মাত্ৰ ২৯ শতাংশ টকা মুকলি কৰি দিলে। বোৰ্ডাৰত আৰু অধিক নিৰাপত্তা বৃদ্ধি কৰিব লাগিছিল। কিন্তু চৰকাৰৰ কোনো গুৰুত্ব নাই। এতিয়া কিন্তু চাৰিওফালৰ পৰা অসমক ঠেলি আহিছে। কিন্তু ৰাজ্যপাল মহোদয়ৰ ভাষণত এইবোৰ কথা উল্লেখ নকৰিলে। যিটো অধিক দুৰ্ভাগ্যজনক। আৰু তাতকৈ দুৰ্ভাগ্যজনক মাননীয় সভাপতি মহোদয় ৰাজ্য চৰকাৰে

কৰি আছে কি, কৰিব লাগিছিল উন্নয়ন, কৰিব লাগে জাতি-জনজাতিৰ মাজত সমন্বয় হ'ব লাগে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰ দায়বদ্ধতা। কিন্তু সেইটো থৈ পেলাই ৰাজ্য চৰকাৰে কেৱল নিজৰ ব্যৰ্থতা ঢাকিবলৈ এইখন ৰাজ্যত হিন্দু মুছলিমৰ মাজত এটা সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি কৰাৰ চেষ্টা কৰাৰ চেষ্টা আছে। মাননীয় উপাধ্যক্ষ মহোদয় প্ৰত্যেক ৰাজ্যৰ মুখ্যমন্ত্ৰী দায়িত্বশীল হ'ব লাগে। সেই ৰাজ্যৰ যদি দুটা সম্প্ৰদায়ৰ মাজত ভুল বুজাবুজি হয়, যদি এক সংঘাটৰ পৰিৱেশ সৃষ্টি হয়, যেতিয়া মুখ্যমন্ত্ৰীয়ে হস্তক্ষেপ কৰি কেনেকৈ শান্তি সম্প্ৰীতি অটুত ৰাখি সাতাম পুৰুষীয়া ঐক্য সম্প্ৰীতিৰে ৰাজ্যখনক ৰক্ষা কৰিব সেইক্ষেত্ৰত মুখ্যমন্ত্ৰী দায়বদ্ধ হ'ব লাগে আৰু তাৰ বিপৰীতে যদি মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক উচতনি দিয়ে যে তোমালোকে ৰিক্সা ভাড়া পাঁচ টকাৰ ঠাইত চাৰি টকা দিবা, এনেকৈ মিঞা মুছলমানক অত্যাচাৰ কৰা যাতে তেওঁলোকে অসম এৰি গুচি যাবলৈ বাধ্য হয়। ৰাতি ৯ বজাত কিয় যোৱা ১২ বজাত গৈ তোমালোক মিঞা মানুহক অত্যাচাৰ কৰিব লাগে। এই কথাবিলাক যদি স্বয়ং মুখ্যমন্ত্ৰীয়ে শিকাই দিয়ে, এই ৰাজ্যখনৰ শান্তি শৃংখলা আৰু সাতামপুৰুষীয়া ঐক্য সংহতি কোনে ৰক্ষা কৰিব। উপাধ্যক্ষ মহোদয়, মই এই চৰকাৰক আপোনাৰ জৰিয়তে আহ্বান জনাইছো। "তাকতৱৰ ও নেহি হোতা, যো তাকত দিখাতা হ্যেয়, তাকতৱৰ ও নেহি হোতা, যো তাকত দিখাতা হ্যেয়,তাকতৱৰ ও হোতা হ্যেয় যো তাকত হোতে হুৱে ভি স্বয়ম দিখাতা হ্যেয়"। মই ভাবো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কথাটো উপলব্ধি কৰাটো দৰকাৰ। আমি দেখিছো সিংহ এটা সময়ত যেতিয়া দুৰ্বল হৈ যায়, বুঢ়া হৈ যায়, চিকাৰৰ পিছত দৌৰিব নোৱাৰে, দুৰ্দশাগ্ৰস্ত অৱস্থাত পৰি যায়। আমি কেতিয়াবা এইবোৰ টিভিত দেখিলে বেয়া লাগে। সিংহৰো এই অৱস্থা হয়। গতিকে মানুহৰো ক্ষমতা নোহোৱা হ'লে এনেকুৱা অৱস্থা হয়। আমি দেখিছো এই পৃথিৱী যিমান অত্যাচাৰীৰ অধীনত আছিল কিন্তু আজি তেওঁলোকৰ

কোনো চিন মোকাম নাই, মাটিৰ লগত মিলি গ'ল। এই ক্ষমতা সদায় নাথাকে কিন্তু আজি আছে বুলিহে আজি আমি হিংসামূলক ভাৱে কোনো জনগোষ্ঠীক টাৰ্গেট কৰি তেওঁলোকক অত্যাচাৰ কৰি, নিৰ্যাতন কৰি, নিজেও কৰিম আৰু জনসাধাৰণকো উচতাই দিম। ইমান অত্যাচাৰী হ'ব নালাগে। ক্ষমতা চিৰদিন কিন্তু মানুহৰ হাতত নাথাকে। ...............হুলস্থুল......

ৰাজ্যপালৰ ভাষণত কথাবিলাক আহিব লাগিছিল। মই কথাবিলাক উল্লেখ কৰিছো। 'হৰ খটা অপনে দিল ছে চাৰে ছৰফিৰে কৰনে লগে, হৰ খটা অপনে দিল ছে চাৰে ছৰফিৰে কৰনে লগে, ৰক্ত ভি ওকাট অপনি চে বৰি কৰনে লগে, ৰক্ত ভি ওকাট অপনি চে বৰি কৰনে লগে, চাৰ পিড়ি জিচকা আখিৰ কাম মুদগিৰি আজকল ও নেতাগিড়ি কৰনে লগে।

মাননীয় সভাপতি মহোদয়, গতিকে এই কথাবিলাক আমি ভাৰতীয় স্বাধীনতা সংগ্ৰামত কোনে তেজ দিছিল, আমাৰ পূৰ্বপুৰুষে তেজ দিছিল। আমাৰ পূৰ্বপুৰুষৰ তেজ মাটিৰ লগত মিলি আছে। এই কথাবিলাক আজি সকলোৰে মনত ৰাখিব লাগিব। গতিকে এই কথাবিলাক আজি আপোনালোকৰ জৰিয়তে আৰু এটা কথা কৈছো যে, এই কথাবিলাক আজি প্ৰৰোচনামূলকভাৱে যিটো দি আছে, এই চৰকাৰে যেতিয়া এজেণ্ডাত সাম্প্ৰদায়িক কথা কয় তাৰ যদি বিধান সভাৰ মজিয়াত কোনোবাই প্ৰতিবাদ কৰে তেওঁলোকক চৰকাৰে টাৰ্গেট কৰি ৰাখে। কেতিয়াবা বিনা দোষত বিনা কাৰণত চৰকাৰে নেশ্যনেল চিকিউৰিটি এক্টত ডিটেইন কৰি দিয়ে এবছৰৰ কাৰণে। বিনা দোষত নেশ্যনেল চিকিউৰিটি এক্টত উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপত তেতিয়া ডিটেনচনৰ পৰা ওলাই আহিব লগা হয়। এই সদনত এই চৰকাৰৰ দোষবোৰ আনিব নিদিয়াৰ অপৰাধত চৰকাৰে টাৰ্গেট কৰি ৰাখে। যোনে চৰকাৰৰ দোষবিলাক আঙুলিয়াই দিয়ে, বিনা এপ্ৰোভেল তেওঁলোকক নেশ্যনেল

চিকিউৰিটি এক্ট লগাই দিয়ে। চৰকাৰে তেনেকুৰা ক্ষমতাৰ ব্যৱহাৰ কৰে। কিন্তু "তাকতৰৰ ও নেহি হোতা যো তাকত দিখাতা হ্যেয়, তাকতৰৰ ও হোতা হ্যেয় যিচকা তাকত হোতে হুৰে ভি স্বয়ংম দিখাতা হ্যেয়। মাননীয় সভাপতি মহোদয়, মই কথাটো কব বিচাৰিছো যে, নেশ্যনেল চিকিউৰিটি এক্টত তেওঁলোকক ডিটেইন কৰিব লাগে। যিসকলে জনসাধাৰণক উচতনি দিয়ে যে পাঁচ টকাৰ ঠাইত চাৰি টকা দিয়া। যিসকলে কয়, এনেকৈ অত্যাচাৰ কৰা যাতে তেওঁলোক অসমৰ পৰা গুচি যাব লাগে। যিসকলে কয় যে, মিঞা মুছলমান মহিলাসকল সন্তান জন্ম দিয়া ফেক্টৰী, যিসকলে কয় যে আঠুৰ তলত তেওঁলোকে পায়জামা পিন্ধে, যি সকলে এনেকুৰা ধৰণৰ সাম্প্ৰদায়িক ভাষণ দি আহিছে বিশেষকৈ মুখ্য মন্ত্ৰী এনেকুৰা ধৰণৰ মন্তব্য দি আহিছে। (..........হুলস্থুল............)

**ড° অমিয় কুমাৰ ভূঞা, বিধায়ক** ঃ আপুনি কি বুলি ভাবিছে আপুনি কি কথা কৈ আছে।

**শ্ৰী আমিনুল ইছলাম, (জেষ্ঠ, ধিং)** ঃ আপোনালোকে গম পোৱা নাই নেকি ৰিক্সা ভাড়া ৫ টকা হলে ৪ টকা দিবলৈ কৈছে মানে কজিয়া কৰিব কৈছে। আজি ৰাষ্ট্ৰীয় সুৰক্ষা আইন তেওঁলোকৰ ওপৰত জাপি দিব লাগে যি সকলে এনেকুৰা ধৰণৰ উচতনি মূলক মন্তব্য কৰি থাকে। আৰু যি সকলে এই সাম্প্ৰদায়িকতাৰ বিৰোধা চৰণ কৰে তেওঁলোকৰ ওপৰত ক্ষমতাৰ অপ ব্যৱহাৰ কৰি ৰাষ্ট্ৰীয় সুৰক্ষা আইন লগাই দিয়ে। এইটো চৰকাৰৰ ভাল লক্ষণ নহয়। মই ক'ব বিচাৰিছো যে আজি অসম কি পৰ্যায়লৈকে গৈছে সমগ্ৰ ভাৰতৰ ভিতৰতে এই বিষয়টোক লৈ চৰ্চা হয় মুখ্যমন্ত্ৰীক আজি নিন্দা কৰিছে। আজি বিভিন্ন ৰাজ্যৰ পৰা মানৱ অধিকাৰ কৰ্মী সকলে যি প্ৰতিবাদ কৰিছে তাক লৈ আমি লাজ পাওঁ।

**সভাপতি (শ্ৰী ভৱেন্দ্ৰ নাথ ভৰালী)** ঃ হ'ব আপোনাৰ ।

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ) বিধায়ক** ঃ মোৰ আৰু ছয় মিনিট সময় আছে এইখিনি মোক ক'বলৈ দিয়ক, কাৰণ সঁচা কথাবিলাক সদায় তিতা হয়। সঁচা সদায় অপ্ৰিয়। এই কথাবিলাক আজি কিয় ক'ব লগীয়া হৈছে চৰকাৰে অসম খনৰ উন্নয়নৰ কথা শান্তি সম্প্ৰীতিৰ কথা কব লাগে। চৰকাৰৰ মূৰব্বীয়ে কেতিয়াও উচতনি মূলক মন্তব্য দিব নালাগে আৰু অন্য জনগোষ্ঠীক সদায় আক্ৰমনৰ লক্ষ কৰি ল'ব নালাগে। আজি যদি কোৱা হয় যত খিলঞ্জীয়া মানুহ কম আছে তেওঁলোকক আমি বন্দুকৰ License দিম। এইটো কোনো ডাঙৰ কথা নহয় কিন্তু মুখ্যমন্ত্ৰী যদি নিজে বন্দুক লৈ গুলি কৰাৰ ফটো সামাজিক মাধ্যমত দিয়ে ইয়ে এইটো অৰ্থ বহন কৰে যে তোমালোকক বন্দুক আমি এই কাৰণে দিছো যে এই জনজাতিটোক গুলীয়াই মাৰা। এই কথা আজি আমি ভাবি চাব লাগে অসম খন কোন দিশে গৈ আছে। আজি আমাৰ অসমৰ নিবনুৱা সমস্যা আকাশলংঘী হৈছে, অসমৰ বিভিন্ন উদ্যোগ বিলাক আজি মৃত অৱস্থালৈ গৈছে। স্বাস্থ্য খণ্ড আজি পয়া লগা অবস্থালৈ গৈছে। আমি দেখিছো বৰ্তমান সময়তো ঠেলাগাড়ীত বা কান্ধত সাঙী কৰি বেমাৰী সকলক মেডিকেললৈ নিব লগা অৱস্থা হৈছে। এই বিলাক বাতৰি আমি প্ৰায়ে পাই থাকো। অসম ক উন্নতিৰ পথলৈ লৈ যাব পৰা নাই। যেনে হস্পিতেল বিলাকত ঔষধ নাপায় শিক্ষানুস্থান বোৰত আজি ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নাই অৰ্থাৎ যিটো অনুপাত ৩০ঃ১ সেইটো নাই। আজি ২০০/৩০০ বিপৰীতে এজন বা দুজন শিক্ষক আছে। আমি শিক্ষক দিব পৰা নাই সময়মতে পাঠ্যপুথি দিব পৰা নাই। বাজেটত আমি যিমান টকা ধাৰ্য্য কৰো তাৰ মাত্ৰ আমি ২০ শতাংশ মোকলাই দিব পাৰো বাকী ৮০ শতাংশ আমি মোকলাই দিব পৰা নাই। আনকি আজি আমাক বাজেটৰ কপি দিব পৰা নাই ১২৬ জন বিধায়কক। এনেকুৰা যদি বিত্তীয় অৱস্থা হৈছে তেতিয়া হ'লে আমি কেনেকৈ ক'ম যে অসমৰ উন্নয়ন হৈছে। আজি বাজেট ভাষনত বিত্তমন্ত্ৰীয়ে নিজে নিজৰ গুন গাইছে। আমি যদি নিমন্ত্ৰিত

অতিথিক খোৱাৰ আগতে কওঁ যে আমি খুৱ ভাল খানা বনাইছো সেইটো শুদ্ধ নহয়। খানা খাইপেলাই অতিথিয়ে ক'ব ভাল নে বেয়া। আজি বাজেট বক্তব্যত দেখা পাইছো যে নিজে নিজৰ প্ৰশংসা কৰি আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ এটা point of order আছিল........

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ,ধিং)** ঃ এতিয়া point of order ৰ সময় নহয়। আপুনি এটা সময়ত সংসদীয় পৰিক্ৰমা মন্ত্ৰী আছিল গতিকে আপুনি নিজে জানিব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ আমি বাজেটৰ কপি লবীত দিছো।

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ) বিধায়ক** ঃ আমি কিমান বাৰ বিচাৰিলো।

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাচাৰ)** ঃ আমি বহুত বাৰ বিচাৰিলো কিন্তু কপি পোৱা নাছিলো।

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ) বিধায়ক** ঃ ঠিক আছে এতিয়া সময় নষ্ট কৰিব নালাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ এতিয়া বিৰোধীৰ লবীটো বাজেটৰ কপি আছে।

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ)** ঃ এতিয়া দিছে বেলেগ কথা তেতিয়া আমি পোৱা নাছিলো।

**সভাপতি** ঃ আপোনাৰ সময় শেষ হৈছে।

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ) বিধায়ক** ঃ নাই ২- ৩ মিনিট সময় তেখেত সকলে নষ্ট কৰিলে এইখিনি আপুনি দিব লাগিব। যিয়েই নহওক কিয় ( হিন্দীত এটি শ্বায়েৰী পাঠ কৰে) সেইকাৰণে আমি কিছুমান কথা নীৰবে সহিব নোৱাৰো। গতিকে আমাৰ এই দলৰ জন্মৰ আগৰে পৰা আমাৰ এই জাতিটোক কষ্ট দি আহিছিল আৰু আমাৰ প্ৰতিনিধি সকল নিৰবে আছিল। আৰু আজি এইটো প্ৰতিপন্ন হৈ গল যে দেশৰ নাগৰিককে বিদেশী সজোৱা হল গতিকে আমি বিচাৰো যে এইবোৰ বন্ধ হব লাগে আৰু ৰাজ্যপাল মহোদয়ৰ ভাষণত এইবোৰ অন্তৰ্ভক্ত হ'ব লগিব।

সভাপতি ঃ এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** মাননীয় সভাপতি মহোদয়, মই ৰাজ্যপাল মহোদয়ৰ ভাষণৰ সমৰ্থনত দুআষাৰ ক'ব বিচাৰিছো। বিৰোধী বিধায়ক সকলে ভয় খাইছে। তেওঁলোকে পাহৰি গৈছে যে এইখন শংকৰ মাধৱৰ দেশ। আৰু তেখেত সকলে হিন্দীত বহুত কিবা কিবি কবিতা পাঠ কৰিছে। মই ইংৰাজী এটা যুজাৰু মন থকা ব্যক্তিৰ গীতাৰ শ্লোক এটি পাঠ কৰিব বিচাৰিছো। For a Warrior there is no better engagement than fighting for the upholding of righteousness. অৰ্থাৎ এজন যুজাৰুৰ কাৰণে যিটো সত্য তাৰ কাৰণে যুজাটোহে আচল যুজাৰু। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেনে এক যুজাৰু মন লৈ ৰাজ্য খন আগুৱাই লৈ গৈছে। মই বহুদিনৰ পৰা বিধায়ক হৈ আছিলো। কংগ্ৰেছৰ বিধায়ক এটা সময়ত আছিলো। কংগ্ৰেছ ধ্বংস হ'ল কিয়, ২০১৩ চনত ৪১ টা গড় হত্যা হৈছিল। ২০১৪ চনত ২৭ গড় হত্যা হৈছিল। মই আজি আহোতে এজন বয়স্ক বৃদ্ধ ব্যক্তিয়ে ক'লে, এইবাৰ আকৌ ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিজেপি নেতৃত্বধীন মিত্ৰজোঁটৰ চৰকাৰ হ'ব। মই তেখেতক সুধিলো যে কিয় আপুনি ক'লে, বোলে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই একেৰাহে তৃতীয় বাৰৰ বাবে প্ৰধানমন্ত্ৰী হোৱাৰ অন্য এটা কাৰণ, তেখেতে দূৰদৰ্শী চিন্তা কাম লগতে মহিলাক বিত্তমন্ত্ৰী হিচাপে লোৱাৰ কাৰণে এটা সুন্দৰ সিদ্ধান্ত লৈ তেখেত আগবাঢ়িল যাৰ কাৰণে তেখেতে তৃতীয় বাৰৰ বাবে প্ৰধানমন্ত্ৰী হ'ল আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত তৃতীয়বাৰৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ চৰকাৰ হ'ব, এইটো নিশ্চিত। সেয়া বিৰোধীয়ে অকনমান সংকিত হৈছে, এইটো স্বাভাৱিক।

ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বধীন চৰকাৰখনে অসমৰ চাৰিখন ঐতিহাসিক শান্তি

চুক্তি কৰিলে। বড়ো শান্তি চুক্তি, কাৰ্বি শান্তি চুক্তি, আলফা শান্তি চুক্তি আৰু আদিবাসী শান্তি চুক্তি। ইয়াৰ এটা দূৰদৰ্শী চিন্তাৰে অসমখনত শান্তি প্ৰতিষ্ঠা কৰাৰ বাবে পদক্ষেপ। আজিৰ অসমখন এটা শান্তিৰ পৰিৱেশলৈ গৈ আছে। ইয়াত যদি আমি আকৌ মনলৈ আনো চৰকাৰৰ খনৰ দায়িত্ব আছিল দূৰ্নীতি একেবাৰে শূণ্য কৰি দিয়া। আজি বৰ্তমান চৰকাৰখনে চাওঁতে চাওঁতে ১.৬০ লাখ মান লৰা -ছোৱালীক এটকাও দিবলগীয়া নোহোৱাকৈ চাকৰি পাইছে, স্বচ্ছ নিকা পদ্ধতিৰ নিযুক্তি হৈছে আৰু দূৰ্নীতি একেবাৰে নাইকিয়া কৰিবলৈ বিচাৰিছে।

এতিয়া প্ৰযুক্তি বিদ্যাৰ মাধ্যমৰে বসুন্ধৰা ১, ২ আৰু এতিয়া ৩ ৰ জৰিয়তে মাটিৰ পট্টা দিয়া পদক্ষেপ গ্ৰহণ কৰি ২ শ বছৰীয়া চাহ-শ্ৰমিকসকলক, য'ত ভাৰত বা অসমৰ অৰ্থনীতিৰ অৰদান আগবঢ়ালে তেওঁলোকৰ আজিলৈকে মাটিৰ পট্টা নাছিল। আজি তেওঁলোকক পট্টা দিবলৈ গৈ আছে।

আজি ৪০ বছৰৰ পিছত ১৯৮৫ চনত অসম চুক্তি হৈছিল, অসমৰ শ্বহীদসকলক কেৱল সন্মান নহয়, অসমৰ প্ৰত্যেক জনগণক সন্মান জনাই ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বধীন চৰকাৰখনে শ্বহীদ স্মাৰক নিৰ্মাণ কৰিছে।

আজি BTR অঞ্চলৰ ৰাইজৰ বাবে বিশ্ববিদ্যালয় নাছিল, ইঞ্জিনিয়াৰিং কলেজ নাছিল। আজি কোৱা হৈছে সংখ্যালঘু লোকৰ কথা। সংখ্যা লঘু লোকৰ বাবে ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বধীন চৰকাৰখনে যিখিনি কৰিছে, ইতিহাসেও ক'ব। আজি নগাওঁ মেডিকেল কলেজ, ধুবুৰীত মেডিকেল কলেজ। আজি সকলোতকৈ পৃথিৱীৰ দীৰ্ঘতম নদী দলং ফুলবাৰী দলঙৰ নিৰ্মাণ কাৰ্য্য চলি থকা।

এই কথাখিনিৰ উপৰিও আমি যদি আৰু ক'বলৈ যাওঁ, আজি এই চৰকাৰখনে ঝুমুৰ নৃত্য হওঁক, বিহু হওঁক, সকলোবোৰ বিশ্বদুৱাৰত প্ৰতিষ্ঠা কৰিবলৈ বিচৰিছো। বৰাকত যদি আকৌ মিনি সচিবালয়, উজনিৰ ডিব্ৰুগড়ত দ্বিতীয়খন বিধানসভা পাবলৈ গৈ আছো আৰু তাত উজনিৰ ৰাইজে প্ৰায় ২ ঘন্টাৰ ভিতৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক লগ কৰিবলৈ পাৰিব।

আজি Advantage Assam ৰ জৰিয়তে উদ্যোগিকৰণ এটা নতুন ব্যৱস্থা। লাখপতি বাইদেউৰ যোগেদি আজি যদি আমি দাতা চাওঁ, দাতাই কয় যে আজি crime rate ৰ সংখ্যা প্ৰায় ৬০ শতাংশ কমি গ'ল।

Proverty rate ৰ কথা যদি কওঁ, ৩৬ শতাংশৰ পৰা ১৯ শতাংশলৈ কমি আহিল। বিশেষকৈ অৰুনোদয় আঁচনিটোৱেও এটা যুগান্তকাৰী অৱদান আগবঢ়াইছে।

আকৌ যদি চৰাইদেউ মৈদামৰ কথা ক'বলৈ যাওঁ, ১৪০ বিঘা মাটিত সন্দেহযুক্ত নাগৰিকৰ পৰা মুক্ত হ'ল। মডেল অংগনবাডী কেন্দ্ৰ আমি শুনিছো, মডেল স্কুল শুনিছো, কিন্তু মডেল কলেজ বা মডেল বিশ্ববিদ্যালয় এতিয়া হৈ আছে।

মোৰ সমষ্টি মৰিয়নীত আগতে যিমান কলেজ স্থাপন কৰিছিল, ৰাইজে দান-বৰঙণিৰ জৰিয়তে স্থাপন কৰিছিল। স্বাধীনতাৰ ৮০ বছৰ পিছত পোন প্ৰথমবাৰৰ বাবে ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বধীন চৰকাৰখনে মৰিয়নী সমষ্টিত চৰকাৰে নিজে আদৰ্শ মহাবিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাই হওঁক, এতিয়া শুনিছো C M - 3.0 আৰু Arunodoi 4.0 ও আহিব, শংকৰদেৱ গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থান আজি আৱিৰ্ভাৱ ক্ষেত্ৰলৈ ৰূপান্তিৰত কৰাই হওঁক, এটকাও নিদিয়াকৈ চাহ - বাগানৰ সন্তানে APSC ত চাকৰি পাব বুলি কোনেও ভবা নাছিল। আজি মৰিয়নী সমষ্টিত দুজনকৈ চাহ-শ্ৰমিকৰ সন্তানে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বধীন এই চৰকাৰখনৰ দিনত, আজি APSC ত চাকৰি পাই ACS বিষয়া হিচাপে এতিয়া ধুবুৰীত As-

sistant Commissioner হিচাপে আছে। হৰি চন্দ ভূমিজ এতিয়া হাইলাকাণ্ডিত DSP হিচাপে আছে। আগতে চাহ বাগানৰ আদিবাসী লৰাই আগতে ২৫ লাখ, ৩০ লাখ টকা দিও ASPC ত চাকৰি সম্ভৱ নাছিল।

মৰিয়নী সমষ্টিত মোৰ নাম বিখ্যাত হৈ পৰিছিল, কাৰণ অসম- নাগালেণ্ড সীমান্তত কাজিয়া লাগে আৰু TV ত মই ওলাই থাকো। এতিয়া ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বধীন চৰকাৰখনৰ দিনত আন্তঃৰাজ্যিক যিবোৰ সীমা সমস্যা আছে, সেই সীমা সমস্যাবোৰ প্ৰায় নোহোৰা হৈ পৰিছে। অসম- নাগালেণ্ড বুলি নহয়, অসম-মেঘালয় বুলি নহয়, অসম- অৰুণাচল বুলি নহয়, সকলোখিনি সীমাৰ সমস্যা প্ৰায় কমি অহা ব্যৱস্থা গ্ৰহণ কৰাই হওঁক, য'ত আগতে এটাও ষ্টেডিয়াম নাছিল, এতিয়া ৩ নং ষ্টেডিয়াম মৰিয়নী সমষ্টিত লাভ কৰিছো। সমগ্ৰ অসমতেই আজি ৰোগী সকলৰ কাৰণে নতুন নতুন ব্যৱস্থা, নতুন লেখক সকলক উদঙনি দিয়া পদক্ষেপই হওঁক, কৰ্মচাৰীসকলক আপোন ঘাৰ, আপোন বাহন। ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বধীন চৰকাৰখনে অসমীয়াৰ কাৰণে খিলঞ্জীয়াৰ কাৰণে কাম কৰি আছে আৰু ইয়াতেই প্ৰতিপন্ন হৈছে শংকৰ - মাধৰদেৰৰ এই দেশ আৰু শংকৰ - মাধৰদেৱ দুয়োজনাৰ শ্লোক, বাণীৰে মহামহিম ৰাজ্যপাল মহোদয়ে যি বক্তব্য ৰাখিছিল, তাৰে ধন্যবাদসূচক প্ৰস্তাৱত মই তেখেতলৈ ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিছোঁ। ধন্যবাদ।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, সভাপতি** ঃ ধন্যবাদ, এতিয়া সন্মানীয় সদস্য শ্ৰী নিহাৰ ৰঞ্জন দাস।

**শ্ৰী নিহার রঞ্জন দাস (ধলাই সমষ্টি)** ঃ- মাননীয় সভাপতি মহোদয়, মহামহিম রাজ্যপাল মহাশয়ের ভাষনে মূলত ড০ হিমন্ত বিশ্ব শর্মার নেতৃত্বে যে আসাম সরকার চলছে এই সরকারের আর্থিক প্রগতির দিক এবং আর্থ সামাজিক অবস্থার চিত্র সুন্দর ভাবে ফুটে উঠেছে। আমরা লক্ষ [illegible] ২০২০ থেকে ২০২৫ পর্যন্ত আসামের ঘরোয়া উৎপাদন ৪০ শতাংশ বেড়েছে, যেখানে ভারতবর্ষের গড় ২৯ শতাংশ। এতে স্পষ্ট যে ড০ হিমন্ত বিশ্ব শর্মার নেতৃত্বে আসাম প্রগতির দিকে এগিয়ে যাচ্ছে, একটা উন্নত রাজ্যের দিকে এগিয়ে যাচ্ছে। এখানে ঋণের কথা বলা হয়েছে বেঙ্ক বা একটা আর্থিক প্রতিষ্ঠান তখনই ঋণ দেবে যদি ঋণ পরিশোধ করার ক্ষমতা থাকে। এই সরকারের ক্ষমতা আছে ঋণ পরিশোধ করার। যতটুকু ক্ষমতা আছে ততটুকু পর্যন্ত এখনও ঋণ নেওয়া হয়নি। আমারা দেখেছি যে কর্ণাটকে কংগ্রেস সরকার চলছে এই অর্থ বছরে ১ লাখ ৭১ হাজার কোটি টাকার ঋণ নিয়েছে। এই অর্থ বছরে ৭ লাখ ৭১ হাজার ঋণে পোঁচেছে। শুধু এই বছরেই ১ লাখ ১২ হাজার কোটি টাকা ঋণ নিয়েছে। আমাদের পার্শ্ববর্তী রাজ্য পশ্চিম বঙ্গের দিকে দেখি তাহলে দেখবো তাদের ঋণ ৭ লাখ ৬৪ হাজার টাকায় পৌঁচেছে। শুধু এই বছরে ১ লাখ ১৬ হাজার কোটি টাকার ঋণ নিয়েছে। সুতরাং এই দিকে লক্ষ করলে আমরা দেখবো যে আমাদের আসামের আর্থিক অবস্থা অনেক ভালো। আমাদের আসামের অনেক ছেলে-মেয়ে বেঙ্গালোর, অন্ধ্রপ্রদেশ আরও বিভিন্ন জায়গায় যায় চাকরির জন্য। আসামে কিভাবে কর্ম-সংস্থানের ব্যবস্থা করা যায় তার জন্য মাননীয় মুখ্যমন্ত্রী চেষ্টা করছেন। আমরা লক্ষ্য করেছি যে Semiconductor project হয়েছে, সেখানে ২৭ হাজার ছেলে-মেয়ে চাকরি পাবে। Advantage Assam (II) র মাধ্যমে এখানে investment আসছে। আমরা আশা করছি যে আসামে ৫ লাখ ১৮ হাজার কোটি টাকা invest হবে ইতিমধ্যে ১লাখ ৪৩ হাজার কোটি টাকার project এর কাজ আসামে শুরু হয়েছে। এতে স্পষ্ট যে আসামের ছেলে-মেয়েরা আসামে চাকরী পাবে। অদূর ভবিষ্যতে তাদের গুজরাট, বেঙ্গালোর বা অন্ধ্রপ্রদেশ গিয়ে চাকরি করতে হবেনা, আসামের

ছেলে-মেয়েরা আসামেই চাকরি পাবে। শুধু তাই নয় CM triple র মাধ্যমে ২৫ হাজার যুবক-যুবতীকে প্রশিক্ষণের মাধ্যমে তাদের আর্থিক সহযোগিতার মাধ্যমে স্বাবলম্বী করার চেষ্টা চলছে। একটা দেশের অর্থনীতি তখনই উন্নত হয় যখন মানুষের purchasing capcity ৰাড়ে। purchasing capcity বাড়ানোর জন্য এই সরকার বিভিন্ন skill development এর চেষ্টা করছে বিশেষ করে চা বাগান অঞ্চলে যারা বসবাস করে তারা আজকের দিনেও আর্থিকভাবে অনেক পিছিয়ে আছে। সেজন্য চা বাগানের মানুষদেরকে কিভাবে আর্থিকভাবে সমৃদ্ধ করা যায় তার জন্য এখানে Jagannath community hall & skill centre এর ব্যবস্থা করছে। চা বাগানে ভালো রাস্তার ব্যবস্থা করা হচ্ছে। চা বাগানের মহিলাদের আর্থিক সুবিধা দেওয়া হচ্ছে। চা বাগানে আয়ুষ্মান আরোগ্য মন্দিরের ব্যবস্থা করা হয়েছে যাতে চিকিৎসার সু-ব্যবস্থা পাওয়া যায়। এই সরকার Technical Education এর উপর জোর দিচ্ছে। ইতিমধ্যে ৬ টা ইঞ্জিনিয়ারিং কলেজ ও ৫ টা Polytechnical college কাজ চলছে। মানুষ যাতে স্বাস্থ্য সুবিধা পেতে পারে তার জন্য সরকার ইতিমধ্যে অনেক গুলো মেডিকেল কলেজ স্থাপন করেছেন। ১১ টা B.E.D College ১১ Law College এর কাজ চলছে। সব দিকে যাতে পরিকাঠামোর উন্নতি করা যায় তার জন্য চেষ্টা করছেন সেটা মহামহিম রাজ্যপালের কথায় ফুটে উঠেছে। PWD department র মাধ্যমে যোগাযোগ ব্যবস্থার এক আমুল পরিবর্তন হয়েছে। আজকের দিনে আসামের বিভিন্ন প্রান্তে বড় বড় রাস্তা হয়েছে। PMGSY এর মাধ্যমে আজ গ্রামে গঞ্জে সিসি ব্লকের রাস্তা হয়েছে। ভারতমালার project চলছে। এই সরকারের দিনে ২৯ হাজার কিলোমিটার পাকা রাস্তা হয়েছে যা একটা দূর্দান্ত পদক্ষেপ বলতে পারি। এই সরকার Model Anganwadi র উপর বিশেষ জোর দিচ্ছে। ২ হাজার ৫৪ টা Model Anganwadi centre গড়ে তোলার পরিকল্পনা হাতে নিয়েছে। Model Anganwadi centre মানে কি যেখানে ছোট ছোট বাচ্চারা পড়াশুনা করবে। আজকের দিনে সরকারের চিন্তাধারার পরিবর্তন ঘটেছে, এই সরকার মনে করে আজ যারা শিশু তারা ভবিষ্যতে এদেশের সম্পদ হবে সেজন্য এই সম্পদকে সব রকম সুবিধা দিয়ে তাকে গড়ে তুলতে হবে। সেই শিশুরা একদিন বড় Scientist, Engineer, Politician হবে আর তাকে সব ধরণের সুবিধা দিয়ে গড়ে তুলতে হবে। আজকের দিনে স্কুল বিল্ডিং হচ্ছে আর আমরা লক্ষ্য করছি সেখানে Computer lab, Science lab করা হচ্ছে, কিসের জন্য এগুলো করা হচ্ছে যাতে আমাদের সম্পদ শিশুদের বিভিন্ন সুবিধা দিয়ে তাকে গড়ে তোলা হয় যাতে তারা বিভিন্ন দিক দিয়ে প্রতিষ্ঠিত হয়ে আমাদের দেশের গৌরব বৃদ্ধি করতে পারে। আমি মাননীয় মুখ্যমন্ত্রীকে অশেষ ধন্যবাদ জানিয়ে আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**শ্রী মিসবাহুল ইসলাম লস্কর (বরখোলা) ঃ** মহামহিম রাজ্যপাল ভাষণ শুরু করেছিলেন মহাপুরুষ শ্রীমন্ত শঙ্কর দেবের একটা উক্তি দিয়ে। উক্তিটি ছিলো “সমস্থ প্রাণীক দেখিবে আত্মসম। উপায় মধ্যতে ইটো অতি মুখ্যত।” means Regard all Living beings as equal to your own self. Among all parts, this is the format. আরু এটা তেখেতে উক্তি দিছিলে সেইটো হ'ল “কুকুর, শৃগাল গর্ধভরো আত্মা রাম। জানিয়া সবাকো পরি করিবা প্রণাম।” The dog, the jackal and even the donkey are emblems of the divine, knowing this bow down in beverance to all. কিন্তু কার্য্যক্ষেত্রে দেখা যায় তার উল্টো। এখানে বলা হয়েছে এই সরকার ১ লাখ ৫৬ হাজার চাকরি দিয়েছে। আসামে **১২৬** টি সমষ্টি আছে আমাদের বরাক ভেলিতে কমে এখন **১৩** টা হয়েছে। বরাক ভেলিতে এক হাজারও

চাকরি হয় নাই। কিন্তু whereas আমাদের ছেলে-মেয়েরা NEET এ ভালো রেজাল্ট করছে JEE তে ভালো রেজাল্ট করছে শুধু সরকারি চাকরিতে পারেনা। আমার সমষ্টিতে একটা হাসপাতালে ৩৪ টা 4th grade appointment হয়েছে কিন্তু এই ৩৪ টা appointmentও ব্রহ্মপুত্র ভেলির । আমাদের বরাক ভেলির ছেলে-মেয়েদের এমনই ভাগ্য খারাপ যে তারা 4th grade চাকরির সুযোগ পায় না। তারা জীবিকা পালনের জন্য বেঙ্গালোর বা অন্যত্র যায় কিন্তু সেখানে অ-স্বাস্থ্যকর পরিবেশ বা আরও অন্যান্য সুযোগ সুবিধা না থাকার জন্য তাদের প্রাণ যায় এটাই আমাদের বরাক ভেলির অবস্থা। উন্নয়নের ক্ষেত্রে রাজ্যপালের ভাষণে একটা উল্লেখ আছে যে বরাক ভেলিতে উন্নয়নের একটা বিভাগ খোলা হয়েছে, সেখানে একজন মন্ত্রীও আছেন। আপনি শুনলে আশ্চর্য হবেন একটা বিভাগের allocation মাত্র ১০৫ কোটি টাকা তার কর্মচারী T.A bill এইসবেই তো ১০০ কোটি চলে যাবে উন্নয়ন হবে কোথা থেকে? এখানে অনেক ব্রিজের কথা বলা হয়েছে । কংগ্রেস আমলেও অনেক ব্রিজ করা হয়েছে । আমি সদিয়াতে গিয়েছিলাম সেটা নাকি এশিয়ার মধ্যে দ্বিতীয় বৃহৎ ব্রিজ ব্রহ্মপুত্রের উপরে আমাদের মাননীয় তরুণ গগৈ আমলে সেটা হয়েছিল। কিন্তু আমদের দুর্ভাগ্য আমার সমষ্টিতে রয়েছে রাজ্যগড় বলে একটা জায়গা সেখান থেকে মাত্র তিন কিলোমিটার দূরে ভারতমালা প্রকল্পের কাজ চলছে। সেই প্রকল্পের সুবিধা পাওয়ার জন্য এই অঞ্চলের মানুষেরা অনেক আন্দোলন করেছে কিন্তু সরকার আজ পর্যন্ত কিছু করে নাই । আমার সরকারের কাছে অনুরোধ থাকবে যাতে এই ব্রিজটার দিকে একটু নজর দিতে। এই সরকার সবসময় বলে থাকে খিলোঞ্জিয়া খিলোঞ্জিয়া, আমাদের বরাক ভেলির খিলোঞ্জিয়ার একটা গ্রুপ আছে বিষ্ণুপ্রিয়া সম্প্রদায়। তাদের কিছু দাবী আছে সেই দাবীও খুব মামুলি দাবী । কংগ্রেস সরকার তাদের দিয়েছিল ওবিসি। কিন্তু এই ওবিসিটা শুধু রাজ্যে মধ্যে, তাদের দাবী হল All India level তারা যেনো OBC status পায়। দ্বিতীয়ত কংগ্রেস সরকার প্রাথমিক শিক্ষায় তাদের মাতৃভাষা দিয়েছিল কিন্তু এখন এই মাতৃভাষা পড়ানোর কোনে শিক্ষক নেই সব অবসর গ্রহণ করেছেন। সেজন্য তারা ২৫০ জন শিক্ষক চাইছেন। আরও একটা দাবী ছিলো তাদের একটা Development council ছিলো যেটা তরুণ গগৈ সরকার দিয়েছিল কিন্তু বিগত পাঁচ বছর থেকে সেই Development council কোন টাকা দেওয়া হয় নাই। আমার সরকারের কাছে অনুরোধ তাদের এই টাকাটা যাতে অতি তাড়াতাড়ি দেওয়া হয়। তারা অনশন করছেন এর মধ্যে 2 জন অসুস্থ হয়ে হাসপাতালে আছেন। মুখ্যমন্ত্রীর কাছে অনুরোধ উনি অন্তত একজন দূত পাঠিয়ে উনাদের ডেকে এনে কথা বলা হোক। তারা ৫ জন অনশন করেছিলো তাদের মধ্যে ২ জন হাসপাতালে আর তিন জনও মারা যাবে। এই সরকার ২ টা Municipality কে up-grade করে Corporation করেছিলো। ডিব্রুগড়ের Corporation হয়ে গিয়েছে নুতন মেয়র হওয়ার পর কাজও চলছে কিন্তু আমাদের শিলচরে একটা Corporation হয়েছে বরখোলার একটা অংশও ঢুকেছে কিন্তু ১০ বছর হয়ে গেলো কোন Election নেই। আমি চাই Elelction হোক। আরও অনেক কথা বলার ছিলো কিন্তু সময় কম। আমি রাজ্যপালের ধন্যবাদসূচক প্রস্তাবের বিরোধিতা করে আমার বক্তব্য শেষ করছি।

**মাননীয় উপাধ্যক্ষ ঃ ধন্যবাদ, এতিয়া অনাৰেবল মেম্বাৰ মনোৰঞ্জন তালুকদাৰ ।**

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ উপাধ্যক্ষ মহোদয়, আমাৰ ট্ৰেজাৰী বেঞ্চৰ এই প্ৰস্তাৱ-ৰাজ্যপালৰ ভাষণৰ ওপৰত সমৰ্থন কৰি এটা উন্নত ছবি আঁকিবলৈ চেষ্টা কৰিছে বা নিশ্চিতভাৱে চেষ্টা কৰিব । বহুতো বাট পথ -দলং , কলেজ-ইউনিৰ্ভাচিটি আদিকে ধৰি বহু ক্ষেত্ৰত তেওঁলোকে**

উত্থাপন কৰিছে । এই সকলো ডেভল'পমেন্টে এটা মাপকাঠিত লৈ নিটি আয়োগে এটা প্ৰতিবেদন দাখিল কৰে । নিটি আয়োগৰ প্ৰতিবেদনখনক এটা প্ৰামাণিত দলিল হিচাপে গণ্য কৰা হয় । স্বাস্থ্য ক্ষেত্ৰত আমাৰ যিমান মেডিকেল কলেজ হৈছে কিন্তু সৰ্ব্বভাৰতীয় স্বাস্থ্য ক্ষেত্ৰত আমাৰ ৰাজ্যখন ২৬ নম্বৰত আছে । ইয়াত শিক্ষা ক্ষেত্ৰৰ কথা বহুত কোৱা হৈছে । এই ক্ষেত্ৰত আমি সৰ্ব্বভাৰতীয় ক্ষেত্ৰত শিক্ষাত আমি ২৫ নম্বৰত আছো । আৰু যিটো ক্ষুধাৰ কথা কৈছে, এই ক্ষুধাৰ কথা লৈ মাননীয় অমিয় ভুঁঞাই কৈছে যে, কোনো মানুহ আজি অসমত ক্ষুধাত নাথাকে - কিন্তু এই ক্ষেত্ৰত আমি ২২ নং স্থানত আছো । লিংগ সমতাত আমি ২৫ নম্বৰত আছো । অৰ্থনৈতিক উন্নয়ণৰ বহুত ঢাক ঢোল বজোৱা হ'ল । কিন্তু সৰ্ব্বভাৰতীয় ক্ষেত্ৰত আমাৰ স্থান ২৩ নম্বৰত । প্ৰসুতি আৰু সদ্যজাত শিশুৰ মৃত্যুৰ হাৰৰ ক্ষেত্ৰত উদ্বেগজনকভাৱে আমাৰ ৰাজ্যখনত আছে । এনে অৱস্থাত অন্য অন্য যিবিলাক প্ৰসংগ আছে এই ক্ষেত্ৰত মই যোৱাকালি দৃষ্টি আকৰ্ষণ কৰিছিলো যে এ পি এচ চি ৰ এটা ৰিজাল্ট ওলাইছিল , ৰিজাল্ট ওলোৱাৰ পিচত আমি বহু ঢাক ঢোল বজালো যে, এইক্ষেত্ৰত এটা ৰিফৰ্ম হ'ল কিন্তু দেখা গ'ল যে সেই ৰিজাল্ট কেনচেল কৰিব লগা হ'ল । আকৌ নতুন ৰিজাল্ট অনাৰ ব্যৱস্থা কৰিব লগা হ'ল । যদি ৰিফৰ্ম হৈছে তেনেহ'লে এইটো কিয় হ'ল । যদি এ পি এচ চি ৰিজাল্টটোকে কাৰেক্টলী দিব নোৱাৰে গতিকে এই কথা বতৰাবিলাক আমি নিশ্চয়কৈ চিন্তা কৰিব লাগিব । অৰুণোদয়ৰ ক্ষেত্ৰত আমি বহু কথা আলোচনা কৰিছো কিন্তু আমি আমাৰ সমষ্টিবিলাকত দেখি আচৰিত হৈছো যে, পূৰ্বৰে পৰা পাই থকা বিধবাসকল বা বিয়া নোহোৱা মহিলা সকল ৰ অৰুণোদয় কৰ্ত্তণ হৈছে । বাৰে বাৰে আবেদন জনোৱাৰ পিচতো তেওঁলোকে পোৱা নাই । এই ক্ষেত্ৰত এতিয়ালৈকে নিশ্চিতভাৱে হয়তো ঠিক কৰা হোৱা নাই । মোৰ সমষ্টিতে বহু সমস্যা আছে , তাৰ ভিতৰত এটা অসম মালাৰ ৰাস্তা দিছিলে , সেই ৰাস্তাৰ টেণ্ডাৰ কৰিলে আৰু মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিলে যে, যোৱা নবেম্বৰ মাহৰ ভিতৰত সকলো গড়কাপ্তানি বিভাগৰ সকলো কাম আৰম্ভ কৰিব লাগিব আৰু আমি ভাবিছিলো যে, নবেম্বৰ মাহৰ পৰা ডিচেম্বৰ - জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চৰ ভিতৰত বাৰিষাৰ আগে আগে কামখিনি শেষ হ'ব । কিন্তু এই অসম মালাটো গৈ ডিচেম্বৰৰ ১১ তাৰিখে প্ৰিলিমিনাৰী অৰ্ডাৰ দিলে যে, প্ৰধান মন্ত্ৰী আহি ১১ মাৰ্চতহে আহি আধাৰশিলা স্থাপন কৰিব । গতিকে এই ৰাস্তাটোৰ কাম কেতিয়া কৰিব । এই সময়ত বাৰিষাও আহিব - ইলেকশ্যনো আহিব । গতিকে এই সমস্যাবিলাকৰ ক্ষেত্ৰত যিবিলাক বিলম্বিত হৈছে এই ক্ষেত্ৰত আমি জৰ্জ্জৰিত হৈছো । আমি শাসক দলে ব্ৰীজ নিৰ্মাণৰ ক্ষেত্ৰত বহুত কথাই কৈছে - সমষ্টিটোত বহুত ব্ৰীজ আছে কিন্তু মই মাত্ৰ এখন ব্ৰীজৰ কথাই কৈছিলো । সুতদাবাৰী গাওঁ আৰু সুতদাবাৰীপথাৰ গাওঁৰ এখন ব্ৰীজৰ কথা কৈছিলো, যিখন ব্ৰীজৰ বাবে ২৮ কোটি টকা প্ৰাক কলন প্ৰস্তুত কৰা হ'ল। তাৰ পিচতো সাম্প্ৰদায়িক দৃষ্টিকোণৰ পৰা বিচাৰ কৰি এই ব্ৰীজখন আজি পৰ্য্যন্ত নকৰিলে । অৰ্থনৈতিক ক্ষেত্ৰত যিবিলাক উজ্বল ছবি দাঙি ধৰিছে সেই বিষয়ে মই আজি একো আলোচনা নকৰো । কালি বাজেট ডিচকাশ্যনত এই বিষয়বিলাক আমি তুলি ধৰিম । মই এটা মাত্ৰ বিষয় কৈ শেষ কৰিম । সেইটো হ'ল ১০৮ চাৰ্ভিছৰ কথা । আমাৰ জি ভি কে ই এম আৰ আই - গ্ৰীণ হেলথৰ লগত চুক্তি কৰি আমাৰ অসমত ১০৮ লোৱা হৈছিল । তাতে ৩০০ এমপ্লই যুক্ত হৈ আছিল । তেওঁলোকক চিডুল ৱৰ্কাৰ হিচাপে চাকৰি দিয়া হৈছিল । ষ্টিল ৱৰ্কাৰ হিচাপে মজুৰি তেওলোকক দিয়া নাছিল । এই অৱস্থাত তেওঁলোকে আন্দোলন লৈকে গ'ল । শেষত তাৰে ১০০০ এমপ্লইক ৰিটেনচ কৰি দিলে । বহু চেষ্টাৰ পিচত তাৰে কিছুমানক ৰিইনষ্টেট কৰিছে । তাৰপাছত বহু চেষ্টা কৰাৰ পিছত কিছুমানক reinstate কৰিছে সচাঁ, কিন্তু এতিয়াওঁ চাৰে চাৰি শ

তকৈ বেছি employee reinstate হোৱা নাই। ৰাজ্যখনত যদি employment ৰ অৱস্থা এইটো হয় আৰু ১ লাখ ৫৮ হাজাৰৰ কথাটো কাইলৈ বাজেটত ক'ম। স্বাভাৱিকতে এনেকুৱা এটা অৱস্থাৰ পৰা ৰাজ্যখন যাতে মুক্ত হয় মই সেই ক্ষেত্ৰত আৱেদন জনাই ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** সন্মানীয় সদস্য শ্ৰী ওৱাজেদ আলি চৌধুৰী। আপোনাক দলে ৫ মিনিট দিছে।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ সমষ্টিৰ কেইটামান জলন্ত সমস্যাৰ বিষয়ে চৰকাৰক অৱগত কৰিব বিচাৰিছো। প্ৰথম কথা হ'ল আজি ১০ বছৰৰ পৰা শ্ৰীসৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ চৰকাৰৰ পৰাই আৰম্ভ কৰিছিলো। আমাৰ Civil District হৈছে ধুবুৰী। কিন্তু Police District হৈছে চাউথ শালমাৰা মানকাছাৰ। এই কথাটো ১০ বছৰৰ পৰাই লাগি আছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এইবিষয়ে লিখিতও দিছো। প্ৰত্যেক বিধান সভাতেই মই এই বিষয়ে প্ৰশ্ন উত্থাপন কৰো। এটা সামান্য কাম। মই ভাৱো যে ইচ্ছা কৰি এই কামটো কৰা নাই নহ'লে এই কামখিনি কৰিবলৈ ইমান সময় কিয় লাগে? তাৰোপৰি আমাৰ চৰ অঞ্চলত এটা outpost আছে, বন্দিয়ানা, সেইটো up-grade কৰি থানা হিচাপে আমি বিচাৰিছিলো। সেইটো consideration ত আছে বুলি কৈছে, কিন্তু এতিয়ালৈকে এইটো up-grade নহ'ল। গতিকে এই police ৰ ক্ষেত্ৰত চৰকাৰে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বহু কাম কৰা বুলি বহুত প্ৰশংসা আদায় কৰিলে। কিন্তু মোৰ সমষ্টি এই সামান্যখিনি কামো তেখেতৰ দ্বাৰা নহ'ল আৰু এটা সমস্যা আছে, সেইটো সদনৰ প্ৰত্যেকৰে জ্ঞাত। এখন দলং, আজি বহু বিধায়কে বহু দলং পাইছে। এখন দলং SOPD ৰ টকাৰে আমি নিৰ্মাণ কৰিবলৈ ওলাইছিলো, সেইটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰামৰ্শ মতে। সেই সময়ত বৰ্তমানৰ মুখ্যমন্ত্ৰী PWD Minister আছিল। তেখেতে কৈছিল আপোনাৰ সমষ্টিত যিখিনি SOPD ৰ টকা দিয়া হৈছে, সেই টকাখিনি দি আপুনি দলংখন বনাওক। কাৰণ সেই দলংখন বৰ গুৰুত্বপূৰ্ণ। কিন্তু সেই দলংখনৰ কাম এনেকুৱা এজন ঠিকাদাৰক দিলে যিজনে ৫ বছৰ অতিবাহিত হোৱাৰ পাছতো সেই দলংখনৰ কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে। প্ৰায় ৭ টা গাওঁ পঞ্চায়তৰ লগত সংলগ্ন, নাৱেৰে পাৰ হ'বলগীয়া হয়, খুৱ প্ৰয়োজনীয় আছিল কাৰণে দলংখন দিয়া হৈছিল। কিন্তু ঠিকাদাৰৰ বিৰুদ্ধে চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা ল'ব নোৱাৰিলে নিশ্চয় ইয়াৰ কাৰণ আছে। সেই ঠিকাদাৰজন হ'ল অশোক সিংহী, Gautam Construction. আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও আশ্বাস দিছিল, আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াইও আশ্বাস দিছিল। কিন্তু এতিয়ালৈকে সেই কামটো নহ'ল। তৃতীয়তে, আমাৰ ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত আমাৰ বৃহত্তৰ অঞ্চল গুচি গৈছে। যোৱাবাৰ দক্ষিণপাৰৰ ফকিৰগঞ্জ অঞ্চলৰ গোহাগবাজা গড়াখহনীয়াত শেষ হৈ গ'ল। আমাৰ মন্ত্ৰী মহোদয়ক অনুৰোধক্ৰমে তেখেতক লৈ গৈছিলো। তেখেতে আশ্বাস দিছিল আৰু ইতিমধ্যে ADP আঁচনি এখন ধৰিছে টেণ্ডাৰ হৈ গ'ল। প্ৰায় ৬ মাহ হ'ল। এতিয়ালৈকে আৱণ্টন দিয়া হোৱা নাই। আকৌ বানপানী আহি আছে। আজি মন্ত্ৰী মহোদয় সদনত নাই, তেখেতক আমি বিশেষভাৱে অনুৰোধ জনাইছো যে যিখিনি অঞ্চল এতিয়াও গড়াখহনীয়াৰ কৱলত পৰা নাই, এই অঞ্চলখিনি বচাবৰ কাৰণে কম পক্ষেও এই কামখিনি অতি সোনকালে আৱণ্টন দি কামখিনি আৰম্ভ কৰাৰ ব্যৱস্থা কৰিব লাগে। চতুৰ্থতে, আমাৰ চৰ অঞ্চল শিক্ষাৰ ক্ষেত্ৰত একেবাৰে পিছপৰা। আপোনালোকে জানে, ২০০৩ চনত যিটো survey হৈছিল, কেৱল আমাৰ চৰ অঞ্চল নহয়, অসমৰ গোটেই চৰ অঞ্চলৰ শিক্ষাৰ হাৰ আছিল মাত্ৰ ১৯

শতাংশ আৰু মহিলাৰ শিক্ষাৰ হাৰ আছিল ৩ শতাংশ। গতিকে এইখিনি ক্ষেত্ৰত অসমৰ লগত যাতে আমি একে সামঞ্জস্য হিচাপে আনিব খুজো, তেতিয়াহ'লে আমাৰ শিক্ষা প্ৰতিষ্ঠানৰ দৰকাৰ আছে। কিন্তু আজি চৰ অঞ্চলত উচ্চ শিক্ষাৰ কোনো ব্যৱস্থা, আনকি হাইস্কুল পৰ্য্যন্ত নাই। ভেঞ্চাৰ, এল. পি, এম. ই দুই এখন আছে, কিন্তু সেইটোৰো চৰকাৰীকৰণৰ কোনো ব্যৱস্থা নাই। যোৱা বিধান সভাত চৰকাৰে ভেঞ্চাৰ স্কুলৰ প্ৰাদেশীকৰণৰ ক্ষেত্ৰত লোৱাৰ কথা আছিল, কমিটিও গঠন কৰিলে। কিন্তু দেখা গ'ল বহু আলোচনা হোৱাৰ পিছতো কোনো ধৰণৰ বিধান সভাৰ প্ৰত্যেক দলৰ সদস্যই অনুৰোধ কৰিছিল যে আমাৰ যিখিনি ভেঞ্চাৰ স্কুল এতিয়াও বাকী আছে, সেইখিনি ল'ব লাগে। কাৰণ আমাৰ চৰ অঞ্চলৰ শিক্ষাৰ হাৰ এই ভেঞ্চাৰ স্কুলে কমপক্ষে হ'লেও বঢ়াইছে। গতিকে আমাৰ ভেঞ্চাৰ স্কুলবিলাক ল'ব লাগে। পঞ্চমতে, আমাৰ Health Department, প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ চৰকাৰৰ আমোলত আমাৰ চৰ অঞ্চলত ৫০ খন PHE দিছিল। তাৰে মোৰ সমষ্টিতো আমি ৫ খন মান পাইছিলো। সেই সময়ত ডাক্তৰ, নাৰ্চ গোটেইখিনি দিয়া হৈছিল। কিন্তু এতিয়া এজনো ডাক্তৰ নাই। একেবাৰে ডাক্তৰহীন হস্পিতাল চলি আছে। গতিকে এনেকুৱা এটা অৱস্থাত আজি চৰ অঞ্চলৰ দুৰবস্তা। Ambulance ৰ ব্যৱস্থা নাই, ইতিমধ্যে আমাৰ মাননীয় সাংসদ ডাঙৰীয়া ৰকিবুল হুছেইন ডাঙৰীয়াই এখন ambulance দিছে চৰ অঞ্চলত। প্ৰত্যেক সমষ্টিতে এখনকৈ দিছে, মোৰ সমষ্টিতো এখন দিছে। সেইটো হয়তো কিছু কামত হ'লেও লাগিব। কিন্তু দলংখন নথকাৰ কাৰণে কিছু সমস্যা হ'ব। গতিকে মই নকওঁ যে চৰকাৰে কোনো কাম কৰা নাই। কাম কৰিলেও কিছু কিছু অঞ্চলত কাম কৰা নাই। ইচ্ছাকৃতভাৱে হওঁক, অনিচ্ছাকৃতভাৱেই হওঁক আমাৰ কিছু অঞ্চল একেবাৰে বৈষম্যমূলক আচৰণ কৰিছে আমাৰ অঞ্চলবিলাকৰ উন্নয়ণৰ ক্ষেত্ৰত। নহ'লে এই সামান্য কাম, এই কামখিনি কিয় কৰিব পৰা নাই? গতিকে আপোনাৰ জৰিয়তে আমি চৰকাৰক আহ্বান জনাইছো যে আমি যি ৫ টা সমস্যাৰ কথা উত্থাপন কৰিলো, এতিয়াও সময় আছে। এইটোত টকা পইচাও নালাগে, আৱণ্টনো নালাগে একো নালাগে। কেৱল ইচ্ছা কৰিলেই চৰকাৰে এই কামখিনি কৰি দিব পাৰে। গতিকে আপোনাৰ জৰিয়তে আমি চৰকাৰক আহ্বান জনাই মোৰ বক্তব্য ইয়াতেই সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈ, তেওঁ অনুপস্থিত। ৰাজ্যপালৰ ভাষণত ওপৰত ধন্যবাদসূচক প্ৰস্তাৱত যি আলোচনা হ'ল, তাৰ ওপৰত reply মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ১৯ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে প্ৰদান কৰিব। গতিকে সদন ১৮-০২-২০২৬ তাৰিখৰ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।

(সদন ১৮-০২-২০২৬ তাৰিখৰ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হয়)।